## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Durgaswar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sahitya Sabhaā Patrikaā | |
| Translated Title: Magazine of Asom Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1968 (1890 Sak) | Edition: |
| Size: 23 cms. 72+64+11+127+66 pages | Genre: Magazine |
| Volumes: 26 - 4 issues | Condition of the original: good |
| Remarks: 1st vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য সভা পত্ৰিকা

॥ ষষ্ঠ বিংশ বছৰ ॥ ● ১৮৯০ শক ● ॥ ২য় সংখ্যা ॥

অসম সাহিত্য সভা

ইং ১৯৬৮ চন

সম্পাদক

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

## ॥ পত্ৰিকা সম্পাদনা উপ-সমিতি ॥

শ্ৰীজ্ঞাননাথ বৰা, সভাপতি
শ্ৰীহৰিপ্ৰসাদ নেওগ
ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা
শ্ৰীলক্ষাহীৰা দাস
শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা, পত্ৰিকা সম্পাদক


## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকা বছৰেকত চাৰিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক ।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ৫'০০আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছৰেকীয়া বৰঙণি ৪'০০ ।

৩। সাহিত্য সভা পত্ৰিকাত প্ৰকাশৰ বাবে পঠোৱা প্ৰবন্ধ আদি কাগজৰ এপিঠিত ফটফটীয়াকৈ লেখি "শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা (সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা) অধ্যাপক, অসমীয়া বিভাগ, আৰ্য্যবিদ্যাপিঠ কলেজ, গুৱাহাটী—১৬" এই ঠিকনাত পঠায় যেন। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব ।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিব পৰা নহ'ব ।

৫। সাহিত্য সংস্কৃতি বিষয়ক মৌলিক আলোচনা আৰু গৱেষণামূলক প্ৰবন্ধ আদিয়েহে যাইকৈ ইয়াত ঠাই পাব ।

# অসম সাহিত্য সভা পত্ৰিকা


॥ ষষ্ঠ বিংশ বছৰ ॥ ● ১৮৯০ শক ● ॥ ২য় সংখ্যা ॥

ইং ১৯৬৮ চন

সম্পাদক

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

# সূচীপত্ৰ


| | | |
|---|---|---|
| দুজন দুৰ্গাবৰ | ॥ ১ ॥ | ডক্টৰ শ্ৰীউপেন্দ্ৰনাথ গোস্বামী |
| মহাকাব্য দুখনৰ প্ৰভাৱ | ॥ ৬ ॥ | অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| বেজবৰুৱাৰ শিশু সাহিত্য | ॥ ১০ ॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| নাট সমালোচকৰ দায়িত্ব | ॥ ১৩ ॥ | শ্ৰীফণী তালুকদাৰ |
| অসমীয়া নাট্য সাহিত্যত অতুল হাজৰিকা | ॥ ১৬ ॥ | শ্ৰীশৈলেন ভৰালী |
| গোহাঞি বৰুৱাৰ কবিতা | ॥ ২০ ॥ | শ্ৰীনন্দ তালুকদাৰ |
| ঠাং আৰু ৰাগ | ॥ ২৫ ॥ | শ্ৰীগোলোকচন্দ্ৰ খাউণ্ড |
| অসমীয়া ভাষাত যুৰীয়া শব্দৰ প্ৰভাৱ | ॥ ৩০ ॥ | শ্ৰীপ্ৰিয়নাথ তালুকদাৰ |
| তত্ত্বকথা | ॥ ৩৪ ॥ | ৺লক্ষীনাথ বেজবৰুৱা |
| ৰজাদুৱাৰৰ দৌলগোবিন্দ | ॥ ৩৬ ॥ | শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী |
| চিয়াং আৰু শোৱণশিৰীৰ জনজাতি | ॥ ৪০ ॥ | শ্ৰীশ্ৰীলীলাকৃষ্ণ দেৱ গোস্বামী |
| গোৱালপৰীয়া লোক গীত | ॥ ৪৩ ॥ | সংগ্ৰাহক : শ্ৰীদিনেশচন্দ্ৰ শৰ্ম্মা |
| গ্ৰন্থ-পৰিচয় | ॥ ৪৭ ॥ | |
| প্ৰাবন্ধিক-পৰিচয় | ॥ ৪৯ ॥ | |
| বেজবৰুৱা শতবাৰ্ষিকী | | |
| প্ৰকাশন সম্পৰ্কীয় বিজ্ঞপ্তি | ॥ ৫৫ ॥ | |
| সহকাৰী সম্পাদকৰ বিজ্ঞপ্তি | ॥ ৫৬ ॥ | |
| তেজপুৰ অধিৱেশনৰ প্ৰস্তাৱ | ॥ ৫৭ ॥ | |
| অসম সাহিত্য সভা | ॥ ৫৮ ॥ | |
| কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিৱেশন | | |
| সম্পাদকীয় | ॥ ৬৩ ॥ | |
| উদ্বৃত্ত পত্ৰ ( ১৯৬৮ চন ) | | |

# দুজন দুৰ্গাবৰ

ডক্টৰ শ্ৰীউপেন্দ্ৰনাথ গোস্বামী

পুৰণি অসমীয়া সাহিত্যৰ দুখন উল্লেখযোগ্য পুথিৰ এখন হৈছে গীতি-ৰামায়ণ আৰু আন এখন দুৰ্গাবৰী মনসা পুথি। এই দুখন পুথিৰ লেখক হৈছে দুৰ্গাবৰ কবি। নাম একে হলেও আচলতে দুৰ্গাবৰ এজন নে দুজন এই বিষয়ে আলোচকসকলে বিশেষ নিৰ্দ্দেশ দিয়া নাই। কোনোৱে দুয়োখন পুথিৰ ৰচকক 'বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি' হিচাপে লৈছে। কোনোৱে 'দুৰ্গাবৰী পদ্মাৰ পাচালীত ৰাম ভক্তিৰ কোনো নিদৰ্শন পোৱা নাযায়। কিন্তু সেই বাবেই মনসা কবি দুৰ্গাবৰ আৰু ৰামায়ণী কবি দুৰ্গাবৰক দুজন ব্যক্তি বুলি ভাবিব পাৰি নেকি'[১] বুলি ভৱিষ্যতৰ আলোচনাৰ ইঙ্গিত দিছে। মনসা পুথিৰ ৰচক দুৰ্গাবৰে নিজৰ পৰিচয় দাঙি ধৰিছে।[২] গীতি ৰামায়ণত কবিৰ কোনো আত্ম-পৰিচয় নাই। দুয়োখন পুথি অসম্পূৰ্ণ। গীতি ৰামায়ণখন অৰণ্যকাণ্ডৰ পৰাহে পোৱা গৈছে। মনসা পুথিখনৰো মাজে মাজে 'বহু অংশ নাই।' *

*দুৰ্গাবৰৰ মনসা গীত কামাখ্যাত আছে বুলি শুনা যায়। শুৱালকুছিতো দুৰ্গাবৰৰ পুথি সংৰক্ষিত হৈছে। ভাৰতচন্দ্ৰ দাসে নাৰায়ণ দেৱৰ বিষয়ে এইবুলি লেখিছে: নাৰায়ণদেৱ বাসত্তৰীয়া ব্ৰাহ্মণ বংশৰ। এওঁলোকে আজিলৈকে পদ্মাপুৰাণ সুন্দৰৰূপে ৰক্ষা কৰিছে আৰু বছৰি অতি ভক্তি সহকাৰে পুথিখন আদিৰ পৰা অন্তলৈকে পঢ়ি কোনোমতে সাত দিনৰ ভিতৰত শেষ কৰে। তাৰ পৰা পুথিৰ আকৃতি বুজি লব পাৰি। শুৱালকুছিত বাসত্তৰীয়া ব্ৰাহ্মণসকলৰ দ্বাৰা ৰক্ষিত পুথি নাৰায়ণ দেৱৰ হাতে লিখিত বা তাৰ হুবহু নকল।[৩] কিন্তু শুৱালকুছিৰে বামুণ শুৱালকুছিৰ স্বৰ্গীয় গোপাল শাস্ত্ৰীদেৱৰ সৈতে আমাৰ আলোচনা প্ৰসঙ্গত তাৰ মনসা পূজা সম্পৰ্কে এইখিনি কথাহে পোৱা গৈছিল। শুৱালকুছিত মনসা পূজা উপলক্ষে যিখন পুথি গোৱা হয়, সেইখন নাৰায়ণ দেৱৰ নহয়, মনকৰ আৰু দুৰ্গাবৰৰহে। মনসা পূজাও সাতদিন ধৰি নহয়। পুথিখন যদিও পূজাৰ কেইদিন পঢ়া হয় তথাপি একেবাৰে নেৰাকৈ পঢ়া নহয়।

১ ডঃ নেওগ : দুৰ্গাবৰী গীতি ৰামায়ণৰ ভূমিকা পৃষ্ঠা ১৶০

২ কমতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো অঠৰ কোঁৱৰ ॥
নীলাচল নামে গ্ৰাম সংসাৰত সাৰ ॥
আচয় পাৰ্ব্বতী অসুৰৰ ক্ষয়ঙ্কৰ ॥

৩ ভাৰতচন্দ্ৰ দাস : অঃ সাঃ বুৰঞ্জী (মনসা শাখা), পৃষ্ঠা ৯৮

পুথি দুখনৰ যিখিনি পোৱা গৈছে তাৰ পৰা অলপ গভীৰভাৱে চালে দুইখন পুথিৰ ৰচক দুজন বেলেগ ব্যক্তি বুলি সিদ্ধান্ত লব পাৰি। প্ৰথমতে গীতি ৰামায়ণ খনকে চোৱা যাওক। অৰণ্যকাণ্ডৰ আৰম্ভণিত আছে: শ্ৰীশ্ৰী গণেশায় নমঃ। শ্ৰীশ্ৰীৰামচন্দ্ৰায় নমঃ। প্ৰথম পদটো এনেদৰে আৰম্ভ কৰা হৈছে: জয় জয় ৰামচন্দ্ৰ জগতৰ পতি। ইয়াত 'জগতৰ পতি' কথাষাৰ বিশেষ ভাৱে মন কৰিব লগীয়া। পদৰ শেষত ভণিতা দিয়া হৈছে: ভণে কবি দুৰ্গাবৰ এড়ি আন কাম। পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥১৬॥ পুথিখনৰ শেষতো এই দুশাৰী কথাৰে সামৰণি মৰা হৈছে। প্ৰত্যেক দিহা আৰু পদৰ শেষত কবিয়ে আত্ম-লঘিমা দৰ্শাই দাস্যভাৱে ৰাম নামৰ মহিমা বা গুণানুকীৰ্ত্তন কৰা দেখা যায়:

ৰাম পদ আশে ভণে দুৰ্গাবৰ দাস ॥৭৬॥
ভণে কবি দুৰ্গাবৰ নমি ৰঘুবীৰ ॥১০৫॥
ভণে কবি দুৰ্গাবৰ ৰামৰ কিঙ্কৰে ॥১৩৯॥
ৰামৰ চৰণ কৰিয়া বন্দন, দাস দুৰ্গাবৰে ভণে ॥১৭৪॥
ৰাম নাম স্মৰি ভণে দুৰ্গাবৰ দাসে ॥২১২॥
ৰামৰ চৰণ চাই, প্ৰণতি কৰিয়া কই, কবিবৰ
দুৰ্গাবৰ দাস ॥২২৮॥
ভণে দুৰ্গাবৰ ৰাম পদ শিৰে ধৰি ॥২৭১॥
ভণে দুৰ্গাবৰ ৰাম চৰণ ভাবিয়া ॥২৯৬॥
ভণে দুৰ্গাবৰে ৰাম চৰণ কমল ॥৩৬৪॥
ৰামৰ চৰণ সেৱি অনুক্ষণ, ভণে দুৰ্গাবৰ দাস ॥৪১৮॥
ৰামৰ চৰণ সেৱি, ৰচিলে ই গীত ছবি,
দুৰ্গাবৰ মহাভক্তি মনে ॥৪২৯॥
কবি দুৰ্গাবৰ ভণে ৰামৰ সেৱক ॥৫০৩॥
ভণে কবি দুৰ্গাবৰ দাস ॥৫৫৮॥
ৰামৰ চৰণ সেৱি, বিৰচিলা গীত কবি, মহামূঢ়
দুৰ্গাবৰ দাস ॥৮৩৯॥
দুৰ্গাবৰ দাসে ভণে নমি ৰামদেৱ ॥৯৩১॥

ঠায়ে ঠায়ে শ্ৰোতাসকলকো ৰাম নামক আকোৱালি লবলৈ আহ্বান কৰা হৈছে। ৰাম নামেই যে সংসাৰ তৰণৰ একমাত্ৰ উপায় আৰু ৰামক চিন্তিলে সকলো মনোবাঞ্ছা সিদ্ধি হব তাৰো নিৰ্দ্দেশ দিয়া হৈছে:

দুৰ্গাবৰ ভণে, শুনা সৰ্ব্বজনে ভজিয়ো ৰাম চৰণ ॥৫১৫॥
ৰামৰ চৰণ বিনে, গতি নাহি আন মনে, কবিবৰ
দুৰ্গাবৰ ভনে ॥৬০২
ৰামৰ চৰণ চাপি, মই বড় মহাপাপী
নধৰিবা কিছো মোত দোষ
সৱে চিন্তিয়োক ৰাম সিদ্ধ হৈব মনকাম এ
ভণে কবি দুৰ্গাবৰ দাস ॥৬৬১॥
ভণে কবি দুৰ্গাবৰ ৰাম ৰাম বোল ॥৭৬১॥
ভণে কবি দুৰ্গাবৰে ৰামৰ চৰণে।
হৰি ৰাম ৰাম ঘুষিয়োক সৰ্ব্বজনে ॥৮২০॥
ৰামৰ চৰণ সেৱি কহে দুৰ্গাবৰ।
ৰাম ৰাম বুলি তৰা সংসাৰ সাগৰ ॥৮৬৭॥

এই উদ্ধৃতিবোৰৰ পৰা এইটো নিঃসন্দেহে কব পাৰি যে কবি দুৰ্গাবৰৰ উপাস্য দেৱতা ৰামচন্দ্ৰ। ৰামচন্দ্ৰত তেওঁ একান্তভাৱে শৰণ লৈছে। তেওঁত শৰণ ললে মনৰ সকলো বাঞ্ছা পূৰণ হয়। তদুপৰি সংসাৰলৈ অহা যোৱা কৰা কাৰ্য্যৰ পৰাও তেওঁ উদ্ধাৰ অৰ্থাৎ মোক্ষ দান কৰিব পাৰে। গতিকে ভক্ত কৰিব বৰ্ণনাত আন লোকসকলকো ইয়াৰ বাবে সকীয়াই দিয়া হৈছে। এইটো ভাৱধাৰা বৈষ্ণৱ কবিসকলৰ একশৰণ নামধৰ্ম্মৰ অনুৰূপ। অৱশ্যে ইয়াৰ দ্বাৰা দুৰ্গাবৰে এটা স্বকীয়া ৰাম ভক্তি শাখাৰ সৃষ্টি কৰিছিল বুলি ভাবিব নালাগে। বৈষ্ণৱ কবিসকলৰ লেখনিত ৰাম কৃষ্ণৰ অভেদত্ব স্থাপন কৰা হৈছে। কবি দুৰ্গাবৰেও ৰামচন্দ্ৰত কৃষ্ণত্ব আৰোপ কৰিছে। সেই কাৰণে মাজে মাজে ৰামচন্দ্ৰক বুজাবলৈ শ্ৰীকৃষ্ণসূচক শব্দ ব্যৱহাৰ কৰা হৈছে। ৰামচন্দ্ৰ 'চক্ৰপাণি', 'মুৰাৰি'। তেওঁ 'সাৰঙ্গৰ তিনি বেখা দিলন্ত'। তেওঁ 'জগতৰ পিতা', 'জগতৰ বাপ'। তেওঁ 'দামোদৰ' 'হৃষীকেশ', 'ঘনশ্যাম'। অৰণ্যকাণ্ডত দুৰ্গাবৰে ৰামৰ চৰিত্ৰ মুখ্যতঃ মানৱীয় ৰূপে অঙ্কন কৰিলেও তেওঁ যে সৃষ্টি স্থিতি প্ৰলয়কৰ্ত্তা একমাত্ৰ দেৱতা তাৰ পৰিচয় দিবলৈ অলপো সুযোগ হেৰুৱা নাই। ৰসলীৰ মুখৰ পৰা ৰথত তুলি কোনোবাই 'কন্যা এক লই' যোৱা বাৰ্ত্তা পাই ৰামচন্দ্ৰই সংহাৰ মূৰ্ত্তি ধাৰণ কৰি কবলৈ ধৰিলে:

হেৰা অগ্নি-শৰ মাৰোঁ স্বৰ্গ চূৰ কৰোঁ।
প্ৰহাৰি পাতাল পোৰোঁ দেৱকো সংহাৰোঁ ॥
নাগ নষ্ট কৰোঁ যক্ষ ৰক্ষ সৱ মাৰোঁ।
উলটাওঁ পৃথ্বী মেৰু মন্দৰ বিদাৰোঁ ॥ ৩৯৭ ॥

কিন্তু লক্ষ্মণে ৰামচন্দ্ৰক তেওঁৰ স্বৰূপ বৰ্ণনা কৰি শান্তৰূপ ধাৰণ কৰিবলৈ কোৱাতহে ৰামচন্দ্ৰ ক্ষান্ত হৈছে। লক্ষ্মণৰ ৰামচন্দ্ৰৰ স্বৰূপ বৰ্ণনাৰ মাজেৰে দুৰ্গাবৰে ৰামচন্দ্ৰত বিষ্ণুত্ব আৰোপ কৰিছে:

তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি ত্ৰিপুৰাৰী।
তুমি সংহৰিলে প্ৰভু কি কৰিতে পাৰি।
পূৰ্ব্বত আপুনি প্ৰভু সৃজিলা জগত।
নতু কাল হস্তে কেন কৰিবাহা হত ॥ ৪০০ ॥
পালিবাক বৈষ্ণৱক ভৈলা অৱতাৰ।
দুৰ্জ্জনক বাছি বাছি কৰিলা সংহাৰ ॥
এহি তযু যশ শুনি তৰে নৰলোক।
গীতাৰ শত্ৰুক মাৰা কীৰ্ত্তি ৰহিয়োক ॥ ৪০৪ ॥

ভক্তসকলৰ মানত আনহাতে বিষ্ণু আৰু বৈষ্ণৱৰ মাজত পাৰ্থক্য নাই। প্ৰকৃত ভক্তই বৈষ্ণৱৰ সংগহে প্ৰাৰ্থনা কৰে। ৰাম-ভক্ত জটায়ুৰ মুখেৰে সেই কাৰণে ব্যক্ত হৈছে:

নিজ কৰ্ম্মে হওঁ প্ৰভু হে যেহি যেহি গতি।
সেহি সেহি জন্ম হৌক তোমাত ভকতি ॥ ৪৪১ ॥
বৈষ্ণৱৰ সঙ্গতেসে হে ৰহোক সৰ্ব্বথা।
মুখে তযু যশ গাইবো কৰ্ণে তযু কথা ॥ ৪৪২ ॥

ৰামচন্দ্ৰ ভক্ত-বৎসল, ভকতৰ সকলো মনোবাঞ্ছা পূৰ্ণ কৰে। কবন্ধ ৰাক্ষসৰ প্ৰাৰ্থনা অনুযায়ী তেওঁক পুৰিবলৈ ৰামে লক্ষ্মণক চিতাখন সাজিবলৈ আজ্ঞা দিছে। নিজৰ দোষ ত্ৰুটি স্বীকাৰ কৰি আত্মসমৰ্পণ কৰিলে ৰামচন্দ্ৰই ভক্তৰ সকলো দোষ ক্ষমা কৰে। প্ৰথমবাৰ বালী আৰু সুগ্ৰীৱৰ মাজত হোৱা যুদ্ধত ৰামচন্দ্ৰই বালীক হত্যা নকৰা কাৰণে দোষাৰোপ কৰাৰ পাছত প্ৰকৃতস্থ হৈ নিজৰ দোষৰ বাবে ৰামচন্দ্ৰৰ ওচৰত এই বুলি স্তুতি কৰিবলৈ লৈছে: নাজানি সজ্জিলো দোষ ক্ষমা ৰঘুপতি। ইহ পৰলোকে প্ৰভু তুমি মোৰ গতি ॥ইপিনে "এই বুলি ৰঘুনা। অমৃত সমান হাত, মাজ্জিলন্ত প্ৰভু তাৰ গাত। সুস্থ হুয়া উঠি বসি ৰামৰ চৰণ পশি, স্তুতি কৰে কবি জোৰ হাত"॥ এইবোৰ কাৰ্য্যত ৰামচন্দ্ৰৰ ঐশ্বৰিকত্ব স্পষ্ট হৈ উঠিছে। বালীবধ কাৰ্য্যটোও ৰামচন্দ্ৰৰ ভক্ত সুগ্ৰীৱৰ মনোবাঞ্ছা পূৰণৰ এটা দৃষ্টান্তহে। বালীৰ ৰণ-যাত্ৰাৰ সময়ত বালীৰ সম্পূৰ্ণ বিশ্বাস আছিল যে ৰামচন্দ্ৰই তেওঁৰ সৈতে কেতিয়াও যুদ্ধ নকৰে। কাৰণ:

তিৰী-বৈৰী পিতৃ-বৈৰী সীমা-বৈৰী নোহা।
কিবা হেতু ৰামে আহি মোৰে যুজিবাহা ॥৭২৩॥

তথাপি বালীক বুজাই তাৰাই 'বুলিলন্ত ভকতৰ অৰ্থে ৰামে অন্যায় কৰন্ত'। অন্তিম সময়ত বালীয়ে ৰামৰ ওচৰত একান্তভাৱে আত্ম সমৰ্পন কৰিব লগীয়া হ'ল:

তোমাৰ সৃজনা ইটো সংসাৰ ॥৭৪৪॥
নিচিনি বুলিলো যত হে মই নিন্দাবাক।
পশিলো শৰণ প্ৰভু ক্ষেমিয়ো আমাক ॥৭৪৫॥

ইপিনে ৰাৱণৰ ব্যৱহাৰত অসন্তুষ্ট হৈ বিভীষণে ৰামচন্দ্ৰত আহি 'অভয় চৰণে প্ৰভু ৰক্ষা কৰিয়োক' বুলি শৰণ লৈছে। কাৰণ বিভীষণ 'মহাভক্ত জন'।

গীতি-ৰামায়ণৰ শেষৰ ফালে ৰামচন্দ্ৰত বিষ্ণুত্ব আৰোপৰ প্ৰবল চেষ্টাদৃষ্ট হয়। সীতাই সতীত্বৰ প্ৰমাণ স্বৰূপে অগ্নিত প্ৰৱেশ কৰা সময়ত ব্ৰহ্মাই কৰা স্তুতিখিনি এই ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য কৰিবলগীয়া। ব্ৰহ্মাৰ স্তুতি অনুযায়ী ৰামচন্দ্ৰ 'দেৱ নাৰায়ণ'। ভূমিৰ ভাৰ হৰণ হেতু তেওঁ অৱতাৰ গ্ৰহণ কৰিছে। সৃষ্টি স্থিতি প্ৰলয়ৰ তেওঁ সৰাকী। তেৱেঁই বিষ্ণু, তেৱেঁই 'মহাদেৱ' সৰ্ব্বলোকৰ তেওঁ নমস্য:

অসংখ্যাত স্তুতি কৰি ব্ৰহ্মাদেৱে কৰ জুৰি
তুমি দেৱ নাৰায়ণ হৰি
ভৈল প্ৰভু উতপন্ন ভূমি ভাৰ উদ্ধৰণ
শঙ্খ চক্ৰ গদা পদ্ম ধৰি ॥৯৩৩॥
তুমি তিনি ভুৱনক উৎপতি কৰি দেৱ
কৰা তুমি পালন সংহাৰ ॥৯৩৫॥

তুমি বিষ্ণু মহাদেৱ সৰ্ব্বলোকে কৰে সেৱ
তুমি দেৱ জগত পালক ॥৯৩৬॥

ওপৰৰ আলোচনাৰ পৰা স্পষ্টৰূপে কব পাৰি যে গীতি ৰামায়ণৰ ৰচক দুৰ্গাবৰ এজন বৈষ্ণৱ আৰু পুথি খনিৰ জৰিয়তে কৱিয়ে এক শৰণ নাম ধৰ্ম্ম প্ৰচাৰৰ প্ৰয়াস পাইছে। গতিকে গীতি ৰামায়ণখন মুখ্যত: বৈষ্ণৱ ধৰ্ম্ম প্ৰধান গ্ৰন্থ। কৱিয়ে "ৰামৰ ভাৱ চিন্তা আৰু ব্যৱহাৰত ঈশ্বৰত্ব আৰোপ কৰা নাই" কথাষাৰত বিশেষ সত্যতা নাই। কৱিৰ ৰচনাভঙ্গী আৰু ভাষা বৈষ্ণৱ কৱিসকলৰ অনুৰূপ। ঠায়ে ঠায়ে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ৰচনাৰ প্ৰত্যক্ষ প্ৰভাৱ আছে। তলত তাৰ উদাহৰণ কেইটামান দাঙি ধৰা হ'ল :

(ক) খৰ দূষণক আৰু কৰিলা নিৰ্য্যাণ —দুৰ্গাবৰ।
খৰ দূষণক প্ৰভু কৰিলা নিৰ্য্যাণ—শঙ্কৰদেৱ
(কীৰ্ত্তন)।

(খ) কোনে জগাইবো মোক মধুৰ বচনে—দুৰ্গাবৰ।
কোন আসি মোক মাতিবেক আই বুলি ;
মধুৰ অধৰে কোনে বজাইবেক বেণু —শঙ্কৰদেৱ
(কা: দ: না:)

(গ) ৰাম ৰাম বুলি তৰা সংসাৰ সাগৰ—দুৰ্গাবৰ।
বোলা হৰি হৰি তৰা সংসাৰ সাগৰ—শঙ্কৰদেৱ
(কীৰ্ত্তন)।

(ঘ) পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম—দুৰ্গাবৰ।
পাতেক ছাড়োক ডাকি বোলা ৰাম ৰাম—শঙ্কৰদেৱ
(কীৰ্ত্তন)।

(ঙ) ক্ষেপিবো বাণ সঙ্কলিবো জীউ—দুৰ্গাবৰ।
এক পাট শৰে বালী সঙ্কলিলা জীৱ—শঙ্কৰদেৱ
(কীৰ্ত্তন)।

(চ) লক্ষণ কুমৰ মোৰ হৈবন্ত দেৱৰ।
তযু পিতা দশৰথ হৈবন্ত শ্বশুৰ ॥
কৌশল্যা হৈবন্ত শ্বাশু দেৱী যে গোসানী ॥
দুৰ্গাবৰ।
দশৰথ ৰাজা হইবন্ত শ্বশুৰ
কৌশল্যা হইবন্ত শ্বাশু।—শঙ্কৰদেৱ (উত্তৰাকাণ্ড)

(ছ) আগত চলিয়ো তুমি পাছত চলিবো আমি
দুৰ্গম সঙ্কট ঘোৰ বনে—দুৰ্গাবৰ।
ৰাজাৰ কুমাৰ হৈয়া গৰু চাৰি খাওঁ ভাত
দুৰ্গম সঙ্কটময় বনে।—মাধৱদেৱ (বৰগীত)।

মুঠৰ ওপৰত গীতি ৰামায়ণৰ স্তুতিৰ পৰা শেষলৈকে বিষ্ণু ভক্তিৰ সুৰ অনুৰণিত হৈছে। মনসা পুথি দুৰ্গাবৰীত এই সুৰৰ ক'তো প্ৰতিধ্বনি পৰ্যন্ত নাই। তাত আছে আন এটা সুৰ। সেই সুৰ 'পদুমাই', 'বিষহৰী', 'তোতলামায়', 'পোঞা', আৰু 'ব্ৰহ্মাণী'ৰ প্ৰতি ভক্তি আৰু পূজাৰ সুৰ। গীতি ৰামায়ণত ৰামচন্দ্ৰৰ প্ৰতি কৰা ভক্তিয়ে ভক্তৰ মনোবাঞ্ছা পূৰণ কৰাৰ উপৰিও ভক্তক সংসাৰৰ পৰা উদ্ধাৰ কৰে। দুৰ্গাবৰীত পদুমাইক পূজা কৰিলে সাংসাৰিক সকলো সুখ সমৃদ্ধি বাঢ়ে :

বন্দো তোতলা মায় জে, বন্দো আকাশ গামিনী।
যেবা নৰে পূজে তাৰ খণ্ডোক বিঘিনি ॥
দেৱী বিষহৰী জে সবাক দেন্ত বৰ।
ব্ৰহ্মাণীক পূজে যিতো এক চিত্ত মনে।
পুত্ৰ দাৰা সুখে সিটো থাকে সৰ্ব্বক্ষণে ॥
পৰিপূৰ্ণ হৱয় তাহাৰ গৃহবাস।
নিপুত্ৰিৰ পুত্ৰ হয় মুক্ত হয় বন্দী।
ঘৰে ঘণ্ট পাতি যিটো পূজয় প্ৰবন্ধি ॥
পদুমাইক পূজিলে প্ৰত্যেক বৰ পাই।
অন্ধলাৰ চক্ষুদান ঘৰে ধন (ভৰাই)।
পদুমাই সুপ্ৰসন্নে সুখত থাকিবা ॥
বিঘিনি বিনাশ হয়ে বৃদ্ধি হয়ে ধন।
পোঞা বেহুলী মঙ্গল যে কৰন্ত সদায় ॥

গীতি ৰামায়ণৰ কৱি দুৰ্গাবৰ 'ৰামৰ সেৱক'। মনসা কৱি 'দুৰ্গাবৰ পদুমাইৰ দাস'। গীতি ৰামায়ণৰ আৰম্ভণিত আছে ; শ্ৰীশ্ৰীগণেশায় নম: শ্ৰীশ্ৰীৰামচন্দ্ৰায় নম: মনসা পুথিৰ আৰম্ভণিত আছে 'বিষহৰ্যৈ নম:'। গীতি ৰামায়ণত 'ভকতৰ অৰ্থে ৰামে অন্যায় কৰন্ত'। দুৰ্গাবৰীত বিষহৰী অভক্তজনৰ প্ৰতি অতিশয় নিৰ্মম, অতিশয় প্ৰতিহিংসা পৰায়ণ। চান্দ সদাগৰৰ প্ৰতি তেওঁৰ প্ৰতিজ্ঞা : বাৰয় বুহিত তোৰ সাগৰে ভাসাও ॥ সাধিবোহো বাদ, বাৰই বুহিত বুৰাইবো। দিবসেক লাগি খাইতে ধন নাৰাখিবো ॥ দুয়োখন পুথিৰ বিষয় বস্তু আৰু ভাৱধাৰাৰ কোনো সাদৃশ্য নাই। দুয়োখনৰ ৰচকৰ ৰুচি ভিন্ন, অভিপ্ৰায় স্বকীয়া।

ৰচনা ৰীতিৰ ফালৰ পৰা চালে গীতি ৰামায়ণত স্থানৰ উপযুক্ততা অনুযায়ী পদ, দুলৰি,ছবি আদি ছন্দ প্ৰয়োগ কৰা হৈছে। মনসা পুথিখন প্ৰায় পদছন্দত লেখা। মাজে মাজে দুই এঠাইতহে ছবি আৰু লেছাৰী ছন্দৰ অনুকৰণ আছে। বৰ্ণনাৰ দিশৰ পৰা চালে দুয়োখন পুথিৰ বৰ্ণনাত মিল দেখা নাযায়। মনসা কৱিয়ে লখিন্দাৰৰ ৰূপৰ বৰ্ণনা দিছে :

মুখত ডাকিবো মুখ পূৰ্ণিমাৰ জ্যোতি।
নাকত ডাকিবো নাকে নাহি একো খতি ॥
অধৰে ডাকিবো যেন পাৰলি মুকুল ॥
দন্তত ডাকিবো বীজ পংক্তি বিৰচিল ॥
নয়নে ডাকিবো যেন স্বৰ্গে জ্বলে তাৰা।
কণ্ঠত ডাকিবো কণ্ঠে সন্দিয়াচে হাৰা ॥

ৰামায়ণী কৱিয়ে শূৰ্পনখাৰ ৰূপ বৰ্ণাইছে :

অধৰ ৰাতুল মুখ চন্দ্ৰমাৰ পান্তি ॥
হৃদয় জ্বলিয়া আছে সুবৰ্ণৰ কান্তি ॥
আঙ্গুলি চম্পাৰ পান্তি খীন মধ্যদেহ।
মৃণাল সদৃশ ভুজ দেখান্ত সন্তোষ ॥

এইবাৰ সীতাৰ বৰ্ণনা:

বদন সৰস সম নেত্ৰ দুই মনোৰম
দশন মুকুতা সম পান্তি ॥
চিকিমিকি কৰে পাৰু বলিত বৰ্ত্তুল উৰু
বচন কোকিল সম ভাসে।
তিনিও ভুবন ৰূপে মুহিবাক পাৰে হে
ডম্বৰুক জিনি মধ্য দেহে ॥৩২৯ ॥

লোক সমাজৰ চিত্ৰ অঙ্কনতো দুয়োখন পুথিত সাদৃশ্য লক্ষিত হোৱা নাই। মনসা কৱিয়ে চান্দ সদাগৰৰ যাত্ৰা কালত দেখা অমঙ্গলৰ চিন হিচাপে বৰ্ণনা দিছে:

যাত্ৰা কৰি উঠন্তে যে উজটি লাগিল।
চিউ মাৰি কাকে তাৰ শিৰ পৰশিল ॥
শৃগাল সমীপে ৰাও কাৰে ঘনে ঘন।
বায়ু বিপৰীত বহে ধুলা বিক্ষেপন ॥

ৰামায়ণৰ কৱিৰ বৰ্ণনাত বালী ৰাজাৰ ৰণ-যাত্ৰাৰ সময়ত দেখা অমঙ্গলৰ চিনবোৰ এনেকুৱা:

মাথাৰ উপৰে কাক শগুন উৰাই ॥৭২৫ ॥
ৰাম পাৰ্শ্বে সৰ্প যাই ডাহিনে শৃগলি।
কাক গৃধ্ৰ পক্ষী যে আকাশে পালে পাল ॥
হাচি জেঠি নামানিয়া ৰণক গমন। ৭২৬ ॥

ভাষাৰ দৃষ্টিৰে চালে ৰামায়ণী কৱিৰ ভাষা বৈষ্ণৱ কৱিসকলে অনুসৰণ কৰা পৰম্পৰা অনুযায়ী চলি অহা ভাষা। মনসা কৱিৰ ভাষা কথিত ভাষাৰ অনুগামী। মনসা কৱিৰ ভাষাত সেইবাবে পাওঁ চিনান, শিথানা, কাকৈ, কাউৰ, ঠোকনাই, কুহৰি, তৰ, টোকান, ভাৰ্যা বৈনী, গাছ ইত্যাদি। এওঁৰ ভাষাত কিছুমান বিশিষ্ট শব্দৰ ব্যৱহাৰো আছে ; যেনে কুলুপ, ৰহিঠা, বুহিত, বৃক্ষালি, দোয়া, দোয়াজ ইত্যাদি। এওঁৰ ভাষাত ষষ্ঠী বিভক্তি যুক্ত শব্দৰ ৰূপ বিশেষ ধৰণে হয় ; যেনে, সুবৰ্ণেৰ, চন্দনেৰ ; ক্ৰিয়াৰূপ হ'ল দিল, গৈল, বাটিল, ভিজিল, কৰাইল ইত্যাদি। (ৰামায়ণী কৱিৰ ভাষাত ক্ৰিয়াৰূপবোৰ হ'ল : ভিজিলা, বুলিলা, চলিলা, দিলা, তৈলা আদি)। মনসা কৱিৰ ভাষাৰ আন এটা বিশেষত্ব হ'ল স্বাৰ্থিক প্ৰত্যয় –ৰে ৰ ব্যৱহাৰ ; যেনে, এহেন মঙ্গুসৰে, ঘৰে যায়া খাৰৱে, হাৰি ঘাটি বৈয়াৰে, শৰীৰ ভিজিল আহাৰে। (ৰামায়ণী কৱিৰ ভাষাত এনে প্ৰয়োগ নাই)। দুৰ্গাবৰৰ আন এটা বিশিষ্ট প্ৰয়োগ হৈছে বিশেষণাত্মক —ইল প্ৰত্যয়; যেনে, ভুখিল (ভুখ+ইল)। মনকৰতো ইয়াৰ ব্যৱহাৰ পোৱা গৈছে। ৰামায়ণী কৱিৰ ভাষাত হলে নাই। মনসা কৱিৰ ভাষাত আছে ভাষাইবো, কৰাইবো, বুৰাইবো, দিবো। ৰামায়ণী কৱিৰ ভাষাত দিবোহো ৰক্ষিবোহো, থাকিবোহো আদি বিকল্প ৰূপ কিছুমান পোৱা যায়। মনসা কৱিৰ ভাষাত —হোৰ প্ৰয়োগ কম।

ওপৰৰ আলোচনাৰ পৰা কব পাৰি যে প্ৰত্যেক ক্ষেত্ৰতে সম্পূৰ্ণ বিপৰীত বৈশিষ্ট্য যুক্ত কৱি দুজনাক এজন বুলি ভাবিবৰ অৱকাশ নাই। মনসা কৱি দুৰ্গাবৰ হৈছে অবৈষ্ণৱ কৱি আৰু গীতি ৰামায়ণৰ কৱি দুৰ্গাবৰ বৈষ্ণৱ কৱি।

# মহাকাব্য দুখনৰ প্ৰভাৱ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

অসমীয়া কাব্য সাহিত্যত মহাকাব্যৰ প্ৰভাৱ সম্পৰ্কে কোৱাৰ আগতে ৰামায়ণ আৰু মহাভাৰত এই মহাকাব্য দুখনৰ বিষয়ে আমাৰচেৰেক কোৱাটো আৱশ্যক। ৰামায়ণৰ টিকাকাৰ ৰামানুজে লিখি গৈছে যে ৰামায়ণ ৰূপী গঙ্গাই বাল্মীকি-স্বৰূপ পৰ্ব্বতৰ পৰা উৎপত্তি লাভ কৰি, ৰাম-ৰূপ সৰোবৰত পৰিছে আৰু তাৰ দ্বাৰা ত্ৰিলোক পবিত্ৰ হৈছে। শাস্ত্ৰত কোৱা হৈছে "বেদে ৰামায়ণে পুণ্যে পৰাণে ভাৰতে তথা" ইয়াৰ দ্বাৰা মহাভাৰত ৰামায়ণক বেদৰ সমপৰ্য্যায়ৰ বুলি নকলেও অতি পবিত্ৰ গ্ৰন্থ বুলি কোৱা হৈছে। ৰামায়ণত লিখা আছে যে গোটেইখন ৰামায়ণ পঢ়িব নোৱাৰিলেও যি তাৰ কিছু অংশ মাথোন ভক্তিভাৱেৰে পাঠ কৰিছে তেওঁ সদায় ব্ৰহ্মাৰ দ্বাৰা পূজিত হৈ ব্ৰহ্মলোকত বাস কৰি থাকে। কেৱল যে তথ্যগ্ৰন্থ হিচাপেই ৰামায়ণ শ্ৰেষ্ঠ গ্ৰন্থ এনে নহয়, সাহিত্যৰ ফালৰ পৰাও মহাকাব্য হিচাপে অতুলনীয়। পৃথিৱীৰ আদিকবি বুলি খ্যাত মহাকবি বাল্মীকিৰ কবিত্ব-প্ৰতিভাই, সৃজনী শক্তিয়ে ৰামায়ণৰ কাহিনী ভাগত সোণত সুৱগা চৰাইছে।

দ্বিতীয়খন মহাকাব্য মহাভাৰত গ্ৰন্থ সম্পৰ্কেও একে কথাই প্ৰযোজ্য। সংস্কৃত ভাষাত ইমান ডাঙৰ গ্ৰন্থ আৰু নাই। মহাভাৰতক ভাৰতবৰ্ষত ইতিহাস আখ্যাও দিব পাৰি। ইয়াক পুৰাণ আৰু পঞ্চম বেদো বোলা হয়। দৰাচলতে মহাভাৰতত পুৰাণৰ আটাইবোৰ লক্ষণ পৰিলক্ষিত হয় আৰু ইয়াৰ ঠায়ে ঠায়ে বেদৰ বৰ্ণনাও পোৱা যায়। ইয়াত ৰজা, মহাৰজা, বীৰ-বীৰাঙ্গণা, সতী ঋষি-মুনি, দেৱতা আদিৰ কাহিনী আৰু উপকাহিনী কিমান আছে তাৰ অন্ত নাই। এই বিৰাট বিশাল মহাভাৰতত বহু বিধ ৰাজনীতি আৰু ধৰ্ম্মনীতি তদুপৰি নানা প্ৰকাৰ লৌকিক আচাৰ আৰু বিষয় ব্যৱহাৰো প্ৰাঞ্জল ভাষাত বৰ্ণিত হৈছে। ইয়াক ধৰ্ম্ম শাস্ত্ৰও বুলিব পাৰি, নীতি-শাস্ত্ৰও বুলিব পাৰি। নিৰপেক্ষ দৃষ্টিভঙ্গীৰে আদ্যোপান্ত মহাভাৰত পাঠ কৰিলে মহাকবি বেদব্যাসৰ আশ্চৰ্য্য অধ্যৱসায়, অসামান্য ৰচনা নৈপুণ্য, প্ৰগাঢ় ভাব মাধুৰী আৰু উদাৰ উদ্দেশ্যৰ বিষয়ে সম্যকভাৱে উপলব্ধি কৰিব পৰা যায়। যি সময়ত এই গ্ৰন্থ ৰচনা কৰা হৈছিল সেই সময়ত যে ভাৰতবৰ্ষই জ্ঞান-বিজ্ঞানৰ উচ্চ শিখৰ পাইছিল সেই কথাৰ ভুৰি ভুৰি দৃষ্টান্ত মহাভাৰতত আছে। অৰ্থনীতি, সমাজনীতি, কৃষি, বাণিজ্য, শিল্প আদি নানা বিষয়ৰ উচ্চ পৰ্য্যায়ৰ আলোচনা এনে বিশদভাৱে দিয়া হৈছে যে আজিৰ বৈজ্ঞানিক যুগৰ মানুহেও সেইবোৰ পাঠ কৰি উপকৃত নোহোৱাকৈ নেথাকে। সেই কাৰণে মহাভাৰত কাব্য আজি প্ৰাচীন সংস্কৃত ভাষাতেই আৱদ্ধ হৈ থকা নাই। সকলোবোৰ ভাৰতীয় ভাষাৰ উপৰিও বহু, ইংৰাজী আদি বিদেশী ভাষাবোৰলৈ মহাভাৰত অনুদিত হৈছে। মহাভাৰতত নোহোৱা বস্তু নাই বুলি ওপৰতে কোৱা হৈছে। বেদ, পুৰাণ আদিৰ উপৰিও ৰামায়ণৰ কাহিনীও মহাভাৰতৰ কবিয়ে সামৰি লৈছে। ভাৰতীয় সাহিত্যত, ভাৰতীয় সংস্কৃতিত, ভাৰতীয় জীৱন-যাত্ৰাত ৰামায়ণ। মহাভাৰত এনে ওত: প্ৰোতভাৱে জড়িত হৈ আছে যে এই কাব্য দুখনৰ কথা বাদ দি আমি আমাৰ স্বকীয় অস্তিত্বৰ কথা অনুভৱ কৰিবলৈকে টান। আমাৰ ঘৰুৱা জীৱনত নিত্য ব্যৱহৃত বহু প্ৰবচন যোজনা পটন্তৰৰ গুৰিসছ অসমীয়া ৰামায়ণ মহাভাৰতৰ পুথিবোৰত পোৱা যায়। তাৰে দুটামান যেনে— (১) ৰামৰ কাৰ্য্যলৈ বৈদ্যৰ বৰ হেলা। (২) মুখৰ অগণি মুখেৰে নুমুৱা। (৩) আই সীতা পাতালক যাব লগত কাক নিব কাক থব (৪) বকাসুৰ ভাই তই থাক চাই, মই পেলাও খাই।
(৬) বালিলৈ যিপাত শৰ সুগ্ৰীৱলৈকো সেই একেপাত শৰ। ইত্যাদি।

আমাৰ অসমীয়া সাহিত্যৰ ভঁড়ালটোত ৰামায়ণ মহাভাৰতৰ কথা ইমান ব্যাপকভাৱে সিচৰতি হৈ আছে যে সেইবোৰৰ সম্পূৰ্ণ লেখ দিয়াটো সম্ভৱ নহয়। বুৰঞ্জী আৰু লোকসাহিত্যৰ কথা বাদ দিলেও সমগ্ৰ পুৰণি অসমীয়া সাহিত্যকে ৰামায়ণ আৰু মহাভাৰতৰ সাহিত্য বুলি কলে বোধকৰো ভুল কৰা নহয়। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে যি বৈকুণ্ঠ প্ৰকাশ কৰা হৰি নাম ধৰ্ম্মৰে অসম দেশ প্লাৱিত কৰিছিল আৰু এই ধৰ্ম্ম প্ৰচাৰত সহায়ক স্বৰূপে তেৰাই বসাল আৰু জীপাল বৈষ্ণৱ সাহিত্য সৃষ্টি কৰাত আগভাগ লৈছিল ; সেই সাহিত্য সৃষ্টিত ৰামায়ণ আৰু মহাভাৰত মহাকাব্যই নি:সন্দেহে প্ৰচুৰ অৰিহণা যোগাইছিল। মহাপুৰুষৰ পূৰ্ব্বতেও মহাকবি মাধৱকন্দলিয়ে মূল সংস্কৃতৰ পৰা সাতকাণ্ড অসমীয়া ৰামায়ণ ভাঙিছিল। মূল ৰামায়ণৰ ঘাই ঘটনাবোৰ অলপো বিকৃত নকৰাকৈ মাধৱকন্দলিয়ে অসমীয়া ৰামায়ণ ৰচনা কৰিছিল। তেওঁৰ নিজৰ কবিত্ব শক্তিৰ আশ্ৰয় লৈ ৰামায়ণখনি স্থান-কালোপযোগী কৰিবলৈ যত্ন কৰিছিল।

শ্ৰীমহামাণিক্য বোলে কাব্যৰস কিছু দিয়ে
দুগ্ধক মথিলো যেন ঘৃতে।
কবিসব নিবন্ধয় লোক-ব্যৱহাৰে
কতো নিজা কতো লম্ভ। কথা অনুসাৰে।

চতুৰ্দ্দশ শতাব্দীত ৰচিত মাধৱকন্দলিৰ ৰামায়ণেই প্ৰথম অসমীয়া ৰামায়ণ। তাৰ আগতেও যে ৰামৰ কথা অসমৰ জনসমাজত প্ৰচলিত নাছিল তেনে নহয়। মৌলিক লোকগীতবোৰত বিশেষকৈ বিয়ানাম, হুচৰিনাম আদিও আৰু আনকি মন্ত্ৰ-তন্ত্ৰৰ পুথিবোৰতো ৰাম নামৰ উল্লেখ পোৱা যায়।

এই জনা কবি মাধৱকন্দলিৰ অৱশ্যে ধৰ্ম্মপ্ৰচাৰ কৰাটো উদ্দেশ্য নাছিল। তথাপি তেওঁ থলুৱা ৰাইজৰ ধাতু বুজি পাই ৰামায়ণ অমৃত বিলাই দিছিল। তেওঁৰ সমসাময়িক দুই এক কবিয়েও মহাভাৰতৰ একোটা আখ্যানেৰে পদ পুথি ৰচিছিল। মাধৱকন্দলিৰ ৰামায়ণ যে অতিশয় জনপ্ৰিয় হৈছিল তাৰ প্ৰমাণ তেওঁৰ পৰৱৰ্ত্তী শঙ্কৰদেৱৰ ৰচনাতে পোৱা যায়। কিয়নো আদিকবি অপ্ৰমাদী মাধৱকন্দলিৰ আহিকে লৈ তেৰায়ো পদ ৰচনা কৰিছিল। আনকি বিলুপ্ত হোৱা মাধৱকন্দলিৰ সাত কাণ্ড আৰু উত্তৰ কাণ্ড ৰামায়ণ গুৰু দুজনাই নকৈ ভাঙি অসমীয়া ৰামায়ণখন সম্পূৰ্ণ কৰি ৰাখিছিল। এই দুজনা গুৰুৰ কাব্য-সাহিত্যত গীতা-ভাগৱতৰ উপৰিও ৰামায়ণ মহাভাৰতৰ প্ৰভাৱ জনজল পটপট। দুয়োজন কবিয়ে দুইখন কাব্য মহাসাগৰত নাদুৰিসাঁতুৰি অৱগাহন কৰি নিজৰ ৰচনাত সোণত সুৱগা চৰাইছে।

মাধৱকন্দলিৰ উপৰিও অসমীয়া ৰামায়ণ-কবি আৰু জনচেৰেক আছে। তেওঁলোক হৈছে— দুৰ্গাবৰ অনন্তকন্দলি, অনন্ত ঠাকুৰ, ৰঘুনাথ মহন্ত, গঙ্গা দাস প্ৰভৃতি। এইসকল কবিয়ে মাধৱকন্দলিৰ নিচিনাকৈ সম্পূৰ্ণ ৰামায়ণ তৰ্জ্জমা কৰা নাই যদিও প্ৰতিজনৰ ৰচনাৰ বৈশিষ্ট্য আছে। দুৰ্গাবৰে চমুকৈ লিখা ৰামায়ণখনিক গীতি-ৰামায়ণ বোলা হয়। এই ৰামায়ণ ওজা-পালিয়ে সুৰ লগাই গাবৰ উদ্দেশ্যে ৰচনা কৰা হৈছিল। অনন্তকন্দলিয়ে ৰামায়ণত ভাগৱতী আদৰ্শ প্ৰচাৰ কৰিছিল। 'ৰামায়ণ কথা পদবন্ধে নিবন্ধিলো ভাগৱত চৰ্চ্চা কৰি।' মাধৱকন্দলিৰ ৰামায়ণৰ লগত তেওঁৰ ৰামায়ণৰ পাৰ্থক্য কৰিব এই পদ কেইফাকিতে ফটফটীয়াকৈ ওলাই পৰে:

মাধৱকন্দলি বিৰচিলা ৰামায়ণ
তাক শুনি আমাৰ ব্যাকুল কৰে মন।
ৰামৰ সামান্য সম্ভ কথা যথাৱত
ভজনীয় গুণ তাত নভৈল বেকত।
এতেকে যতন কৰো ভকতিক পদে
নুবুলিবা নিন্দা বাক তথা সভাসদে।

অনন্ত ঠাকুৰে নিত্য প্ৰসঙ্গত গাবলৈ তেওঁৰ সৰু ৰামায়ণখন ৰচনা কৰিছিল। ৰঘুনাথ মহন্তই তেওঁৰ কথা-ৰামায়ণ গদ্যত ৰচনা কৰি কৃতিত্ব প্ৰদৰ্শন কৰে।

কেৱল অসমীয়া ভাষাতে নহয়, ভাৰতীয় আন কোনো ভাষাতে ইমান পুৰণি সময়তে লিখা ৰামায়ণ পোৱা নেযায়। এইবোৰৰ উপৰিও ৰামায়ণৰ কাহিনীত ভেজা লৈ লিখা অনেক সৰুপুথি বা খণ্ড ৰামায়ণ পোৱা যায়।

ইয়াৰ লগতে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ বিৰচিত "গুণ গুণ নিশাচৰ বৈৰীপ্ৰমাণ" নামৰ অন্যতম শ্ৰেষ্ঠ বৰগীতটোৰ কথাও উল্লেখ কৰিব পাৰি। ভাব, ভাষা, সুৰ, তাল সকলো ফালৰ শ্ৰেষ্ঠত্বৰ দাবী কৰিব পৰা এই বৰগীতটিত ৰামায়ণৰ নায়ক ৰামৰ মাহাত্ম্য প্ৰচাৰ কৰা হৈছে।

মহাভাৰতৰ কথা কওঁতে হলে সৰ্ব্বপ্ৰথমে বিৰাট অসমীয়া মহাভাৰত ৰচয়িতা ৰামসৰস্বতীৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। অসমৰ বিক্ৰমাদিত্য, বেহাৰৰ নৰনাৰায়ণ মহাৰাজৰ পৃষ্ঠপোষকতাত কবি ৰামসৰস্বতীয়ে দুৰ্ব্বোধ্য সংস্কৃতৰ পৰা স্ত্ৰী-শূদ্ৰ সকলোৱে বুজিব পৰাকৈ ভাঙি অসমীয়া মহাভাৰত প্ৰনয়ণ কৰি অক্ষয় কীৰ্ত্তি আৰ্জ্জি থৈ গৈছে। মূল ভাৰতৰ বন-পৰ্ব্বটো ৰামসৰস্বতীয়ে নতুনকৈ সজাইপৰাই অসমীয়া ৰাইজৰ মনোৰঞ্জন কৰিবলৈ সমৰ্থ হৈছিল। ৰামসৰস্বতী পৰ্ব্বক সমালোচক সকলে বৈষ্ণৱ-পৰ্ব্বও আখ্যা দিছে। তদুপৰি এই বন-পৰ্ব্বত সন্নিবিষ্ট খটাসুৰ বধ, বকাসুৰ বধ, বঘাসুৰ বধ আদি কাব্যসমূহে এই জন কবিক অমৰ কৰিছে। মহাভাৰতৰ কাহিনীত ভেজা লৈ লিখা ৰামসৰস্বতীৰ ভীম-চৰিত কাব্যখনিয়ে অসমীয়া ৰূপত, অসমীয়া ঠাচত অসমীয়া জাতীয় জীৱনৰ প্ৰতিফলন কৰিছে বুলি কব পৰা যায়। এইজন মহাভাৰত-কবিৰ উপৰিও আৰু বহু জন মহাভাৰত-কবি আছে। সেইসকলৰ ভিতৰত হৰিবৰ বিপ্ৰৰ বভ্ৰুবাহন পৰ্ব্ব মাধৱকন্দলিৰ অশ্বমেধ পৰ্ব্ব, কংসাৰিৰ বিৰাট পৰ্ব্ব আদি বিশেষভাৱে উল্লেখ-যোগ্য। মহাভাৰতৰ অন্তৰ্গত গীতা শাস্ত্ৰও পুৰণি আৰু বৰ্ত্তমান অসমীয়া সাহিত্যত কেবাখনো পোৱা যায়। শাস্ত্ৰৰ উত্তম গীতা ভাগৱতৰ ধৰ্ম্মই অসমৰ বৈষ্ণৱ ধৰ্ম্ম। ভাগৱত ভট্টাচাৰ্য্য ভট্টদেৱৰ কথা গীতা জগৎজননী পতিতপাৱনী। কথা গীতাৰ উপৰিও গোবিন্দ মিশ্ৰৰ কৃষ্ণ-গীতা, পুৰোষোত্তম ঠাকুৰৰ গীতা-সাৰৰ নাম উল্লেখ কৰিব পাৰি।

গীতা, ভাগৱত, দশম, কীৰ্ত্তন, হৰিবংশ আদি সকলো-বোৰ হিন্দু ধৰ্ম্ম গ্ৰন্থৰ মূল কাহিনী মহাভাৰত মহাসাগৰ মন্থন কৰিলেই পাব পাৰি। সেই কাৰণে চমুকৈ কবলৈ হলে সমগ্ৰ অসমীয়া প্ৰাচীন সাহিত্যই ৰামায়ণ আৰু মহাভাৰতৰ পেটত সোমাই থকা বুলি কব পাৰি। পোনপটীয়া অনুবাদৰ উপৰিও এই কাহিনীবোৰত ভেজা লৈ অসমৰ প্ৰাচীন কবিসকলে অসমীয়া কাব্য সাহিত্যৰ এটা মেটমৰা ভঁৰাল সাজি থৈ গৈছে।

আধুনিক অসমীয়া সাহিত্যৰ কথা অৱশ্যে অলপ সুকীয়া। পশ্চিমীয়া ভাৱধাৰা, পশ্চিমীয়া জীৱনাদৰ্শ আৰু পশ্চিমীয়া সাহিত্যৰীতি আমদানি হোৱাৰ বাবে আধুনিক অসমীঁয়া সাহিত্যই আগৰ মোট সলালে, সাজপাৰ সলনি কৰিলে। তথাপি এই আধুনিক সাহিত্যয়ো যে ৰামায়ণ মহাভাৰতৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্তিলাভ কৰিব পাৰিছে এনে কথা কব পৰা নেযায়। বৰ্ত্তমান অসমীয়া কাব্য সাহিত্যতো মহাকাব্য দুখনৰ পোনপটীয়া আৰু আওপকীয়া প্ৰভাৱৰ ভুৰি ভুৰি দৃষ্টান্ত উপস্থাপন কৰিব পাৰি। এই যুগৰ প্ৰথম দুগৰাকী কাব্যলিখক ৰমাকান্ত চৌধাৰী আৰু ভোলানাথ দাসে মহাভাৰত-ৰামায়ণৰ কাহিনীকে অৱলম্বন কৰি দুখন মূল্যবান গীত-কাব্য ৰচনা কৰিছিল—- ৰমাকান্তৰ অভিমন্যুবধ ভোলানাথৰ সীতা হৰণ। হিতেশ্বৰ বৰবৰুৱাই অসম বুৰঞ্জীৰ ঘটনা লৈ কাব্য ৰচনা কৰিছিল যদিও তেওঁৰ আটাই কেইখন কাব্যতে মহাভাৰত ৰামায়ণৰ চৰিত্ৰ আৰু কাহিনীৰ অনেক ঠাইত উলেখ আছে। নাট্যাচাৰ্য্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰদেৱৰ 'ৰণ জেউতিত' ভীমপুত্ৰ ঘটোৎকচৰ জীৱনকাহিনী বৰ্ণনা কৰা হৈছে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কাৰবালা মুচলমানী কাব্য আৰু আৰবৰ ইতিহাসৰ পটভূমি হলেও তাতো ৰামায়ণৰ উপমা জিলিকি উঠিছে। কবিৰ ভাষাৰে— "দাশৰথি-পাদস্পৰ্শে



অহল্যা পাষাণী পালে যেনে মোক্ষধাম। নভিলে মুকুতি তাড়কাৰ লীলাক্ষেত্ৰ দণ্ডক-কাননে।" পশ্চিমীয়া ৰোমাণ্টিক ভাৱধাৰাৰে পৰিপুষ্ট প্ৰায় বিলাক অসমীয়া কবিয়ে কম-বেছি পৰিমাণে মহাকাব্যৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা দেখা যায়। আধুনিক যুগৰ কবিতাৰ বিষয়বস্তু আৰু ৰচনাৰ দৃষ্টিভঙ্গী সলনি হোৱা স্বত্বেও প্ৰাচ্যৰ আদৰ্শ কবিসকলে বাদ দিয়া নাছিল। এইসকল কবিৰ প্ৰতি জনৰ ৰচনাৰ পৰাও এনে অনেক দৃষ্টান্ত দিব পাৰি যদিও এই চুটি আলচত তেনে কৰাটো সম্ভৱ নহয়।



# বেজবৰুৱাৰ শিশু-সাহিত্য

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

লক্ষ্মীনাথ বেজবৰুৱাৰ নাম ললেই আধুনিক যুগৰ, অসমীয়া সাহিত্যৰ এজন অবিসম্বাদী সাহিত্যৰ কৰ্ণধাৰৰ কথা মনলৈ আহে। তেওঁক কেৱল সাহিত্যৰথী বুলিলেই যথেষ্ট কোৱা নহয়, তেওঁ আমাৰ সভ্যতা আৰু সংস্কৃতিৰ অগ্ৰদূত। তেওঁ নাটক, কবিতা, গল্প, উপন্যাস, ব্যঙ্গ ৰচনা, তত্বপূৰ্ণ ৰচনা, জীৱনী আদি বিভিন্ন দিকত ৰত্নগুণি আগ বঢ়াইছে। একেজন মানুহেই যে গুৰুতীয়া বা ব্যঙ্গ ৰচনাৰে হহুৱাব পাৰে, আধ্যাত্মিক আৰু ভক্তি-মূলক ৰচনাৰ নতুন চিন্তাৰ বাট মুকলি কৰিব পাৰে আৰু বুৰঞ্জীমূলক ৰচনাৰে দেশ-প্ৰেমত উদ্বুদ্ধ কৰিব পাৰে তাক ভাবিলে বিস্ময় মানিব লাগে। ইয়াৰ উপৰি সাহিত্যৰথী বেজবৰুৱাই আমাৰ আধুনিক সাহিত্যৰ চানুকীয়া অৱস্থাত লৰা-ছোৱালীৰ উপযোগী পুথি ৰচনা কৰি শিশু সাহিত্যত অমৰ দান দি গৈছে। তেওঁৰ বুঢ়ী আইৰ সাধু (১৯১১চন), ককা-দেউতা আৰু নাতি লৰা (১৯১২ চন) আৰু জুনুকা (১৯১৩) লৰা ছোৱালীৰ অতি উপাদেয় গ্ৰন্থ।

সাধু কথা এখন দেশৰ বিশিষ্ট সম্পদ। "ভাষা যেনেকৈ কোনো এটা জাতিৰ জাতীয় জীৱনৰ গুৰিৰ পৰা আত্ম প্ৰকাশ আৰু আত্মজীৱন চৰিত। পুৰণি সাধু-কথাবোৰো সেইদৰে জাতীয় জীৱনৰ পুৰণি কালৰে পৰা আত্মপ্ৰকাশ আৰু আত্মজীৱনচৰিত" (পাততনি বুঢ়ী আইৰ সাধু)। এই পুৰণি কলীয়া সাধুবোৰত এটা জাতিৰ "পুৰণি আচাৰ ব্যৱহাৰ ৰীতি নীতি, চিন্তা কল্পনা আদিৰ সাঁচ মচ নোখোৱাকৈ থাকি যায়।" এই সাধুকথাৰে পুৰণিকালত লৰা ছোৱালীক "সত উপদেশ আৰু নীতি শিক্ষা" দিয়া হৈছিল। ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা চালে কিছুমান সাধুকথাই নীতি শিক্ষা দিয়ে আৰু কিছুমান সাধুকথাই কল্পনা শক্তিৰ বাট জৰী টানাই দি লৰাছোৱালীৰ মনত আনন্দ দিয়ে। বেজবৰুৱাই পুৰণি সাধুকথাবোৰ উদ্ধাৰ কৰি এনে আকৰ্ষণীয়ভাৱে লিখিছে যে লৰা ছোৱালীয়ে সেইবোৰ পঢ়ি কাম কাজ পাহৰি যায়।

বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি লৰা আৰু জুনুকাত সন্নিৱেশ কৰা সাধুবোৰ আমাৰ জাতিৰ অমূল্য সম্পদ। বেজবৰুৱাৰ যাদুকৰী ভাষা আৰু সৰল কথন ভঙ্গীয়ে সাধুবোৰ আকৰ্ষণীয় কৰি তুলিছে। চিলনীৰ জীয়েকৰ সাধু, তেজীমলা, তুলা আৰু তেজা পানেশৈ। বুঢ়া বুঢ়ী আৰু শিয়াল আদি সাধুকথাবোৰ একালত বৰ সৰবৰহী আছিল; কিন্তু বেজবৰুৱাৰ কথন ভঙ্গীয়ে সেই পুৰণি সাধুবোৰ আজিও সৰস নকৰি ৰাখিছে। চিলনীৰ জীয়েক সাধুত সতোজনী সতিনীয়েকৰ হিংসা চিত্ৰিত হৈছে আৰু শেষত চিলনীৰ জীয়েকে সদাগৰৰ লগত সুখেৰে সংসাৰ কৰিছে। তুলা আৰু তেজা সাধুকথাত সতিনীৰ ইৰ্ষা প্ৰকাশ পাইছে। সৰুজনীয়ে (নাগী) ৰৰজনীক (এনাগী) ৰৰকাছলৈ ৰূপান্তৰিত কৰিও সন্তুষ্ট নহৈ এনাগীৰ কন্যা তেজাক হিংসা কৰিবলৈ ধৰিলে আৰু তাৰ পৰিণতি স্বৰূপে মাকে জীয়েক তুলাৰ মঙহৰ আঞ্জাৰে ভাত খালে। তেজীমলা আৰু চম্পাৱতী সাধুটোও কৰুণ। কুকুৰীকণা সাধুটোও সৰবৰহী। ভোৰাইক কুকুৰী কণা বুলি মজনা শহুৰৰ ঘৰত ভোৰাইৰ বিলৈ আকৰ্ষণীয় ভাৱে বৰ্ণোৱা হৈছে। একো নজনাকৈ ফৰিং 'বৰ প্ৰমাণী সৰ্বজ্ঞান' বুলি চহডহীয়া হৈ পৰা সৰ্বজ্ঞান সাধুটো পঢ়ি লৰা ছোৱালীয়ে আনন্দ পায়। শাখিনা আৰু শাখিনী সাধুটোত অসমজীয়া বুলি হাবিত এৰি থৈ অহা শাখিনা আৰু শাখিনীয়ে সন্তান ফেঁচা আৰু সাহৰিৰ সহায়ত সুখেৰে জীৱন নিৰ্ব্বাহ কৰাৰ কথা পোৱা যায়। 'ভুচুংপক' (বাঁহী, সপ্তম বছৰ, দ্বাদশ সংখ্যা) সাধুটোত নাপিতৰ কথামতে মন্ত্ৰীক ভুচুং পক্ষ আনি দিবলৈ কোৱা ৰজাই শেষত মন্ত্ৰীৰ বোৱাৰীয়েকৰ বুদ্ধিত নিজে ভুচুং পক্ষ হৈ ক'লে, "মই ভুচুং পক্ষ দেখিলোঁ। তোমালোক যোৱাগৈ।"

সাধুকথাত মানুহৰ বাহিৰেও পশু পক্ষীয়ে মানুহৰ দৰে কাৰ্য্য কৰে। সিহঁত মানুহৰ দৰে অনুভূতিসম্পন্ন বুঢ়া-বুঢ়ী আৰু শিয়াল, ভেকুলীৰ সাধু, বাঘ আৰু কেঁকোৰাৰ সাধু, টোৰাকাউৰী আৰু টিপচী চৰাই, দীঘল ঠেঙীয়া, এটা শিঙৰা মাছৰ কথা আদি জীৱ জন্তু বিষয়ক সাধুৱে লৰা ছোৱালীক আনন্দ দিয়ে। জুনুকাত সন্নিৱেশ কৰা ৰাজহাঁহ আৰু কাউৰী, বুঢ়া আৰু শিয়াল, গঙাটোপ আৰু বান্দৰ আৰু শিয়াল পদ্যত লিখা সাধু আৰু এই সাধুবোৰৰ তলত একোটা নীতি বচন আছে। যেনে:

দুৰ্জ্জনেৰে সৈতে তুমি নকৰিবা স্থিতি।<br>
কাউৰীৰ সৈতে থাকি হাঁহৰ হোৱা কেনে গতি ॥

(ৰাজহাঁহ আৰু কাউৰী)

(২) মিছা প্ৰশংসাত ফুৰে যি মূৰ্খমতি।<br>
সি পায় ঠিক জানা গঙাটোপৰ গতি ॥

(গঙাটোপ)



গদ্যত লিখা সাধুত (তেলীয়া সাৰেং আৰু কেচু, ৰবাগী মেকুৰী, খুৰী ছাগলী, সাপ আৰু খেতিয়কৰ জীয়েক আৰু হাতী আৰু সাপ) একো একোটা নীতি-বচন আছে। যেনে:-

(২) শুভকাৰ্য্য শীঘ্ৰ কৰি কৰিবা সোণাই।<br>
বিলম্বত কাৰ্য্যনাশ জানিবা সদায় ॥

(তেলীয়া সাৰেং আৰু কেচু)

(২) শঠ দুৰ্জ্জনত জানা পতিয়ন নাই।<br>
পতিয়ালে বিপদক পদে পদে পায় ॥

(ৰবাগী মেকুৰী)

গঙাটোপ সাধুটোত মাছ খোৱা জন্তুবোৰৰ সৈতে মাছে ৰণ কৰিবলৈ যি আলোচনা কৰিছে লৰা-ছোৱালীৰ পক্ষে সি বৰ আনন্দদায়ক। গেদগেদী তথা মাহীয়েক কাঞ্চনমতীৰ শলাগণি স্মৰণ কৰি সপত গঙাধৰ বোপাৰ পেটটো ফুটি থাকিল। যেনেকৈ:

শবদ শুনি সমজুৱাই ভয় খাই বৰ।<br>
সভা ভাঙি দিহাদিহি পলাল মাৰি লৰ ॥

বুঢ়ী আইৰ সাধুত থকা গঙাটোপ সাধুটোৰ শেষৰ শাৰী আছে, "গঙাটোপৰ পেটফুটাৰ শব্দটো হিলৈৰ শব্দ যেন হৈ ওলোৱাত সমজুৱাসকলে ভয় খাই দিহা-দিহি পলাই পত্ৰং দিলে।" তথাপি দুয়োটা সাধু ল'ৰা ছোৱালীৰ পক্ষে আকৰ্ষণীয়। খুৰী ছাগলী সাধুটোৰ কথনভঙ্গী মনোৰম। বুঢ়ী আইৰ সাধুৰ চম্পাৱতী সাধুটো জুনুকাত সাপ আৰু খেতিয়কৰ জীয়েক নামত অন্যৰূপে কোৱা হৈছে। জুনুকা পুথিখন যেন কম বয়সৰ লৰা-ছোৱালীৰ কাৰণে উপযোগীকৈ ৰচনা কৰা হৈছে। সেই কালত 'ডিমাই' আকাৰৰ সচিত্ৰ শিশু পুথি এখন প্ৰকাশ কৰাটো মন কৰিবলগীয়া।

সাধু কথা কোৱাটো এটা কলা। এই প্ৰসঙ্গত ফ্ৰেঙ্ক অ' ক'নৰে (Frank o' connor) মন্তব্য কৰিছে, "In its earlier phrases story telling like poetry and drama was a public art, though unimportant beside them because of its lack of a rigorous technique." অৰ্থাৎ এটা কঠোৰ কৌশল নথকাৰ কাৰণে আগতে সাধু কোৱাটো এটা জনাজাত

কথা আছিল। লক্ষ্মীনাথ বেজবৰুৱাই পুৰণি সাধুকথাবোৰ বৰ মনোৰঞ্জনকৈ ক'ব পাৰে। তেওঁ পোনপটীয়াকৈ সাধুটো আৰম্ভ কৰি লৰা-ছোৱালীৰ মন আকৰ্ষণ কৰে যেনে :

(১) এখন গাৱঁত এজনী বুঢ়ী আছিল। তাইৰ এটা নৰমৰ লৰা আছিল। লৰাটোৱে এদিন পাণনি চুৰুকি খাকোতে হঠাৎ হাইকণী এটা পাই নাকক দিলেগৈ। নাকে কণীটো ধোৱাচাঙৰ ওপৰত তুলি থলে। কণীটো ফুটি তাৰ পৰা এজনী দিব্য ছোৱালী হৈ মনে মনে ধোৱাচাঙতে লুকাই থাকিল।

(পানেশৈ)

(২) এটা মানুহে এদেশৰ পৰা আন এখন দেশত বেচিবলৈ এজাক ছাগলী লৈ গৈছিল। বাটত যাওঁতে যাওঁতে জাকৰে ছাগলী এজনী এঠাইত উজুটি খাই পৰি খোৰা হৈ পৰিলত মানুহটোৱে তাইক তাতে এৰি থৈ আনবোৰ ছাগলী লৈ গুচি গল।

(খুৰী ছাগলী)

সাধুকথাৰ সামৰণিও মনমোহা। যেনে :—"আমাৰ কাপোৰ কাণি কলা হ'ল গুচি আহিলোঁ।" নাইবা "ছালত পৰিল ফেঁচা। মোৰ সাধুকথা মিছা। তামোলে মেলিলে ডাবি। কোন কলৈ যাবি।" যেন জুহালৰ কাষত ককাদেউতা বা বুঢ়ীমাকৰ মুখে সাধু শুনাৰ পাচত কল্পনাৰ জগতখনো চকুৰ আতৰ হৈ যায়।

পুৰণি সাধুকথাবোৰ নতুন ৰূপত দাঙি ধৰি বেজবৰুৱাই অসমৰ লৰা ছোৱালীক এক মহান ঐতিহ্যৰ অধিকাৰী কৰিলে। যিদৰে ডেনমাৰ্কত এণ্ডাৰচনে, ইটালিত বেচিলে, জাৰ্ম্মানিত গ্ৰিম ভাতৃদ্বয়ে ফ্ৰান্সত পেৰোলে, ইংলণ্ডত কাইটলি আৰু ক্ৰোকাৰে পুৰণি সাধুকথাৰ সঙ্কলন কৰিলে সেইদৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই এই সাধুকথাবোৰ উদ্ধাৰ কৰি তাক লৰা-ছোৱালীৰ উপযোগীকৈ ৰচনা কৰিলে। তেওঁৰ সৰল ভাষা, জতুৱা ঠাঁচ আৰু যোজনা-পটন্তৰৰ ব্যৱহাৰৰ কাৰণে এই সাধুকথাবোৰ আজিও সৰস-নৈ হৈ আছে।



# নাট সমালোচকৰ দায়িত্ব

শ্ৰীফণী তালুকদাৰ

স্মৃতি আৰু কল্পনা লৈ মানুহে আজীৱনপৰত মনক সজাগ কৰে, সজীৱ কৰে। কল্পনাৰ সমল যোগায় শুনি, দেখি, ঠেকি—লাভ কৰা অভিজ্ঞতাৰ স্মৃতিয়ে আৰু তাৰ পৰা ওপজা আশা, হতাশা, উছাহ নিৰুৎসাহ, গৌৰৱণি, পাহৰণিয়ে। এই সকলোবোৰৰ ক্ৰিয়াস্থল হ'ল মন। মনৰ ৰুচি-অভিৰুচি প্ৰকাশ, অপ্ৰকাশ, অস্থিৰতা অভিব্যক্তি দ্বন্দ্ব নিয়ন্ত্ৰণ আদিয়ে বভিন্ন স্তৰৰ মানৱৰ ক্ষেত্ৰত বিভিন্নধৰণে আত্মপ্ৰকাশ বা আত্মগোপন কৰে। লোকচৰিত্ৰৰ বিভিন্নতা এনে ধৰণে প্ৰভাৱান্বিত কৰে। আনহাতে এই মাধ্যমবোৰ লোকচৰিত্ৰৰ তেনে সকৰ বিভিন্নতা আনকি ইটোৰ পৰা সিটোৰ অতি সূক্ষ্ম বিচিত্ৰতা আৰু সেই বিভিন্নতা বা বিচিত্ৰতা সৃষ্টি কৰা বাহ্যিক আৰু মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়াৰ আভাসো দৰ্শকৰ সমুখত ডাঙি ধৰে। পৰোক্ষভাৱে আকৌ এই চৰিত্ৰ বিশ্লেষণে আত্মনিৰীক্ষণৰ সুবিধা দি পাঠক, দৰ্শক, ৰসগ্ৰাহকক আকৃষ্ট কৰে; তেওঁলোকৰ অনুভূতিৰ তাঁৰত কোমল কঠোৰ, মৃদু-মধুৰ জোকাৰণি দিয়ে। এই মাধ্যমবোৰৰ ভিতৰত এটি শক্তি শালী কলামাধ্যম হল—নাটক। দৃষ্টি আৰু শ্ৰৱণ সহযোগত সহানুভূতিশীল দৰ্শকক এই মাধ্যমে আন কলা মাধ্যমৰ তুলনাত কিমান আকৰ্ষণ কৰিব পাৰে বা নোৱাৰে, সেই প্ৰশ্ন আমি তুলিব খোজা নাই। কিন্তু খোৰতে ইয়াকে কব পাৰি যে ইমান বেছি জনমানসক নাটকে আকৃষ্ট কৰাৰ কাৰণ হ'ল এয়ে যে নাটকত বিবিধ গুণ আৰু বিবিধ ৰসৰ অৱতাৰণা সম্ভৱ, যিয়ে বিভিন্ন ৰুচিৰ দৰ্শকক সন্তুষ্টি দিব পাৰে।

এই যে বিভিন্ন ৰুচিৰ মনোৰঞ্জন —ইয়াৰ মাজতে নাটকৰ মূল কথাটো লুকাই আছে। নাটক দৰ্শকৰ বাবে। দৰ্শকৰ মনত মায়াৰ জগৎ গঢ়ি তোলা, চৰিত্ৰৰ মাজত দৰ্শকক হেৰাই যোৱাৰ পৰিৱেশ সৃষ্টি কৰাই হ'ল নাটকৰ উদ্দেশ্য। এই উদ্দেশ্য কিমানদূৰ সফল হৈছে সেয়া নিৰ্ণয় কৰিবলৈ হলে দৰ্শকৰ মতামতৰ ওপৰত

গুৰুত্ব দিবই লাগিব। তদুপৰি একোখন নাটক, বিশেষকৈ নতুন পৰীক্ষা-নিৰীক্ষাৰ নাটকৰ মূল কথনীয় বিষয়টো দৰ্শকৰ চকুত প্ৰতিভাত কৰি তুলিবলৈ আৱশ্যক হয় এচাম সূক্ষ্মদৰ্শী লোকৰ মন্তব্য। এইচাম সূক্ষ্মদৰ্শী লোকেই হল নাট্যসমালোচক। এওঁলোকে এখন নাটক অনুধাৱন কৰা মানসিক প্ৰস্তুতি গঢ়ি দিব পাৰে। এইচাম লোকে দৰ্শকৰ ৰুচিৰ ওপৰত প্ৰভাৱ পেলাই, ৰুচিবোধক বিশেষ গঢ় দিবও পাৰে। আনহাতে অপৈণত বা বদ্ধমূলধাৰণাৰ বশৱৰ্তী সমালোচনাৰ কাৰণে নাটক, নাট্যকাৰ আৰু দৰ্শক আটায়ে বিভ্ৰান্ত পৰিব পাৰে, হতাশ হব পাৰে, নিম্নখাপৰ ৰুচিৰ পোষকী হবও পাৰে। গতিকে নাট্যসমালোচকৰ দায়িত্ব অতি গধুৰ।

এতিয়া আন এটি প্ৰশ্ন হ'ল যে অব্যৱসায়ী বা চৌখীন নাটমেলা দলৰ অভিনয় সমালোচনা কৰা উচিত নে? যদি কৰা হয়, সমালোচকে ব্যৱসায়ী নাটদলৰ নিবেদনৰ দৰে একে মাপকাঠিৰে সমালোচনা কৰা উচিত নে? নে অকল উচাহ-উদগনিহে দিব লাগে?

সমালোচনা লাগিবই, নহলে চৌখিন নাট্যদলৰ নিবেদন উন্নত স্তৰ নেপাবগৈ অথচ সমালোচকে চৌখিন নাট্যদলৰ সীমিত ব্যয়ক্ষমতা বা সা-সুবিধাৰ পট ভূমিতহে মন্তব্য দিব লাগিব। চৌখিন হল বুলিয়েই, যেয়ে যিহকে পায় তাকে কৰি যোৱাত উদগনি দিলে—আমাৰ জাতীয় নাট্য আন্দোলনক পিচলৈ চোচৰোৱা যেনহে হ'ব।

অসমত স্বাধীনোত্তৰ কালত নাটকৰচনা বা মঞ্চস্থ কৰা বিষয়ত এটা স্থবিৰতা আহিছিল। আনকি, কেইখনমান নাটককে ১০।২০ বছৰে উৰাই ঘূৰাই মঞ্চস্থ কৰাতে প্ৰায়বোৰ মঞ্চ বা শিল্পী ব্যস্ত আছিল। দুই এক ব্যতিক্ৰমৰ বাহিৰে অসমৰ মঞ্চ মৃতপ্ৰায় হৈছিল। সেই সময়ত ১৯৪৮ চনত অনাতাঁৰ কেন্দ্ৰ স্থাপিত হোৱাত, এচাম লিখকে মাত্ৰ অনাতাঁৰৰ উপযোগী শ্ৰব্যনাটিকাৰে অসমৰ পাচ শ বছৰীয়া নাট্য আন্দোলনৰ শুকাই যাব ধৰা সুঁতিটিত সোঁত বোৱাইছিল। তাৰ পিছত যুৱ মহোৎসৱৰ চাহিদাত আৰু তেনে উছৱতে হঠাতে এখন নাটকে ভাৰতত উচ্চস্থান পোৱাৰ পিচতহে সদৌ অসম ভেটিত একাঙ্ক নাট সন্মিলনে গঢ় ললে আৰু আজি আঠ নবছৰে এই সন্মিলনৰ প্ৰতিযোগিতাই এচাম নতুন নাট্যকাৰ গঢ়িলে। আনহাতে পুনৰ দীঘলীয়া নাট মঞ্চস্থ কৰাৰ উছাহ যোগালে সদৌ অসম ভেটিত আজি তিনি চাৰিবছৰে পতা চৰকাৰী আৰু বেচৰকাৰী প্ৰতিযোগিতা দুখনে আৰু দিল্লীলৈ পঠিওৱা অসমীয়া নাটৰ কৃতিত্বৰ উৎসাহে।

অসমত ব্যৱসায়ী মঞ্চ নাই, নিয়মিত মঞ্চাভিনয় নহয়। আজি পাচবছৰ মানৰ পৰা গঢ়লোৱা ভ্ৰাম্যমান থিয়েটাৰ দল তিনিটাইহে ব্যৱসায়ী ভিত্তিত নাট পৰিবেশন কৰিবলৈ লৈছে। বঙ্গদেশৰ আহিত গঢ় লোৱা যাত্ৰা দলবোৰৰ কথাও এই ক্ষেত্ৰত উল্লেখযোগ্য। থিয়েটাৰৰ ক্ষেত্ৰত ব্যৱসায়ী ভ্ৰাম্যমান থিয়েটাৰ আৰু প্ৰথমবাৰলৈ মহিলা অভিনেত্ৰী মঞ্চত নমোৱা বিষয়ত অগ্ৰণী স্বৰ্গীয় ব্ৰজনাথ শৰ্মাৰ নাম এই খিনিতে মনত পৰে।

এই ব্যতিক্ৰমৰ বাহিৰে অসমত যি নাট বৰ্ত্তমানে গাৱে-ভূঞে চহৰে-নগৰে মঞ্চস্থ হয় সেয়া সকলো চৌখীন দলৰ, অবসৰ বিনোদনৰ আহিলা হে। অথচ এই অব্যৱসায়ী দলবোৰেও নাটকত অভিনয় কৰা অভিনেত্ৰীক বানচ দিয়ে, পোহৰ সম্পাত, সঙ্গীত সমলৰ আৰু দৃশ্যযোজনাৰ বাবে বহু টকা খৰচ কৰে। টিকট কাটি বা আমোদকৰ ফাকি দিয়া নিমন্ত্ৰনী পত্ৰ বিক্ৰীকৰি তেওঁলোকে এই খৰচ উলিওৱাৰ চেষ্টা কৰে। বেছিভাগ ক্ষেত্ৰত খৰচ নুঠে। সেয়ে, দুই এজন উৎসাহী আগবন্ত লেখক বা অভিনেতাইহে সাধাৰণতে নাটক নিবেদন কৰিব পাৰে। এই পটভূমি সমালোচকে উপলব্ধি কৰি বেছিভাগ ক্ষেত্ৰতে সকলোবোৰ ভাল বুলি মন্তব্য দিয়ে। ফলত সুস্থ সমালোচনাৰ অভাৱত নতুন লিখক বা শিল্পী চামে উন্নতি কৰাৰ দিহাও নেপায় আৰু আত্মতুষ্টিৰে পৰস্পৰক বাহ, বাহ দি ক্ষান্ত হয়। দুই একে বিৰূপ মন্তব্য দিলে কষ্ট হয়। এয়া উৎসাহজনক পৰিস্থিতি নহয়।

এইখিনিতে প্ৰশ্ন উঠে সমালোচকৰ কি গুণ থকা উচিত আৰু তেওঁলোকে কেনেদৰে দায়িত্ব পালন কৰিব লাগে।



সমালোচকে যি বিষয়ে মন্তব্য কৰে, সেই বিষয়ে তেওঁৰ জ্ঞান আৰু অভিজ্ঞতা প্ৰচুৰ থকা উচিত। তেতিয়াহে তেওঁ যোগ্য সমালোচক হব পাৰে। অনুপযুক্ত বা অত্যানুৰাগী সমালোচকৰ প্ৰশস্তিবচন প্ৰকৃত সমালোচনা নহয়। আৰু তেনে স্তুতি গানে শিল্পীক আত্মবিশ্লেষণ কৰাত বাধা দি এটা নিৰ্দিষ্ট মানত স্থবিৰ কৰি দিব পাৰে। আনহাতে অজ্ঞতা বা পক্ষপাতদুষ্ট সমালোচকৰ বিদ্বেষমূলক নিন্দাবাদে শিল্পকলাত আঘাত কৰে আৰু শিল্পীৰ সম্ভাৱ্য প্ৰতিভাৰ গতিত ভেটা দিব পাৰে। গতিকে পক্ষপাতিত্ব নথকা আৰু বিষয়বস্তু সম্পৰ্কে অধ্যয়ন আৰু অভিজ্ঞতা পুষ্ট মনৰ সমালোচকৰহে বিশেষ প্ৰয়োজন।

কিন্তু সেই বুলি সমালোচকে সৃষ্টিৰ মাজত অকল দোষহে খুচৰি নিজৰ নৈপুণ্যৰ পৰিচয় দিয়াৰ চেষ্টা কৰাটো উচিত নহয়। বৰং তেওঁ হব লাগিব, সহানুভূতিশীল আৰু তেওঁৰ সমালোচনা হব লাগে গঠনমূলক। সমালোচক যেনিবা ভাষ্যকাৰ, টীকাকাৰ। সংস্কৃত পুথিবোৰৰ টীকাৰে যেনেকৈ কথনীয় বিষয়টো সহজ কৰি দিয়ে তেনেদৰে সমালোচকেও সহানুভূতিশীল হৃদয়েৰে নাট্যকাৰৰ বক্তব্য আৰু শিল্প চৰিত্ৰ ফহিয়াই দেখুৱাব লাগে। সেয়ে দৰ্শকৰ ৰুচিবোধ গঢ়ি তোলাত সহায় কৰিব। সকলো স্তৰৰ দৰ্শকৰ ৰুচিবোধ এক নহয়; হব নোৱাৰে। দৰ্শকৰ শিক্ষাদীক্ষা, পৰিবেশ, অভিজ্ঞতাৰ হীন-ডেঢ়িৰ কথাও সমালোচকে ভবা উচিত। একোখন নাটক এসময়ত এচাম দৰ্শকৰ বাবে আকৰ্ষণীয় নহবও পাৰে, কিন্তু সেয়েই আকৌ অধিক অভিজ্ঞতা আৰু অধ্যয়নপুষ্ট ভবিষ্যতৰ দৰ্শকৰ বাবে অতি আদৰণীয় হব পাৰে। এই শতিকাৰে তৃতীয় দশকত যেতিয়া মেলোড্ৰামা বা অতি নাটকীয়তাই বঙ্গদেশৰ দৰ্শক সমাজক সাধাৰণতে আকৰ্ষিত কৰিছিল, সেই সময়তে ৰবীন্দ্ৰনাথ ঠাকুৰে লিখিছিল ৰক্ত কৰবী বা মুক্ত ধাৰাৰ দৰে নাট। আনহাতে ৰক্ত কৰবী নাটক শম্ভু মিত্ৰই যি ধৰণে সমাজসচেতনতাৰে ডাঙি ধৰিলে, অভিনেতা অভিনেত্ৰীৰ সাজপাৰ আদি নিবেদনশৈলীৰ চাতুৰ্য্যৰে নিবেদন কৰিলে—সেয়ে নাটকখনক আজি কুৰি শতিকাৰ সপ্তম দশকতো বাস্তৱৰ লগত খাপ খুৱাই পেলালে। আজিৰ দৰ্শকে আৰু ৰক্তকৰবী চাই আমনি নেপায়। গতিকে উপযোগী নাট্য প্ৰযোজকে বা পৰিচালকৰ সূক্ষ্ম সমাজবোধেও সমালোচনা প্ৰৱণতাৰে পৰিচয় দিয়ে। তেনেদৰে অকল সমালোচনা কৰা সকলেও নাট্যকাৰৰ সৃষ্টিৰ আঁৰত থকা বক্তব্যখিনিৰ প্ৰতি আঙুলিয়াই দিবলৈ চেষ্টা কৰা উচিত। সেই বক্তব্য প্ৰকাশত কি খুঁত আছে, আৰু সেই খুঁত আঁতৰাই কেনেদৰে সেই সৃষ্টি ৰসোত্তীৰ্ণ কৰিব পাৰি, সেইকথা তেওঁলোকে সহানুভূতিৰে প্ৰকাশ কৰা উচিত।

এই দায়িত্ব যথাযথভাৱে পালনৰ কাৰণে আৱশ্যক সমালোচকৰ পৰ্যবেক্ষণ শক্তি আৰু ৰুচি বোধ গঢ়ি তোলাৰ বাবে আৱশ্যকীয় সমাজসচেতনতা।

আমাৰ শিল্পী আৰু নাট্যকাৰসকলৰ সমালোচনা ভীতি এটা আছে। তেওঁলোকে সমালোচকৰ বিৰূপ মন্তব্য সহজে গ্ৰহণ কৰিবলৈ ইচ্ছুক নোহোৱা যেন লাগে। আনহাতে অকল প্ৰশংসাবচনহে তেওঁলোকে শুনি ভাল পায়। কিন্তু এই প্ৰশংসকসকলে আকৌ কব নোৱাৰাকৈ কেতিয়াবা শিল্পী নাট্যকাৰক অন্যায়হে কৰে। 'ফেন্' বা অন্ধ-অনুৰাগীৰ উক্তিয়ে শিল্পী বা সাহিত্যিকক আনন্দ দিব পাৰে ঠিকেই, কিন্তু লগতে কেতিয়াবা অহমিকা আৰু স্থবিৰতাও দিয়ে। আনহাতে প্ৰকৃত সমালোচকৰ গঠনমূলক আৰু সজ উদ্দেশ্য প্ৰণোদিত সমালোচনাই শিল্পী সাহিত্যিকৰ সৃষ্টি প্ৰতিভাক উন্নত স্তৰলৈ নিয়ে।

অসমৰ মঞ্চনাটক নিবেদনৰ অগ্ৰগতি লক্ষনীয়। এই গঢ়ি উঠা আন্দোলনক উপযুক্তবাটেৰে নিয়াত সহায় কৰিবৰ বাবেই আৱশ্যক হৈছে এচাম নিৰ্ভীক অথচ গঠনমূলক দৃষ্টিভঙ্গীৰ, সূক্ষ্ম পৰ্যবেক্ষ শক্তি থকা অভিজ্ঞতা আৰু অধ্যয়নপুষ্ট সহানভূতিশীল সমালোচকৰ।

# অসমীয়া নাট্য সাহিত্যত অতুল হাজৰিকা

শ্ৰীশৈলেন ভৰালী

আধুনিক অসমীয়া নাটৰ প্ৰচলন বৰ পুৰণি বুলি কব নোৱাৰি। ১৮৫৭ চনতেই গুণাভিৰাম বৰুৱাই আধুনিক অসমীয়া নাটৰ ভেটি স্থাপন কৰিলেও তাৰ বহুদিনৰ পিছলৈকে অসমীয়া মঞ্চ বঙলা নাটেৰে উপচি আছিল। বঙলা নাটৰ প্ৰভাৱৰ পৰা অসমীয়া মঞ্চ উদ্ধাৰ কৰিবলৈ যি কেইজনা নাট্যকাৰে অক্লান্ত পৰিশ্ৰম কৰিছিল, সেই সকলৰ ভিতৰত অতুল হাজৰিকাৰ নামেই পোন প্ৰথমে লব লাগিব। আটাইতকৈ সৰহ সংখ্যক নাটৰ যোগান ধৰি অভাৱগ্ৰস্ত অসমীয়া সাহিত্যৰ এটি দিশৰ অভাৱ পূৰণ কৰাত হাজৰিকা নিসন্দেহে অগ্ৰগণী। সেয়েহে হাজৰিকাৰ নাটবোৰৰ মূল্যাঙ্কন কৰাৰ সময়ত নাট ৰচিত সময় চোৱাটো সমূলি আওকাণ কৰিব নোৱাৰি বুলি বহুতে ভাবে। সেই ফালৰ পৰা বাইৰণ সম্বন্ধে সমালোচক আৰ্ণডে যিখাৰ কথা কৈছিল সেই একেষাৰ কথাকেই কব পৰা যায় হাজৰিকাৰ ক্ষেত্ৰত। আৰ্নল্ডৰ মতে প্ৰকৃত শিল্পী হোৱাৰ যোগ্যতা বাইৰণৰ আছিল; কিন্তু সময়ৰ অভাৱত তেওঁৰ সেই যোগ্যতা পৰিস্ফুত হৈ নুঠিল। আৰ্নল্ডৰ মতে অতি কম সময়ৰ ভিতৰতেই বহুতো কথাই লিখিব লগীয়া হোৱাত বাইৰণে টেকনিক অৱহেলা কৰিবলৈ বাধ্য হৈছিল। সঁচা, হাজৰিকাৰ নাটবোৰ পঢ়িলেই এটা উদ্দেশ্য আগত লৈ হাজৰিকাই নাট লিখাত প্ৰবৃত্ত হৈছিল যেন লাগে—অসমীয়া মঞ্চত অসমীয়া নাটৰ প্ৰচলন হওক। নাটৰ সৰু সুৰা খুটি-নাটি বোৰলৈ লক্ষ্য কৰিবলৈ যেন তেওঁৰ অৱসৰ নাছিল। কিন্তু নাট এখনৰ সাহিত্যিক মূল্য নিৰূপণ কৰাৰ সময়ত নাট ৰচিত সময় চোৱাটো লক্ষ্য কৰি নাট্যকাৰৰ দোষবোৰ ঢাকি ৰাখিব নোৱাৰি। বৰঞ্চ নিৰপেক্ষ দৃষ্টিৰে ইয়াৰ স্থায়ী মূল্য বিচাৰ কৰিবলৈ হলে নাট ৰচিত সময় চোৱাটো আওকাণ কৰাহে যুগুত।

হাজৰিকাৰ প্ৰধান নাটবোৰ হল—নৰকাসুৰ, বেউলা, নন্দ দুলাল, চম্পাৱতী, কুৰুক্ষেত্ৰ, ৰুক্মিণী হৰণ, নিৰ্জ্জাতিতা, ছত্ৰপতি শিৱাজী, কনৌজ কুৱঁৰী, টিকেন্দ্ৰজিত। ইয়াৰ ভিতৰত প্ৰথম আঠখন পৌৰাণিক আৰু পিছৰ তিনিখন বুৰঞ্জী মূলক নাট। এইবোৰৰ উপৰিও সৰুসুৰা আৰু কেবাখনো নাট হাজৰিকাই ৰচনা কৰিছে। তাৰউপৰি 'বণিজ কোঁৱৰ' আৰু 'অশ্ৰুতীৰ্থ' নামদি প্ৰখ্যাত ইংৰাজ নাট্যকাৰ শ্বেক্সপীয়েৰৰ দুখন নাটো তেওঁ অসমীয়ালৈ ভাঙনি কৰিছে। দ্বিতীয়খন শ্বেক্সপীয়েৰৰ শ্ৰেষ্ঠ নাট 'কিং লিয়েৰ'ৰ অনুবাদ।

পৌৰাণিক আৰু বুৰঞ্জীমূলক নাটৰ মাজত যথেষ্ট সাদৃশ্য আছে আৰু দুয়োটাতে নাট্যকাৰে বিশেষ সমস্যাৰ সন্মুখীন হব লগীয়া হয়। প্ৰথম বিধৰ বিষয় বস্তু লোৱা হয় যাইকৈ পুৰাণ, মহাকাব্য আদিৰ পৰা, দ্বিতীয় বিধৰ বিষয় বস্তু লোৱা হয় নীৰস বুৰঞ্জীৰ ঘটনাৰ পৰা। উভয়তে নাট্যকাৰৰ স্বাধীনতা বহু পৰিমাণে সীমিত; অৱশ্যে পুৰাণ নাইবা বুৰঞ্জীৰ কাহিনী মুখ্য স্বৰূপে নলৈ পটভূমি স্বৰূপেও লব পৰা যায় আৰু আৱশ্যক অনুসাৰে কাহিনীৰ সামান্য ইফাল সিফাল কৰাৰ স্বাধীনতাও নাট্যকাৰৰ আছে। সেয়ে হলেও যুগে যুগে বাগৰি অহা পুৰাণৰ ঘটনা নাইবা ঐতিহাসিক সত্যক নাট্যকাৰে আওকাণ কৰিব নোৱাৰে। আনহাতে পুৰাণ আৰু বুৰঞ্জীৰ ঘটনাক প্ৰাণ দি



সজীৱ কৰি তুলিব নোৱাৰিলে নাট লিখাৰ উদ্দেশ্যই ব্যৰ্থ হৈ যায়। তাৰবাবে আকৌ কল্পনাৰ প্ৰয়োজন। গতিকে পৌৰাণিক আৰু বুৰঞ্জীমূলক নাটৰ সাৰ্থকতা নিৰ্ভৰ কৰে মূল ঘটনা বা সত্যৰ অপলাপ নকৰাকৈ প্ৰাণহীন বস্তুত প্ৰাণ সঞ্চাৰ কৰিব পৰাটোত। হাজৰিকাৰ পৌৰাণিক নাটবোৰৰ ভিতৰত 'নৰকাসুৰ'কেই শ্ৰেষ্ঠ বুলি কব পৰা যায়। নাটখনৰ কাহিনী লোৱা হৈছে যাইকৈ কালিকা পুৰাণৰ পৰা। মূল ঘটনাৰ নাট্যকাৰে কোনো পৰিবৰ্ত্তন কৰা নাই। গতিকে কাহিনী স্থষ্টিত নাট্যকাৰৰ কোনো বিশেষ মৌলিকতা লক্ষ্য কৰা নাযায়। নাটকীয় কৌশলৰ যোগেৰে মূল কাহিনীৰ সামান্য পৰিবৰ্ত্তন ঘটাই নাটখনি উন্নত কৰাৰ যথেষ্ট স্থল আছিল। নাট্যকাৰে সেই সুবিধা গ্ৰহণ নকৰিলে। নাটকৰ নায়ক হল নৰকাসুৰ। দাম্ভিক বীৰৰূপে নৰকাসুৰক ফুটাই তোলাত নাট্যকাৰ নিশ্চয় সফল হৈছে। মানুহৰ জীৱনলৈ ট্ৰেজেদি আহে নিজৰ দোষৰ বাবেই। মাতৃ অপমানৰ প্ৰতিশোধ লবলৈ সৌ অহঙ্কাৰত মতলীয়া নৰকাসুৰে যেতিয়া ভগৱতীকো ওচৰ চাপিবলৈ কুণ্ঠা বোধ নকৰিলে তেতিয়াই তেওঁ নিজৰ জীৱনলৈ ট্ৰেজেদি মাতি আনিলে। এই ফালৰ পৰা তেওঁক ট্ৰেজিক নায়কৰ শাৰীত ধৰা হৈছে। কিন্তু প্ৰকৃত ট্ৰেজিক নায়ক হবলৈ হলে কোনো মহৎ গুণ থকা আৱশ্যক আৰু সেই চৰিত্ৰত বহিৰ্দ্বন্দ্বতকৈ অন্তৰ্দ্বন্দ্বৰ প্ৰয়োজন বেছি। শ্বেক্সপীয়েৰৰ প্ৰখ্যাত ট্ৰেজিক চৰিত্ৰবোৰৰ পৰাই এই কথা ভালদৰে উপলব্ধি কৰিব পাৰি। ভীষণ অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হোৱা এই চৰিত্ৰবোৰ পৃথিৱীৰ নাট্য সাহিত্যৰ বুৰঞ্জীত অমৰ হৈ ৰৈছে। নৰকাসুৰৰ চৰিত্ৰত এই দুয়োটাৰে অভাৱ। হাজৰিকাৰ প্ৰায়বোৰ নাটতে বহুতো অনাৱশ্যকী চৰিত্ৰৰ প্ৰয়োগ দেখা যায়। এই দোষে 'নৰকাসুৰ' নাটক ভালদৰেই চুইছে। ইন্দুমতী, বিশ্বকৰ্ম্মা, সাত্যকি, বলৰাম আদিৰ চৰিত্ৰই নাটকৰ ঘটনা বিকাশত বিশেষ সহায় কৰা নাই। বহুতো ক্ষেত্ৰত মূল ঘটনাৰ লগত এই চৰিত্ৰবোৰৰ সংহতি নাইকীয়া হৈ পৰিছে। এই উদ্দেশ্য বিহীন চৰিত্ৰবোৰে নাটকীয় মৰ্য্যাদা বহু পৰিমাণে হ্ৰাস কৰিছে বুলিহে কব পাৰি। পৌৰাণিক কাহিনীটোত প্ৰাণ সঞ্চাৰ কৰিবলৈ আৰু দৰ্শক বা পাঠকক 'ৰিলিফ' দিয়াৰ উদ্দেশ্যেৰে মায়া আৰু নৰকাসুৰৰ প্ৰণয় কাহিনী সংযোগ কৰা হৈছে। উপকল্পা কৈ চালে এই উদ্দেশ্য সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলিব নোৱাৰি। কিন্তু মায়াই মাজনিশা নৰকাসুৰৰ শোৱনি কোঠাত উপস্থিত হৈ প্ৰণয় প্ৰাৰ্থী হোৱাটো কিমানলৈ বিশ্বাস যোগ্য হৈছে ভাবিব লগীয়া কথা। অন্ততঃ আমাৰ সমাজত এই কথাটো খাপ নোখোৱা বিধৰ হৈছে।

উপযুক্ত সংলাপৰ ব্যৱহাৰে নাটকক বহু পৰিমাণে উচ্চ স্তৰলৈ লৈ যায়। পৌৰাণিক কাহিনীৰ এটি স্বকীয়া গাম্ভীৰ্য্য আছে। গতিকে সংলাপ পদ্যত দিলে সেই গাম্ভীৰ্য্য অটুত ৰখাত সহায় কৰে। বোধকৰো সেই কথা উপলব্ধি কৰিয়েই হাজৰিকাই আটাইবোৰ পৌৰাণিক নাটৰ সংলাপত পদ্য আৰু আটাইবোৰ বুৰঞ্জী মূলক নাটৰ সংলাপত গদ্য ব্যৱহাৰ কৰিছে। পৌৰাণিক নাটবোৰৰ সংলাপ অমিত্ৰাক্ষৰ চন্দত দিয়া হৈছে। আনবোৰ পৌৰাণিক নাটৰ তুলনাত 'নৰকাসুৰ'ৰ সংলাপ মধুৰ হোৱা যেন লাগে। নৰকাসুৰৰ মুখত দিয়া সংলাপ বীৰত্ব সূচক হৈছে। অৱশ্যে ঠায়ে ঠায়ে ভাৱপ্ৰৱণ উক্তিয়ে কৃত্ৰিমতাৰ ফালে টানি নিছে। 'বেউলা' নাটকৰ কাহিনী লোৱা হৈছে পদ্মপুৰাণৰ পৰা। এইখন নাটকতো মূলৰ পৰা নাট্যকাৰ বিশেষ আঁতৰি যোৱা নাই। গতিকে নিজস্ব সৃষ্টি হিচাবে নাট্যকাৰে কোনো কৃতিত্ব দাবী কৰিব নোৱাৰে। বেউলা লখীন্দাৰৰ কাহিনীয়ে নাটকৰ মূল কথা যদিও, কাহিনীটো গঢ়ি উঠিছে চন্দ্ৰধৰ আৰু পদ্মাৰ যোগেদিহে। সেই ফালৰ পৰা চন্দ্ৰধৰ আৰু পদ্মাৰ চৰিত্ৰৰ প্ৰতি নাট্যকাৰৰ বিশেষ সতৰ্কতাৰ আৱশ্যক। কিন্তু চন্দ্ৰধৰৰ চৰিত্ৰ অঙ্কনত নাট্যকাৰ বিফল হৈছে। এই চৰিত্ৰটোত অন্তৰ্দ্বন্দ্ব সৃষ্টি কৰাৰ যথেষ্ট আৱশ্যক আছিল। তাকে কৰিব নোৱাৰাত নাটকীয় মৰ্য্যাদা ক্ষুণ্ণ হৈছে। সংলাপলৈ লক্ষ্য কৰিলে দেখা যায় বহুঠাইত সংলাপ খৰখেদা হৈ পৰিছে। ইয়াৰ ফলত ঠায়ে ঠায়ে ঘটনা স্বাভাৱিক গতিত আগবঢ়া নাই যেন লাগে। আন কেইখন নাটকতো ঘটনা


নাইবা চৰিত্ৰ সৃষ্টিত হাজৰিকাই কোনো মৌলিক প্ৰতিভা দেখুৱাব পৰা নাই। দুই এখন নাটত নিজা সৃষ্টি উদ্ভাবনা কৰিবৰ চেষ্টা কৰিছে যদিও তাক স্বাভাৱিক ৰূপ দিব নোৱাৰা হেতুকে নাটকীয় সৌন্দৰ্যত বাধা পৰিছে। নন্দদুলাল, চম্পাৱতী আদিত অপৈণত ৰচনাৰ চাব ভালকৈয়ে বিদ্যমান। চৰিত্ৰসমূহৰ ভিতৰত ৰামচন্দ্ৰ নাটকৰ ৰাৱণৰ চৰিত্ৰটি আৰু ৰুক্মিণী হৰণ নাটৰ বিদূষকৰ চৰিত্ৰটি কিছু আকৰ্ষণীয় হৈছে। পিছৰ চৰিত্ৰটি শ্বেক্সপীয়েৰৰ নাটৰ 'মুৰ্খ'ৰ ছাঁ লৈ অঙ্কিত কৰা যেন লাগে। মুঠতে পুৰাণ মহাভাৰতৰ কাহিনীৰ বিশেষ পৰিবৰ্ত্তন নকৰাকৈ হাজৰিকাই নাটকীয় ৰূপ দিছে। অভিনয়ৰ উপযোগী হোৱাটো নাটকৰ এটি বিশেষ গুণ। সাহিত্যিক সৌন্দৰ্যতকৈ এই গুণটিহে নাটকৰ ক্ষেত্ৰত অধিক আৱশ্যকীয় বুলিব লাগে। হাজৰিকাৰ আটাইবোৰ নাটেই মঞ্চৰ উপযোগী যদিও প্ৰতিখন নাটতে প্ৰচুৰ চৰিত্ৰৰ অৱতাৰণা কৰা হেতুকে অভিনয়ৰ পথত ভালেমান বাধাৰ সমুখীন হব লগীয়া হয়। হাডচনে কৈছে, নাটকে যাইকৈ নাটকীয় কাৰ্যৰ ওপৰতহে গুৰুত্ব দিয়ে। কিন্তু হাজৰিকাৰ বেছিভাগ নাটতে কাৰ্যতকৈ সংলাপৰ প্ৰাধান্যহে বেছি।

বুৰঞ্জীমূলক নাটসমূহৰ ভিতৰত 'ছত্ৰপতি শিৱাজী'কেই কিছুপৰিমাণে সাৰ্থক সৃষ্টি বুলি কব পাৰি। শিৱাজীৰ বীৰত্ব কৌশল আৰু উদাৰতাত মাৰাঠা জাতিৰ প্ৰতিষ্ঠা নাটখনিত চিত্ৰিত কৰা হৈছে। প্ৰবল প্ৰতাপী বিজাপুৰৰ সেনাপতি আৰু মোগল সম্ৰাট ঔৰঙ্গজেবৰ প্ৰখ্যাত সেনা-পতি চায়েস্তাখা, জয়সিংহাদিৰ শক্তি ব্যৰ্থ কৰি শিৱাজীয়ে কি দৰে মাৰাঠা জাতিৰ নতুন ইতিহাস সৃষ্টি কৰিলে, সেই ঐতিহাসিক ঘটনাটোকে নাটখনিত দেখুওৱা হৈছে। মূল কাহিনীৰ লগতে প্ৰণয়ৰ উপকাহিনী এটিও সংযোগ কৰা হৈছে। এই উপকাহিনী নাট্যকাৰৰ সম্পূৰ্ণ নিজস্ব সৃষ্টি। উপকাহিনীটোৱে নাট্যকাৰৰ উদ্দেশ্য সাধন কৰিছে বুলি কব লাগিব। চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰাও এইখন নাটকে অধিক সফলতা লাভ কৰিছে। শিৱাজী, জয়সিংহ আদিৰ চৰিত্ৰত বীৰত্ব আৰু সাহসৰ ছবি ফুটি উঠিছে। অনুশোচনাত দগ্ধ ঔৰঙ্গজেবৰ মানসিক অৱস্থা ভালকৈয়ে প্ৰকাশ পাইছে।

বুৰঞ্জী মূলক নাটকৰ সাৰ্থকতা বহু পৰিমাণে নিৰ্ভৰ কৰে স্থানীয় পৰিবেশ সৃষ্টিৰ ওপৰত। যি সময়ৰ কাহিনী লোৱা হয় সেই সময়ৰ ভাব ভাষা, আচাৰ-ব্যৱহাৰ, সাজ-পোছাক আদিৰ ছবি ফুটাই-তুলিব নোৱাৰিলে নাটকৰ কাল বিৰোধ দোষ ঘটে। এই দোষৰ পৰা নাটকক মুক্ত কৰিবলৈ নাট্যকাৰে সততে ঘটনাৰ সময় চোৱালৈ লক্ষ্য ৰাখিব লাগে। 'শিৱাজী' নাটত ব্যৱহাৰ কৰা আচাৰ-ব্যৱহাৰ আদিয়ে সেই যুগৰ আচাৰ ব্যৱহাৰৰ প্ৰতিনিধিত্ব কৰিছে যদিও নাটবোৰৰ মাজে মাজে দিয়া গীতবোৰৰ ভাবে সেই যুগৰ ভাবৰ প্ৰতিনিধিত্ব কৰিব পৰা নাই। গীতবোৰ অতিশয় আধুনিক হৈ পৰিছে। 'কণৌজ কুঁৱৰী'ৰ বিষয় বস্তু হল পৃথ্বিৰাজ জয়চন্দ্ৰৰ সংবাদ, কণৌজকুঁৱৰী সংযুক্তাৰ স্বয়ম্বৰ আৰু মহম্মদ ঘোৰীৰ ভাৰত আক্ৰমণ। পৃথ্বিৰাজৰ ওপৰত প্ৰতিশোধ লবলৈ গৈ জয়চান্দে কেনেকৈ মাতৃভূমিক শত্ৰুৰ হাতত অৰ্পণ কৰিলে নাটকত তাক ভালদৰে দেখুওৱা হৈছে। জয়চাঁদৰ চৰিত্ৰত প্ৰতিশোধ পৰায়ণতা স্পষ্ট হৈ উঠিছে। ৰাজপুত বীৰ পৃথ্বিৰাজ তথা ৰাজপুত কন্যা সংযুক্তাৰ মাজেৰে স্বদেশ প্ৰেমৰ ছবি ফুটাই তোলাত নাট্যকাৰ সফল হৈছে। এই আটাইবোৰ চৰিত্ৰই নাটকৰ ঘটনা বিকাশত সমান অংশ গ্ৰহণ কৰিছে। কোনটি চৰিত্ৰই বিশেষ প্ৰাধান্য লাভ কৰিছে, কোৱা টান। সেয়েহে নাটখনৰ নায়ক নায়িকা লৈ সন্দিহান হব লগীয়া হয়। শেহতীয়া নাট 'টিকেন্দ্ৰজিত' ত কোনো বিশেষ কলা কৌশল লক্ষ্য কৰা নাযায়। সেনাপতি টিকেন্দ্ৰজিতে মণিপুৰৰ পৰা ইংৰাজক বাহিৰ কৰাৰ আয়োজনক লৈ নাটৰ কাহিনী গঢ় লৈ উঠিছে। ইংৰাজ আৰু মনিপুৰীৰ মাজত যুদ্ধ হয়, প্ৰথমে ইংৰাজ সৈন্য পৰাস্ত হয়। কিন্তু কিছুদিনৰ পিছত বহুতো সৈন্য লৈ ইংৰাজে পুনৰ মণিপুৰ আক্ৰমণ কৰে। মণিপুৰ সৈন্য যুদ্ধত পৰাস্ত হয় আৰু সেনাপতি টিকেন্দ্ৰজিতক ফাঁচী দিয়া হয়। এইয়ে নাটৰ মূল বস্তু। বিদ্ৰোহী দেশ প্ৰেমিক বীৰৰূপে টিকেন্দ্ৰজিতৰ চৰিত্ৰটি ফুটাই তুলিবলৈ নাট্যকাৰে চেষ্টা কৰিছে। ঠেঙালৰ চৰিত্ৰটিত সেই একে প্ৰচেষ্টা লক্ষ্য কৰা যায়। কিন্তু সেই গুণবোৰ চৰিত্ৰ দুটিত স্পষ্ট হৈ উঠা নাই। মাজত বহুত দুৰ্বলতা ৰৈ গ'ল। আগৰ নাটবোৰৰ তুলনাত এইখন নাটত অনাৱশ্যক চৰিত্ৰ আৰু কথাৰ প্ৰয়োগ কম যেন লাগে।

হাজৰিকাৰ কাল্পনিক নাটবোৰৰ ভিতৰত 'মঙ্কিয়ানাই প্ৰধান। আৰবীয় কাহিনী এটিৰ ওপৰত ভিত্তি কৰি এই নাটখনি ৰচনা কৰা হৈছে। মূল কাহিনীটি গঢ়ি উঠিছে আলিবাবা আৰু ডকাইত কালাপাহাৰৰ সংঘৰ্ষৰ মাজেৰে। মূল কাহিনীৰ লগতে মঙ্কিয়ানা আৰু হোচেনৰ উপকাহিনী এটি সংযোগ কৰা হৈছে। উপকাহিনীটিয়ে যে নাটখনিৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে তাত সন্দেহ নাই। কিন্তু বন্দী মঙ্কিয়ানাৰ মুখত দিয়া প্ৰেমৰ বচন চৰিত্ৰটিৰ লগত খাপ খোৱা হোৱা নাই। তাৰউপৰি মঙ্কিয়ানাৰ চৰিত্ৰত অসাধাৰণ বুদ্ধি কৌশল আৰোপ কৰা হৈছে। তাইৰ আগত আলিবাবাকে আদি কৰি আনবোৰ চৰিত্ৰ কেৱল ছাঁ বুলিহে কব পৰা যায়। অৱশ্যে সেই ফালৰ পৰা নাটখনিৰ নামটি যুক্তি সঙ্গত হৈছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে হাজৰিকাৰ নাটবোৰে অসমীয়া নাট্য সাহিত্যত এক বিশাল স্থান অধিকাৰ কৰিছে। অসমীয়া মঞ্চৰ পৰা বঙলা নাটৰ প্ৰভাৱ আতৰ কৰাত এই নাটকবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেই হিচাপে নাট্যকাৰৰ কঠোৰ পৰিশ্ৰম, গভীৰ সাধনা আৰু জাতীয় সাহিত্যৰ সতে থকা নিবিড় প্ৰেমৰ বান্ধোনৰ কথা শ্ৰদ্ধা সহকাৰে যুগে যুগে সোঁৱৰণ কৰিব লাগিব।



# গোহাঁঞি বৰুৱাৰ কৱিতা

শ্ৰীনন্দ তালুকদাৰ

অসমীয়া সাহিত্যৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি পাঠ্য-পুথি, নাটক, উপন্যাস, জীৱনী, বুৰঞ্জী আদি সাহিত্যৰ সকলো দিশতে হাত ফুৰাই যোৱা পদ্মনাথ গোহাঁঞি বৰুৱা জোনাকী যুগৰ সাহিত্যিকসকলৰ ভিতৰত অন্যতম। গোহাঁঞিবৰুৱাৰ জন্ম ১৭৯৩ শক, ১৮৭১ খৃঃত উত্তৰ লক্ষীমপুৰৰ নকাৰি মৌজাৰ নকাৰি গাৱঁত। উত্তৰ লক্ষীমপুৰত বিদ্যাৰম্ভ হয় যদিও তেতিয়া তাত ইংৰাজী শিক্ষাৰ ব্যৱস্থা নথকাত পোনতে শিৱসাগৰলৈ আহি ইংৰাজী শিক্ষাৰ পাতনি মেলিছিল। পিচত ১৮৯০ খৃঃত কছিমা হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতালৈ গৈ এফ এ আৰু আইন পঢ়িলে যদিও এটিতো পাচ কৰা নহ'ল। সেই সময়ত কলিকতাত পঢ়া অসমীয়া ছাত্ৰৰ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ আৰু নৱন্যাস আন্দোলনৰ গোহাঁঞি বৰুৱা এজন অন্যতম গুৰিয়াল আছিল। বেণুধৰ ৰাজখোৱা কৃষ্ণ প্ৰসাদ দুৱৰা আদিৰ সহযোগত ১৮৯০ খৃঃত কলিকতাৰ পৰা বিজুলী নামৰ এখনি আলোচনী প্ৰকাশ হয়। গোহাঁঞি বৰুৱাই আছিল বিজুলীৰ সম্পাদক।

'বিজুলী'তেই চোৰা চোৰাকৈ প্ৰকাশ হয় তেওঁৰ প্ৰথম উপন্যাস ভানুমতী। তেতিয়া গোহাঁঞি বৰুৱাৰ বয়স ১৯ বছৰ মাথোন।

বঙালী ভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰা গোহাঁঞি বৰুৱাই স্কুল কলেজৰ চাৰি বেৰৰ পৰা ওলায়ে চিন্তা কৰিলে অসমীয়া পঢ়াশলীয়া পুথি ৰচনা কৰাৰ কথা। গোহাঁঞি বৰুৱা অকল পাঠ্য পুথিতে সীমাবদ্ধ নাথাকিল। অসমীয়া সাহিত্যৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি বিধে বিধে উপন্যাস, নাটক, কবিতা, বুৰঞ্জী আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি গ'ল। সাহিত্য সৃষ্টিৰ লগতে সাহিত্য সভা, ছাত্ৰ সন্মিলন, আদিৰ গুৰি ধৰি অসমীয়া জাতীয় জীৱনত নৱ-চেতনা দি গ'ল।

ছাত্ৰাৱস্থাৰে পৰা গোহাঁঞি বৰুৱাই অসমীয়া পাঠ্য পুথিৰ অভাৱ বৰকৈ অনুভৱ কৰিছিল। কলিকতাৰ পৰা আহিয়ে পানীন্দ্ৰ গগৈৰ লগ লাগি পাঠ্যপুথি ৰচনা কৰাত মন পুতি লাগিলে। সেই অনুপ্ৰেৰণাৰে আদি শিক্ষা তিনি চোৱা, নীতি শিক্ষা, তিনিচোৱা, সাহিত্য সংগ্ৰহ, জীৱনী সংগ্ৰহ, ভূগোল দৰ্পণ আদি বিভিন্ন পাঠ্য পুথি ৰচনা কৰিছিল।

শিক্ষা শেষ কৰি ১৮৯৩ খৃঃত পোন প্ৰথমতে কছিমা চৰকাৰী মজলীয়া স্কুলৰ প্ৰধান শিক্ষক হয়। কছিমাতে ১৮৯৯ খৃঃত তেওঁৰ প্ৰথমা পত্নী লীলাৱতীৰ মৃত্যু হয়। প্ৰিয়তমা পত্নী লীলাৱতীৰ কৰুণ স্মৃতিয়ে লীলা কাব্যৰ বিষয় বস্তু। ১৯০৭ খৃঃত তেজপুৰৰ পৰা 'উষা' নামৰ আন এখন আলোচনী উলিয়ায়। পিচত তেজপুৰৰ পৰাই আসাম বন্তি নামৰ কাকত এখনো উলিয়াইছিল।

গোহাঁঞি বৰুৱাৰ ভানুমতীয়ে (১৮৯১ খৃঃ) প্ৰথম অসমীয়া উপন্যাস। লাহৰী (১৮৯২খৃঃ) তেওঁৰ দ্বিতীয়



উপন্যাস। জয়মতী, গদাধৰ, লাচিত বৰফুকন, আৰু সাধনী তেওঁৰ বুৰঞ্জীমূলক নাটক। বাণৰজা পৌৰাণিক নাট। গাওবুঢ়া, টেটোন তামুলী, আৰু ভূত নে ভ্ৰম গোহাঁঞি বৰুৱাৰ ধেমেলীয়া নাট।

গোহাঁঞি বৰুৱাৰ সাহিত্য সাধনাৰ কীৰ্তি স্তম্ভ স্বৰূপ তিনি খণ্ডত ৰচিত শ্ৰীকৃষ্ণ গ্ৰন্থ।

গোহাঁঞি বৰুৱাৰ কবিতাৰ পুথি তিনিখনি লীলাকাব্য, 'ফুলৰ চানেকি' আৰু 'জুৰনি' কবিতা সংগ্ৰহ। ফুলৰ চানেকি, আৰু জুৰণি খণ্ড কবিতা আৰু তেওঁৰ নাটকসমূহৰ পৰা সংগ্ৰহ অংশ বিশেষৰ সংকলন।

গোহাঁঞি বৰুৱাৰ লীলা সম্পূৰ্ণৰূপে এখনি ব্যক্তি কেন্দ্ৰিক কাব্য। প্ৰথমা পত্নী লীলাৱতীৰ কৰুণ স্মৃতিয়ে পুথি খনিৰ বিষয় বস্তু।

মৰিলে নাযায় মচা সোৱৰণী ৰেখা
ধাৰে বোৱা চকুলোৰ দুগালে নৌৱায়।

কবিয়ে লীলা কাব্যক বস্তু নিষ্ঠ ( Subjective ) বা তন্ময় কবিতাত ৰূপ দিবলৈ চেষ্টা কৰিছে। কিন্তু লীলা কাব্যক একেবাৰতে বস্তু নিষ্ঠ কবিতা বুলি কব নোৱাৰি। কবিয়ে যেতিয়া নিজৰ আত্মানুভূতিক, ব্যক্তিগত অভিজ্ঞতাক, চিন্তা ভাৱনাক কাব্যৰ সামগ্ৰী ৰূপে গ্ৰহণ কৰি আত্ম প্ৰকাশ কৰে তেতিয়া তাক মন্ময় বা ব্যক্তি নিষ্ঠ (Objective) কবিতা কোৱা হয়। সুক্ষ্মভাৱে বিচাৰ কৰিলে লীলা কাব্য ইয়াৰ ওপৰলৈ যাব পৰা নাই। কবিৰ চাকৰি জীৱনৰ আৰম্ভণী, লীলাৰ সৈতে বিবাহ বন্ধন, সংসাৰ যাত্ৰা আৰু লীলাৰ মৃত্যু এই দৈনন্দিন জীৱনৰ কথা সমূহে কাব্যৰ বিষয়-বস্তু। কাব্যৰ বিষয়-বস্তু জাগতিক বিষয়ৰ পৰা আতৰি যাব পৰা নাই অৰ্থাৎ কাব্য খনিত নৈব্যক্তিক ৰূপ এটি দি সাৰ্ব্বজনীনতা লাভ কৰিব পৰা নাই।

কবিয়ে যেতিয়া বস্তু জগতক যথাযথ ৰূপত প্ৰকাশ কৰে তেতিয়া সেই কাব্যক বস্তু নিষ্ঠ বা তন্ময় কবিতা কোৱা হয়। লীলা কাব্যত কবিৰ তেনে এটি প্ৰচেষ্টা পৰিলক্ষিত নোহোৱা নহয়। লীলাৰ লগত সংসাৰৰ যাত্ৰাৰ বিৱৰণ দিওঁতে কবিয়ে দৃশ্যমান জগতৰ বস্তু সম্ভাৰৰ পৰ্ব্বতীয়া প্ৰকৃতিৰ অপৰূপ দৃশ্য ৰাজিৰ একোখনি নিখুঁট চিত্ৰ মহান কৰিবলৈ চেষ্টা কৰিছে। এনেবোৰ বৰ্ণনাই কাব্যখনিৰ কাব্যিক সৌন্দৰ্য্য বঢ়াইছে যদিও কবিয়ে ব্যক্তিগত জীৱনৰ দিন লেখাৰ পৰা আতৰি নৈব্যক্তিক চিত্ৰ অঙ্কনত সফল হব পৰা নাই। কাব্য এখন ৰচনা কৰিবলৈ যিখিনি বিষয় বস্তুৰ আৱশ্যক ব্যক্তিগত হলেও লীলা কাব্যৰ বিষয় বস্তু তাৰ বাবেই যথেষ্ট। আনহাতে প্ৰাকৃতিক পৰিবেশেও কবিক সহায় কৰিছে। কাব্য এখনত থাকিব লগীয়া গুণ বা লক্ষণৰ প্ৰতি দৃষ্টি ৰাখি বন্দনাৰে কবিয়ে লীলা কাব্য আৰম্ভ কৰিছে। তেতিয়া কবিৰ বয়স একুৰি আঠ বছৰ। প্ৰথমা পত্নীৰ দাম্পত্য জীৱনৰ সুখৰ পৰা বঞ্চিত হোৱা কবিয়ে সংযমৰ বান্ধ ৰাখিব নোৱাৰিলে। ব্যক্তিগত আবেগ অনুৰাগত গা এৰি দি কবি উৰ্দ্বাউল হৈ পৰিল নৱমী পত্নীৰ পূৰ্ব্ব স্মৃতি সুঁৱৰি

বুকুত মুখনি
ধৰি হেপাহ ৰাঙ্কেৰে মনে সোধো কিবা
উভাহ আবেগ কিবা, সাজানো কি ভাবে
ওঁহ ওঁ তানে এটি সুৰ, ঘন উশাহেৰে
নাকেদি বাহিৰ হল তাল ফুটা বাগি
বুজিলো হিয়াৰ ভাব হিয়া ভিখাৰীয়ে
কিয়ে সুখ কিয়ে শান্তি কিয়ে অনুভৱ অৰ্দ্ধাঙ্গ
মিলন হায় অৰ্দ্ধাঙ্গিনী সতে
শিৰে, স্নানে, গালে মুখে প্ৰতিঅঙ্গ ভাগে।

প্ৰথম সৰ্গত কাব্যিক সৌন্দৰ্য্য প্ৰকাশ পাইছে। গোটেই কবিতা ৰাজিক এটা শোক গীতি (Elegy) আখ্যা দিব পাৰি। অৱশ্যে শোকগীতি (Elegy) হিচাপে শ্ৰেণী বিভাগ কৰা সহজ নহয়।

কাব্যখনিৰ ভিতৰত থকা নৈসৰ্গিক বৰ্ণনা সমূহ জীৱন্ত আৰু মনোৰম।

বনৰ হৰিণা সতে সৰল প্ৰাণেৰে
সমানে বিহাৰ কৰে বিজান প্ৰকৃতি
নিজৰা, নিস্বতনীৰ অমৃত সমান
সুখ খাদ্য ফল মূল প্ৰকৃতি বিভৱ।

কবিৰ কহিমা যাত্ৰাপথৰ প্ৰাকৃতিক দৃশ্যৰাজিৰ আৰু নামঘৰ হাবিৰ বৰ্ণনা মনোৰম। সন্ধানী দৃষ্টিৰে প্ৰকৃতি সম্ভাৰৰ প্ৰতি কবিয়ে দৃষ্টি নিক্ষেপ কৰিছে। আনহাতে কাব্যত বৰ্ণিত চিত্ৰসমূহৰ মাজতো দেখা যায় কবিৰ সূক্ষ্ম অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ :

গড়ালত বন্ধা থকা ৰাজ হংস জাক
লভিলে মেলানি যেন পুখুৰী পানীত
উপঙি বিভোল হয় উলাহিত মনে
কোলাৰ শিশুৱে নামি পালে ধূলি খেলা
কোমল প্ৰাণত যেনে আনন্দ নধৰে।

কবিয়ে দশ্যৰাজিত আপোন পাহৰা হৈ বৰ্ণনা কৰিব পাৰিলে লীলাকাব্য সাহিত্য হিচাপে সমাদৃত হল হেতেন। কিন্তু কবিয়ে আপোন পাহৰা হল প্ৰেয়সী লীলাৰ সৌন্দৰ্য্য অন্বেষণত "লীলা মোৰ আপুনি কবিতা" প্ৰেয়সীৰ মাজেৰে পৰাণ পৰিতৃপ্ত কৰিবলৈ কবিয়ে ব্যাকুল হৈ পৰিছে "বুকুত চপাই ধৰি হাঁহি সুৱাগেৰে দিলো এটি হিয়া চেপা আবেগ বান্ধেৰে শুজিলো শলাগ ঋণ।"

লীলাৰ প্ৰতি কবিৰ যি আবেগ-অনুৰাগ, প্ৰেম-প্ৰীতি সি অকল দাম্পত্য আবেগ অনুৰাগৰ ৰূপতেই থাকিল। গোহাঁঞি বৰুৱাই সেই প্ৰেম উচ্চ স্তৰলৈ উন্নীত কৰিব নোৱাৰিলে নাইবা স্বৰ্গীয় প্ৰেম (Devine Love) ৰূপত অঙ্কিত নহ'ল। কবিৰ এনে তৰহৰ শিথিলতাৰ বাবে লীলা কাব্যক একেষাৰতে মৃন্ময় বা তন্ময় কবিতা বুলি কব নোৱাৰি।

বাৰ বছৰীয়া লীলাৱতীৰ লগত হোৱা বিয়াখন স্থায়ী নহল। সেই কথা সুঁৱৰি কবিয়ে লিখিছে :

'কৃষ্ণ পক্ষ দ্বিতীয়াৰ
ভৱদুপৰত সামৰি সংসাৰ লীলা
স্বৰ্গত জিলিকে গই পুণ্য লীলাৱতী।

মিল্টনৰ 'লুচিদাচ', টেনিচনৰ 'ইনমেমোৰিয়াম', টমাৰ হুডৰ 'ব্ৰিজ অৱ চাই' নাইবা লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধনবৰ ৰতনী'ত একোটি বিশ্বজনীন শোকৰ ছাঁ পৰা দেখা যায়। বিশ্বজনীন শোকৰ কৰুণ পৰিবেশ গঢ়ি তুলিব পৰা বাবে উক্ত কবিতা ৰাজি একোটি সাৰ্থক শোক কবিতা ( Elegy )। ঠিক তেনেদৰে মহাকবি কালিদাসৰ মেঘদূততো এক বিশ্বজনীন শোকৰ ছাঁ অনুভৱ কৰিব পাৰি। ৰামগিৰি পৰ্ব্বতত নিৰ্ব্বাসিত হৈ থকা বিৰহী যক্ষই অলকাপুৰিত অকলশৰে এৰি অহা পত্নীৰ ওচৰলৈ মেঘক দূত ৰূপে পাঠিছিল। উক্ত কাব্যত মহাকবিয়ে এহাতে নৈসৰ্গিক বৰ্ণনা আনহাতে প্ৰিয়া বিৰহৰ শোকাকুল পৰিবেশ সমানভাৱে ফুটাই তুলিব পাৰিছে। মেঘদূতৰ শোকাবহ পৰিবেশৰ মাজত এটি সাৰ্ব্বজনীন আবেদন আছে। সেয়েহে মেঘদূত বিশ্ব সাহিত্যৰ এখনি অনুপম খণ্ড কাব্য।

লীলা কাব্যক একেষাৰতে খণ্ড কাব্য নুবুলি কাহিনী কাব্য (Narrative story-poem) আখ্যা দিব পাৰি। লীলা কাব্যত এটি কাহিনী আছে সন্দেহ নাই। এই কাহিনীৰ যে মানৱীয় আবেদন আছে সিও অনস্বীকাৰ্য্য। কিন্তু সেই মানৱীয় আবেদন সাৰ্ব্বজনীন নহয়।

কাব্য বুলিলে সাধাৰণতে এটা কাহিনীৰ কথা সূচায়। নাটকৰ দৰে কাব্যটো পঞ্চসন্ধি অপৰিহাৰ্য্য। মুখ বা আৰম্ভ (Beginning), প্ৰতিমুখ Growth of Action), গৰ্ভ (climax), অৱমৰ্শ (Falling of Action) আৰু উপসংহাৰ (conclusion)। লীলা কাব্যত পঞ্চ সন্ধি যথাযথ ব্যৱহাৰ হোৱা নাই। মুখ (Begining) আছে যদিও প্ৰথম সৰ্গৰ বৰ্ণনাত এটা কাব্যিক সৌন্দৰ্য্য (Lyrical Beauty) প্ৰকাশ পাইছে। আনহাতে কাব্য খনিত নাটকীয় নাইবা কাব্যিক আবেগ অনুৰাগো একো নাই। ঘটনাৰ সত্যৰূপ বা প্ৰকৃত ৰূপ কবিয়ে প্ৰকাশ কৰিছে যথাযথ ভাৱে। কল্পনাৰ ৰঙীন বৰ্ণনাৰ সলনি অকল বাস্তৱৰ উকা বৰ্ণনাৰে এখনি কাব্য ৰচনা কৰিবলৈ ললে সি দিন-লেখাৰ উচ্চ পৰ্য্যায়লৈ উঠাব নোৱাৰে। লীলা কাব্যত কবিয়ে কল্পনা-প্ৰৱণতাৰ আশ্ৰয় লৈ নাটকীয় পৰিবেশ ফুটাই তুলিবলৈ যত্ন কৰিছিল। কিন্তু সি কাৰ্য্যত পৰিণত নহ'ল। চঞ্চল আবেগ অনুৰাগৰ সুৰত নৈসৰ্গিক বৰ্ণনাত কবিয়ে গাম্ভীৰ্য্য আৰোপ কৰিব পৰা নাই। আনহাতে কাব্যখনিত উপযুক্ত পৰিবেশৰো অভাৱ।



পদ্মনাথ গোহাঁঞি বৰুৱাই লীলা কাব্য ৰচনা কৰিছে মাইকেল মধুসূদন দত্তৰ আহিৰে। মাইকেল মধুসূদন দত্তৰ আহি ললেও কবিয়ে নিজস্ব বৈশিষ্ট্য প্ৰকাশ কৰিব পাৰিছে ৰচনা শৈলী আৰু প্ৰকাশ ভঙ্গীৰ মাজেৰে। কাব্যখনিৰ ভাষা সাবলীল আৰু নিজস্ব অমিত্ৰাক্ষৰ ছন্দত লিখিলেও প্ৰকাশ ভঙ্গী সহজ সৰল।

গোহাঁঞি বৰুৱাৰ ফুলৰ চানেকি' (১৯৪১) আৰু জুৰণি (১৯৩৮) দুখনি কবিতাৰ সংকলন। ফুলৰ চানেকি ৪২ টা কবিতাৰ আৰু জুৰণি ১০৪ টা ক্ষুদ্ৰ কবিতাৰ সমষ্টি। জুৰণিৰ ৩৫ টা চনেট সৰূৰ চৈধ্যশাৰীৰ কবিতা।

ফুলৰ চানেকি কবিৰ মতে 'বিশিষ্ট কবিতা ফুল' পাতনিত লিখিছে—"এই চানেকিত বছা কবিতা ফুল আটাইবোৰে মোৰ নিজা ফুলনিৰ। তাৰ নিমিত্তে মই কাৰো ওচৰত হাত পাতিব লগা হোৱা নাই। আদিৰে পৰা আজিলৈকে মোৰ ৰচিত কবিতা ফুলবোৰ চাও বুলিলে একে ঠাইতে পোৱাকৈ থাউকতে থুপাই থোৱাৰ অভিপ্ৰায় 'ফুলৰ চানেকি' এখন হাতে সচাঁ চকুৰা পাতত ৰাছি থোৱা আছিল। ফুলৰ চানেকিৰ পৰা কিছুমান বিশিষ্ট কবিতা ফুল ৰাছি আনি, তাৰে সৈতে তাৰ এছোৱাৰ বিশিষ্ট তাণ্ডৱণ এটা উলিয়াবৰ অৰ্থে এইখন ফুলৰ চানেকি যুগুত কৰা হৈছে।" ফুলৰ চনেকিৰ ৪২ টা কবিতাৰ ভিতৰত ৯টা স্বকীয়া স্বকীয়া নাটকৰ অংশ।

কবি হিচাপে গোহাঞি বৰুৱাই খ্যাতি লাভ কৰিব পাৰিছে বৰ্ণনাত্মক খণ্ড কবিতা আৰু চনেটবোৰৰ মাজেৰে। কবিৰ ৰচিত চনেটবোৰৰ ভিতৰত কবিতা, কবি, কল্পনা, উৰ্ম্মিলা আদি উল্লেখযোগ্য। জুৰণিৰ ৩৫ টা কবিতা আকৃতিত চৈধ্য পদৰ চনেট।

আকৃতিত কবিতা কেইটি চনেট হলেও সাধাৰণ পয়াৰ জাতীয় কবিতাহে। শেষৰ যুগ্মকৰ ভাব তীব্ৰতাৰ বাহিৰে চনেটৰ আন লক্ষণ প্ৰকাশ পোৱা নাই। চনেটবোৰৰ মাজেৰে কবিৰ সংযত কল্পনা আৰু ভাবৰ গাম্ভীৰ্য্য প্ৰকাশ পাইছে। ব্ৰহ্মপুত্ৰ, কল্পনাৰ চকু, চোপাকলি কবিতা, কবি, প্ৰকৃতি আদি চৈধ্যশাৰীৰ কবিতা যদিও চনেটৰ কোনো লক্ষণ প্ৰকাশ পোৱা নাই। চৈধ্যশাৰীৰ কবিতাৰ আহিৰ জীৱন, সন্ধিয়া, নেদেখা জন, উষাহৰণ, অকলে লগত আদি সোল পদী কবিতা। কিন্তু চনেটৰ সংযত ভাব কল্পনা এনেবোৰ কবিতাত অভাৱ।

কবি গোহাঁঞি বৰুৱাৰ কবিতা অব্যক্ত ভাবৰ হেতু মানসী দুৱাৰ। দুৰ্গেশ্বৰ শৰ্ম্মা আৰু বেজবৰুৱাৰ একে নামৰ কবিতাৰ সমগোত্ৰীয় গোহাঁঞি বৰুৱাৰ 'কবিতা' জগতৰ সকলো প্ৰাণী বা বস্তু সম্ভাৰৰ অব্যক্ত ভাবৰ বেদনা প্ৰকাশৰ বাহন স্বৰূপ। 'কবিতা' মানুহৰ চিন্তা আৰু কল্পনা সঢ়ত ফুলা এপাহি কবিতা আৰু শোকৰ সঙ্গীত বেজাৰৰ কলাৰেখা।

উৰ্ম্মিলা কবিৰ আন এটি চনেট। ৰজনীকান্ত বৰদলৈৰ উৰ্ম্মিলা নামৰ কবিতাৰ বিষয় বস্তুৰ লগত একে নহয়। উৰ্ম্মিলাক উপেক্ষা কৰা বাবে বৰকাকতীৰ কবিতাত বাল্মীকিক দোষাৰোপ কৰিছে। গোহাঁঞি বৰুৱাই তেনে কৰা নাই। গোহাঁঞি বৰুৱাৰ মতে বাল্মীকি সুচতুৰ আৰু উৰ্ম্মিলাৰ প্ৰতি দৰদ বেচি। সেইবাবে মৰ্ত্ত ভূমিত অৰ্দ্ধ বিকাশতে ৰাখি স্বৰ্গৰ কাৰণে গোপন কৰিলে। কবিৰ উদ্দেশ্য উৰ্ম্মিলাৰ মহানুভৱতা স্বৰ্গত প্ৰকাশ হওক।

সুচতুৰ স্বৰ্গী কবি স্বৰ্গৰ কাৰণে
উৰ্ম্মিলা পাহিটি থলে অৰ্দ্ধেক গোপনে।

মিলন মহত্ব কবিতাত কবিয়ে মিলনৰ জয় ঘোষণা কৰি সৃষ্টি পাতনিৰ কথা সুঁৱৰি চাইছে। উষা আন এটি অৰ্থ ব্যঞ্জক কবিতা। উষাৰ পোহৰেৰে পৃথিৱী পোহৰ কৰাৰ দৰে কবি সম্পাদিত উষা আলোচনীৰে বিচাৰিছে জ্ঞানৰ পোহৰ বিলাবলৈ।

ওৰণি কবিৰ এটি ব্যঙ্গ কবিতা। ওৰণি কবিতাৰ মাধ্যমেৰে ডেকা প্ৰেমিকৰ অদম্য বাসনাৰ ইঙ্গিত দিব বিচাৰিছে। হিতেশ্বৰ বৰবৰুৱাৰ কাণৰ থুৰিয়া কবিতাৰ লগত সাদৃশ্য আছে।। কবি গোহাঁঞি বৰুৱাই জননে জননে ওৰণি হবলৈ হাবিয়াস কৰাৰ অন্তৰালত এটি তীব্ৰ ব্যঙ্গ লুকাই আছে। এনে ধৰণৰ কিছুমান কবিতা ৰোমাণ্টিক ভাবৰ যদিও কল্পনা সংযত। ভাব ভাষাও সহজ সৰল। গোহাঞি বৰুৱাৰ কবিতাৰ প্ৰতি লক্ষ্য

ৰাখি ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্ম্মাই লিখিছে "গীতি কবিতাৰ অনুভৱ তীব্ৰতা আৰু প্ৰকাশ ব্যাকুলতা গোহাঞি বৰুৱাৰ কবিতাত নাই ; কিন্তু চনেট কবিতাৰ উপযোগী সংযত কল্পনাৰ তেওঁ অধিকাৰী।"

'ফুলৰ চানেকি'ৰ শেষৰ ফালে গোহাঞি বৰুৱাৰ স্বৰচিত নাটকৰ কাব্যিক অনুভূতি থকা বচন কিছুমান সন্নিবিষ্ট কৰিছে। ইয়াৰ ভিতৰত জয়মতী গদাধৰ আৰু সাধনী নাটকৰ অংশই সৰহ ।

জুৰণিৰ 'উপৰি উপৰঞ্চি'ত হেমচন্দ্ৰ গোস্বামী, মাণিকচন্দ্ৰ বৰুৱা, লক্ষীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, কবি ৰবীন্দ্ৰ নাথ আদি তৰ্পণ জাতীয় কবিতা কোনোটো চৈধ্যশাৰীৰ চনেট গঢ়ৰ আৰু কোনোটো ষোল শাৰীৰ । লক্ষীনাথক উদ্দেশ্য কৰি লিখিছে :

'ৰাজ বেজ বৰুৱাক ৰধে কোনে, সাধ্য কাৰ ?
নৰিও অমৰ তেওঁ লেখনীৰে আপোনাৰ
'অসমীয়া ভাষা' নাম আছে মানে জগতত,
'কৃপাবৰ লক্ষীনাথ অমৰ মৰতত ।।

হেমচন্দ্ৰ গোস্বামীক উদ্দেশ্য কৰি লিখা চনেটত গোস্বামীয়ে প্ৰথম চনেট লিখা কথা উল্লেখ কৰিছে :

চনেট চানেকি ৰ'চি পোন প্ৰথমতে
প্ৰকৃতিৰ চো-ঘৰ চাই পিতৃ পিতৃ
অসমীয়া সাহিত্যৰ ভৰালত থিত
নতুন সম্ভাৰ এটি ৰচিলা লাচতে ।

এইটো চনেটত পেট্ৰাকাৰ আহিৰ চনেটত থকা কাৰাখাক ক । খ । খ । ক ।। ক । খ । খ । ক । গ । ঘ ।। গ । ঘ । গ । ঘ ।। নিয়ম পালন কৰা দেখা যায়। অষ্ট পদিকা ষট পদিকাৰ ভাগ বিভাগৰ প্ৰতি সজাগ হয়।

কবিৰ তৰ্পণ জাতীয় কবিতা বাজিত মহান মনীষী সকলৰ চৰিত্ৰৰ আভাস দিবলৈ যত্ন কৰা দেখা গৈছে।

এই জন্য সাহিত্য যোগী পুৰুষক অসম সাহিত্য সভাৰ ১৯১৭ খৃ ত শিৱসাগৰত অনুষ্ঠিত প্ৰথম অধিবেশনত সভাপতি নিৰ্ব্বাচন কৰা হৈছিল । ১৯৪৬ খৃঃৰ ৮ বহাগত তেজপুৰৰ তেওঁৰ নিজা বাস ভৱন পদ্মকুটিৰত গোহাঞি বৰুৱা ডাঙৰীয়াৰ জীৱন বন্তি নিৰ্ব্বাপিত হ'ল ।

# ঠাৎ আৰু ৰাগ

শ্ৰীগোলোকচন্দ্ৰ খাউণ্ড

ইয়াৰ আগৰ প্ৰবন্ধত কেৱল শ্ৰুতি আৰু স্বৰৰ বিষয়ে আলোচনা কৰা হৈছিল । পুণৰ ঠাৎ আৰু ৰাগৰ বিষয়ে এই প্ৰবন্ধত আলোচনা কৰা হল ।

লোচন পণ্ডিতৰ মতে ১২ টা ঠাৎ আছে । ১। ভৈৰৱী ২। তোড়ী ৩। গৌৰি ৪। কৰ্ণাট ৫। কেদাৰ ৬। ইমন ৭। সাৰঙ্গ ৮। মেঘ ৯। ধনশ্ৰী ১০। পুৰী ১১। মুখাৰী ১২। দীপক ।

তেখেতে ভৈৰৱী ৰাগৰ বিৱৰণ এই দৰে দিছে :

শুদ্ধাঃ সপ্তস্বৰা ৰম্বয়া ৰাদণীয়াঃ প্ৰযত্নতঃ ।
তেন ৰাদন মাত্ৰেন ভৈৰৱী জায়তে শুভা ।।

যদি সপ্তস্বৰ শুদ্ধ মতে সোৱা হয় তেনে সেই মুহূৰ্ত্ততে ভৈৰৱী পোৱা যাব ।

ইফালে দেখা যায় যে হিন্দুস্থানী সঙ্গীত মতে ভৈৰৱী ঠাৎত কোমল "ৰে" আৰু কোমল "ধা" ব্যৱহাৰ হয় । লোচন পণ্ডিতে যি দৰে ভৈৰৱী ঠাৎ ব্যাখ্যা কৰিছে সেই চো কাফি ঠাৎ হে হয় । তেখেতে পুনৰ সমালোচনা কৰিছে, যেনে :

অন্যো তু ভৈৰৱী ৰাগে কোমলং বিদুঃ ।
তদ্ শুদ্ধ যতগুণটক নায়ং ৰাগহে নুৰজকঃ ।

যদি ভৈৰৱী ৰাগত কোমল ধৈৱত ব্যৱহাৰ কৰে তেন্তে সেইটো ভুল । ভৈৰৱীত কোমল ধা ব্যৱহাৰ কৰিলে শুনিবলৈ শুৱলা নহয় ।

## ৰাগ তোড়ী

শুদ্ধাঃ সপ্তস্বৰা কাৰ্য্যা ৰিধৌ তেষু চ কোমলৌ ।
তোড়ী স্বৰাগিণৌ জ্ঞেয়া ততো গায়কণায় কৈঃ ।

পুনৰ সপ্তস্বৰ লোৱা আৰু কোমল "ৰে" আৰু "ধা" ব্যৱহাৰ কৰিলে তোড়ী ঠাৎ পোৱা যাব ।

এতিয়া দেখা গল যে এই তোড়ী ঠাৎ আমাৰ হিন্দুস্থানী মতে ভৈৰৱী ঠাতৰ লগত মিলি যায় । আন কি এতিয়াও দাক্ষিণাত্যৰ মতে এই তোড়ী ঠাৎ আমাৰ ভৈৰৱীৰ লগত মিল দেখা যায় ।

## ৰাগ গৌৰি

এবং সতি চ গান্ধাৰি দ্বে শ্ৰুতি মধ্যমস্য চেত ।
গৃহ্ণাতি কাকলি নিঃগ্যান্তদা গৌৰি প্ৰবৰ্ত্ততে ।।

ওপৰত উল্লেখ কৰা তেড়ী ঠাৎৰ গান্ধাৰে মধ্যমৰ

দুই শ্ৰুতি লয় আৰু নিষাদ কাকলি হয় তেনে ইয়াক গৌৰি ঠাং কোৱা হয়।

এই গৌৰি ঠাং আগৰ পণ্ডিত সকলে আমাৰ ভৈৰবী ঠাতৰ লগত সম্পূৰ্ণ মিল বুলি গণ্য কৰে।

**ৰাগ কৰ্ণাট**

শুদ্ধাঃ সপ্ত স্বৰাস্তেষু গান্ধাৰো মধ্য মস্যচেত।
গৃহ্লাতি দ্বে শ্ৰুতি গীতণ কৰ্ণাটী জায়তে তদা॥

যদি শুদ্ধ সপ্ত স্বৰৰ পৰা গান্ধাৰ দুই শ্ৰুতি ওপৰলৈ দিয়া হয় তেনে এইটো কৰ্ণাট ঠাং বুলি কৰ পাৰি। এই কৰ্ণাট ঠাং আমাৰ হিন্দুস্থানী মতে খাম্বাজ ঠাতৰ লগত মিলে, কেৱল নিষাদৰ বাহিৰে সকলো স্বৰ শুদ্ধ।

**ৰাগ কেদাৰ**

এবং সতি নিষাদশ্চেত কাকলী ভৱতি স্ফুটম।
বীণায়াং ব্যক্তিমাধত্ত কেদাৰ সংস্মিতি স্তদা।

যদি কৰ্ণাট ঠাংত নিষাদ কাকলী কৰা হয় তেনে বীৰ্ণাই ইয়াক কেদাৰ ঠাং বুলি ব্যাখ্যা কৰে।

এই কেদাৰ ঠাং আমাৰ হিন্দুস্থানী মতে বিলাবল ঠাতৰ লগত মিলে।

**ইমন**

এবং সতি চ সংস্থানে মধ্যমঃ পঞ্চমস্য চেত।
গৃহ্লাতি দ্বে শ্ৰুতি ৰাগ ইমনো জায়তে তদা॥

শেষত উল্লেখ কৰা কেদাৰ ঠাংৰ মধ্যমে যদি পঞ্চমৰ দুই শ্ৰুতি লয় তেনে ইমন ঠাং কোৱা হয়।

এইটো ঠিক আমাৰ হিন্দুস্থানী সংগীতৰ ইমন ঠাংৰ লগত মিল কিন্তু আজি কালি হিন্দুস্থানী সঙ্গীতজ্ঞ সকলে তীব্ৰ "গা" আৰু "মা" ও তীব্ৰ "নি" ব্যৱহাৰ কৰে কিন্তু লোচন পণ্ডিতৰ মতে তীব্ৰতৰ "গা" "মা" আৰু "নি" ব্যৱহাৰ কৰিছে।

**সাৰঙ্গ**

এবং সতি চ গান্ধাৰঃ শুদ্ধ মধ্যমতাং ব্ৰজেত্।
ধশ্চ শুদ্ধ নিষাদঃ স্যাৎ সাৰঙ্গো জায়তে তদা॥

ওপৰত ব্যাখ্যা কৰা ইমন ঠাতৰ গান্ধাৰ যদি শুদ্ধ মধ্যমৰ লগত মিল হয় আৰু ধৈৱতে যদি নিষাদৰ ঠাই লয় তেনে সাৰঙ্গ ঠাং পোৱা যায়।

**মেঘ**

ধনিষাদৌ চ শাড়ঙ্গস্য কৰ্ণাটস্য গমৌ যদি।
ভৱেতাং ৰাগৰাজন্যো মেঘ ৰাগঃ প্ৰজায়তে॥

মেঘ ঠাতত ধৈৱত আৰু সাৰঙ্গৰ দৰে আৰু গান্ধাৰ ও মধ্যম কৰ্ণাটৰ দৰে মেঘ ঠাং পোৱা যায়।

**ধনশ্ৰী**

ঋষভ কোমলো গস্ত দ্বে শ্ৰুতি মধ্যমস্যচেত।
গৃহ্লাতি দ্বে শ্ৰুতি মশ্চ পঞ্চমস্য বিশেষতঃ॥
ধৈৱতঃ কোমলো নিশ্চ ষড়কস্য দ্বে শ্ৰুতি যদা।
গৃহাতি ৰাগিনী ৰম্যা ধনশ্ৰী জয়তে তদা॥

যেতিয়া "ৰে" কোমল, গান্ধাৰে মধ্যমৰ দুই শ্ৰুতি লয় মধ্যমে পঞ্চমৰ দুই শ্ৰুতি লয়—ধৈৱত কোমল নিষাদে ষড়জৰ দুই শ্ৰুতি লয় তেতিয়া ধনশ্ৰী ঠাং পোৱা যায়। ঠিক এই টো আমাৰ হিন্দুস্থানী মতে পুৰিয়া ধনশ্ৰী হয় কিয়নো ইয়াত 'ৰে' আৰু 'ধা' 'গা, "মা আৰু "নি" তীব্ৰ।

**পুৰবী**

ইমন শ্বৰ সংস্থানে নিষাদ প্ৰথমাং শ্ৰুতি।
গৃহ্লাতি ধৈৱত শ্বৈৰা পূৰায়াঃ শ্বৰ সংস্থিতিঃ॥

পুৰবী ঠাং ঠিক ইমন ঠাতৰ লগত একে কেৱল ধৈৱতৰ এক শ্ৰুতি বঢ়াই দিব লাগিব।

**মুখাৰী**

শুদ্ধা সপ্তস্বৰাস্তেষু ধৈৱতঃ কোমলো ভৱেৎ।
বীণায়াং জায়তে শুদ্ধা মুখাৰী সংস্মিতিস্তদা॥

শুদ্ধ স্বৰৰ মেলত ধৈৱত কোমল ব্যৱহাৰ কৰিলে মুখাৰী ঠাং পোৱা যায়।



**হৃদয় প্ৰকাশ**

এই পুথিতো ৰাগ তৰঙ্গিনীৰ দৰে ১২টা ঠাতকে মানি লৈছে কেৱল লেখকে নিজৰ এটা ঠাং নামকৰণ কৰিছে সেইটো হৈছে হৃদয় ৰামা। এই পুথি লেখকৰ মতে কেৱল বিকৃত স্বৰেৰে ঠাং সম্পৰ্ণ কৰিছে।

শুদ্ধ মেল—ভৈৰবী।
গান্ধাৰ তীব্ৰতৰ —কৰ্ণাট।
ধৈৱত কোমল—মুখাৰী।
ঋষভ ধৈৱত কোমল—তোড়ি
তীব্ৰ গা আৰু নি—কেদাৰ।
তীব্ৰতৰ "গা" "ম" নি—ইমন
তীব্ৰতৰ "গা" 'ধন' নি—মেঘ
তীব্ৰতৰ "গা" "ম" "নি"—হৃদয়ৰামা

কোমল "ৰে" আৰু "ধা"
তীব্ৰতৰ "গা" আৰু "নি" } = গৌৰী

তীব্ৰতম "গা" তীব্ৰতৰ'
"স" বৈ নিষাদ কাকলী } = সাৰঙ্গ

তীব্ৰতৰ "ধা" "ম" "গা"
নিষাদ কাকলী } = পূৰবী

তীব্ৰতৰ "গা" আৰু "ম"
"ৰে" আৰু "ধা" কোমল
নিষাদ কাকলী } =ধনশ্ৰী

**চাত্ৰাগ চন্দ্ৰোদয় পুণ্ডৰিকা ভিঠলা।**

পুণ্ডৰিকা ভিঠলা মতে ১৯ ঠাং সম্পূৰ্ণ কৰিছে।

তক্ৰদ্য মেলস্থ মুখাৰিকায়াঃ।
ততো ভৱেন্মালৱ গৌতমেলঃ॥
শ্ৰীৰাগমেলস্তদনন্তৰং স্যাত্।
স্যাচ্চুদ্ধনাটা হ্বয়কস্য মেলঃ॥
দেশাক্ষিকায়া অপি মেলকঃ স্যাত্।
কৰ্ণাটি গৌড়স্য ভৱেৎ স্বমেকঃ।
কেদাৰকামস্য ভৱেৎ স্বমেকঃ।
হিজেজ মেলোৎপি হৰ্মীৰ মেলঃ॥
কামোদৰাগা ভিধস্য মেলঃ।
ততঃ স্বতোড়্যা হয় কস্য মেলঃ।
আভিৰিকায়াঃ স্বমতশ্চ মেলঃ।
মেলো ভৱেত্ শুদ্ধবৰাতি কায়া॥
সাচুদ্ধ ৰামক্ৰয় ভিধস্য মেলঃ।
দেৱ ক্ৰিয়ায়াশ্চ ভৱেৎ মেল॥
সাৰঙ্গা মেলস্তস্তদৰং স্যাত।
কল্যাণ মেলাস্ত ততঃ পৰং স্যাত্॥
হিন্দোল ৰাগস্য সৱেতু মেলঃ।
স্যানাদ ৰাম ক্ৰয় ভিধাব্য মেলঃ॥
ইতি গীতাস্তে নৱচন্দ্ৰ সংখ্যা।
এবং পৰাংস্তান কলয়ন্ত প্ৰজ্ঞা॥

মুখাৰী—শুদ্ধ স্বৰ :
মালৱ গৌৰ—লঘু "মা" আৰু লঘু "সা" ৰাকী শুদ্ধ
শ্ৰী—চতুশ্ৰুতি "ৰে" সাধাৰণ "গা" চতুশ্ৰুতি "ধা" কৈশিক 'নি'
শুদ্ধনাট—ত্ৰিঃ শ্ৰুত 'গা' লঘু "মা" ত্ৰিঃ শ্ৰুতি "নি" লঘু "মা"
দেশাক্ষী—ত্ৰিঃ শ্ৰুতি "গা" লঘু "মা" লঘু "গা"
কৰ্ণাট গৌড়—ত্ৰিঃ শ্ৰুতি "গা" লঘু "মা" ত্ৰিঃ শ্ৰুতি 'নি'
কেদাৰ—লঘু "গা" লঘু "মা"
হিজেজ—লঘু "মা" কিশিক "নি"
হৰ্মীৰ —শুদ্ধ "গা" লঘু "মা" লঘু "সা"
কামোদ—ত্ৰিঃ শ্ৰুতি "গা" লৰ্ঘ "পা" ত্ৰিঃশ্ৰুতি "নি"
তোড়ি—সাধাৰণ "গা" কিশিক নি"
আভীৰী—শুদ্ধ "গা" সাধাৰণ "গা" লঘু "মা"
শুদ্ধ বৰাটী—লঘু "পা" লঘু "মা"
শুদ্ধ ৰামকী—লঘু "মা" লঘু "পা" লঘু "মা"
দেৱক্ৰী —লঘু "পা" শুদ্ধ "নি" লঘু "মা"
সাৰঙ্গ—শুদ্ধ "গা" কিশিক "নি" লঘু "মা',
কল্যাণ-শুদ্ধ "গা" সাধাৰণ "গা" লঘু "পা" লঘু "মা"
হিন্দোল—ত্ৰিঃ শ্ৰুতি "গা" ত্ৰিঃ শ্ৰুতি "নি"
নাদৰামকী—সাধাৰণ "গা" লঘু "মা,'

**ৰাগ কৌমুদি**

এই পুঠিত ৰাগৰ ৰণ এনে দৰে ৰাখ্যা কৰিছে।
ধ্যানং বিনা ৰাগ সমূহমেতং।

গায়ন্তি বাগেৎ নিপুণা জনা যে ॥

সংগীত সাস্ত্রোক্ত কলানি বাগাঃ ।

তেভ্যঃ প্ৰবচ্ছন্তি কদাপি নৈব ॥

এই পুথিত কেবল ৯ ঠাৎৰ বিষয়ে হে কৈছে ।

মালব গৌড়—শুদ্ধ "ৰে" পত "ম" শুদ্ধ "ধা" পত "মা

শ্ৰী—চতুঃ শ্ৰুতি "ৰে" সাধাৰণ "গা" চতুঃ শ্ৰুতি "ধা" কিশিকি "নি',

শুদ্ধ নাট—ত্ৰিঃ শ্ৰুতি "গা" পত "মা" ত্ৰিঃ শ্ৰুতি "নি" পত "মা"

কৰ্ণাট গৌড়—শুদ্ধ "গা" পত "মা" শুদ্ধ "নি" কিশিক "নি"

কেদাৰ—শুদ্ধ "গা" পত "মা" শুদ্ধ "নি" পত "মা"

মল্লাৰ—শুদ্ধ "গা" পত "মা" ত্ৰিঃ শ্ৰুতি "নি"স্তু পত "মা"

দেশাক্ষী—ত্ৰি শ্ৰুতি "গা" পত "মা" পত "মা" শুদ্ধ ,'নি"

কল্যাণ—শুদ্ধ "গা" সাধাৰণ "গা" পত "পা" শুদ্ধ "নি" পত "সা"

সাবঙ্গ—শুদ্ধ "গা" শুদ্ধ "মা" পত "পা" শুদ্ধ "পা" কিশিক "নি" পত 'সা'

**স্বৰ মেলাকলাগিৰি**

এই পুথতি বাণ্ডিত বামা আমাটৎষ্ট লেখা । এই পুঠিৰ মতে ২০ টা ঠাৎ পোৱা যায় ।

তত্ত্ৱাগ প্ৰধানস্থান্যেকাণ বক্ষেৎ কুমাদিমান ।

সৰ্বেষু ৰাগ মেলেষু মুখাৰি মেল আদিমঃ ॥

ততো মালৱ গৌল্লস্য মেলঃ শ্ৰীৰাগ মেলকঃ ।

সাবঙ্গ নাট মেলশ্চ মেলো হিন্দোলক সংচ ॥

শুদ্ধ ৰাম ক্ৰিয়া মেলো দেশাক্ষী মেল কোৎপৰ ।

মেল কৰ্ণাত গৌল্লসৎ শুদ্ধ নাটআশ্চ মেলকঃ ॥

আহৰী মেলক শৈচৰ নাদ ৰাম ক্ৰিয়া পৰঃ ।

মেলঃ শুদ্ধ ৱৰাল্লাশ্চ ৰীতি গৌল্লস্য মেলকঃ ॥

বসন্ত ভৈৰবী সঞ্জো মেলকস্ত প্ৰকীৰ্তিতঃ ।

কেদাৰ গৌল্লমেলশ্চ হেজ্জুজ্জী মেলক স্তুতঃ ॥

মেলঃ সামৱৰাক্যাশ্চ মেলকঃ ।

সামন্ত নাম মেলশ্চ কোম্ভোজী মেলক স্তুতঃ ॥

মুখাৰি—সকলো স্বৰ শুদ্ধ ।

মালক গৌল্ল—চ্যুত মধ্যম চ্যুত ষড়্জনি ।

শ্ৰী—পঞ্চ শ্ৰুতি "ৰে" সাধাৰণ "গা" পঞ্চশ্ৰুতি ধা" কিষিক "নি"

সাবঙ্গ নাট—চ্যুত "ম" আৰু "গা" চ্যুত ষড়্জ ।

হিন্দোল—সাধাৰণ "গা" কিশিক "নি"

শুদ্ধৰামক্ৰিয়া—চ্যুত মধ্য "পা" চ্যুত ষড়্জনি ।

দেশাক্ষী—ছতশ্ৰুতি "ৰে" চ্যুত "মা" চ্যুত মধ্য "পা" পঞ্চ শ্ৰুতি ধা চ্যুত ষড়্জনি

কৰ্ণাত গৌল্ল—ছত শ্ৰুতি "ৰে" চ্যু "মা" চ্যুত মধ্য "পা" পঞ্চ শ্ৰুতি "ধা"

শুদ্ধ নাট—ছত শ্ৰুতি "ৰে" চ্যুত "মা" চ্যুত মধ্য "পা" ছত কিশিক "নি" ধা চ্যুত ষড় ।

আহৰী—পঞ্চ শ্ৰুতি "ৰে" সাধাৰণ "গা" চ্যুত মধ্য "পা" চ্যুত ষড়্জ ।

নাদ ৰাম কী—সাধাৰন 'গা" চ্যুত মধ্য "পা" চ্যুতষড়্জ ।

শুদ্ধ ৱৰাকী—চ্যুত "পা" চ্যুত ষড়্জ ।

ৰীতি গৌড়—পঞ্চশ্ৰুতি "ধা" কিশিক "নি"

বসন্ত ভৈৰবী—চ্যুত "ম" "গা" কিশিক "নি"

কেদাৰ গৌড়—পঞ্চশ্ৰুতি "ৰে" চাত "মা" "গা" পঞ্চ শ্ৰুতি ধা চ্যুত ষড়্জ ।

হিজুজী—অন্তৰ "গা" কাকলী "নি"

সাম ৱৰাকী—কাকলী "নি"

ৰেৱগুপ্তী—অন্তৰ "গা"

সামন্ত—ছত শ্ৰুতি "ৰে" অন্তৰ "গা" ছত শ্ৰুতি "ধা" কাকলী "নি"

কাম্ভোজী—পঞ্চশ্ৰুতি "ৰে" অন্তৰ "গা" পঞ্চশ্ৰুতি "ধা" কাকলী "নি"

**ৰাগ বিবোধ**

এই পুথি পণ্ডিত সোমনাথে লেখা । পুথিত লেখকৰ মতে ১৬১০ চন পোৱা যায় । এই পুথিৰ মতে ২৩ মেল পোৱা যায় ।

মুখাৰি—সকলো শুদ্ধ স্বৰ

ৰেৱগুপ্তি—অন্তৰ "গা"

সামৱৰালী—কাকলী "নি"

তোড়ী—সাধাৰণ "গা" কিশিক "নি"

নাদৰামক্ৰী —মৃদু "মা"

ভৈৰবী—অন্তৰ "গা" কিশিক "নি"

বসন্ত —অন্তৰ "গা" কাকলী "নি"

বসন্ত ভৈৰবী—মৃদু "ম" কিশিক "নি"

মালব গৌড়—মৃদু "মা"

ৰীতি গৌড়—তীব্ৰতৰ "ধা" কিশিক "নি"

আভীৰ নাট—তীব্ৰতৰ "ৰে" সাধাৰণ "গা" মৃদু "মা"

হমীৰ—তীব্ৰতৰ "ৰে" মৃদু "মা" মৃদু "সা"

শুদ্ধৰামক্ৰী—মৃদু "মা" তীব্ৰতম "মা।"' মৃদু "মা"

শুদ্ধৱৰাটী—সাধাৰণ "গা" তীব্ৰতম "মা" মৃদু "মা"

শ্ৰী—তীব্ৰ "ৰে" সাধাৰণ "গা" তীব্ৰতম "মা" তীব্ৰ "ধা" কিশিক "নি"

কল্যাণ—তীব্ৰতৰ "ৰে" সাধাৰণ "গা" মৃদু"পা"

কামোদী—তীব্ৰতৰ "ৰে" অন্তৰ "গা" তীব্ৰতৰ

মল্লাৰী—তীব্ৰতৰ "ৰে" মৃদু "ম" তীব্ৰতৰ "ধা" মৃদু "মা"

সামন্ত—তীব্ৰতম "ৰে" অন্তৰ "গা" তীব্ৰতম "ধা" কাকলী "নি"

কৰ্ণাট গৌড়—তীব্ৰতম "ৰে" মৃদু "মা" তীব্ৰ "ধা' কিশিক "নি"

দেশাক্ষী—তীব্ৰতম "ৰে" মৃদু "মা" তীব্ৰতৰ "ধা" মৃদু "মা"

শুদ্ধ নাট—তীব্ৰতম "ৰে" মৃদু "মা" তীব্ৰতম "ধা" মৃদু "মা"

সাবঙ্গ—তীব্ৰতৰ "ৰে" তীব্ৰতম "গা মৃদু "পা" তীব্ৰতম "ধা" মৃদু "মা"

**ছতুৰ দণ্ডি প্ৰকাশিকা**

এই পুথি পণ্ডিত বাকট মুখিয়ে লেখা । তেখেতে কেবল ১৯ টা ঠাতৰ কথা কৈছে ।



আদিমঃ সৰ্বমেলানাং মুখাৰী মেল উচ্যতে

মেলঃ সামৱৰা কাখ্যা ৰাগ স্যাতঃ পৰং মতঃ ॥

ততো ভূপাল মেলোৎথ হেজ্জুজ্জীমেল হ'ৰিত ॥

বসন্ত ভৈৰবীমেলো গৌল্ল মেলস্ততঃ পৰম ॥

ভৈৰবীমেল আহীৰ্য্য মেলঃ শ্ৰীৰাগ মেলকঃ

কাম্ভোজী মেলকোৎথ স্যাত্ শঙ্কৰাভৰণস্য চ ॥

সামন্ত মেলো দেশাক্ষী মেলো নাটস্য মেলকঃ ।

মেলঃ শুদ্ধ ৱৰাল্যাস্য ৰাগসাণতঃ পৰং মতঃ ॥

মেলঃ পন্ত ৱৰাল্যাশ্চ শুদ্ধ ৰামক্ৰিয়াযুতঃ ।

মেলঃ সিংহৰৱাৰ খ্যাস্ম স্বষ্ট ৰাগস্য মেলকঃ ॥

কল্যাণী ৰাগ মেল শ্চেত্যাহ তৈকোণ বিংশতিঃ ॥

মুখাৰী—সকলো স্বৰ শুদ্ধ ।

সামৱৰালী —সাধাৰণ "গা" কাকলী "নি"

ভূপাল—সাধাৰণ "গা" কিশিক "নি"

হেজুজী—অন্তৰ "গা"

বসন্ত ভৈৰবী —কিশিক "নি" অন্তৰ "গা"

গৌল্ল—অন্তৰ "গা" কাকলী "নি"

ভৈৰবী—পঞ্চশ্ৰুতি "ৰে" সাধাৰণ "গ" কিশিক "নি"

আহীৰী—পঞ্চশ্ৰুতি "ৰে" সাধাৰণ "গ" কিশিক "নি"

শ্ৰী—পঞ্চশ্ৰুতি "ৰে" সাধৰণ "গ" পঞ্চশ্ৰুতি "ধা', কিশিক "নি"

কাম্ভোজী—পঞ্চশ্ৰুতি "ৰে" অন্তৰ "গা" পঞ্চশ্ৰুতি "ধা" কৈশিক "নি"

শঙ্কৰ ভৰণ—পঞ্চশ্ৰুতি "ৰে" অন্তৰ "গা" পঞ্চশ্ৰুতি "ধা" কাকলী "নি"

সামন্ত—পঞ্চশ্ৰুতি "ৰে" অন্তৰ "গা" দতশ্ৰুতি "ধা" কাকলী "নি"

দেশাক্ষী—ছতশ্ৰুতি "ৰে" অন্তৰ "গা" পঞ্চশ্ৰুতি "ধা" কাকলী "নি"

নাট—ছতশ্ৰুতি "ৰে" অন্তৰ "গা" ছতশ্ৰুতি কাকলী "নি"

শুদ্ধ ৱৰালী—ৱৰালী "ম" কাকলী "নি"

পন্তুৱৰালী—সাধাৰণ "গ" ৱৰালি "ম" কাকলী "নি"

শুদ্ধ ৰামক্ৰী—অন্তৰ "গা" ৱৰালি "ম" কাকলি 'নি'

সিংহৰেৱ —পঞ্চশ্ৰুতি "ৰে" সাধাৰণ "গ" কালী
"ম" পঞ্চশ্ৰুতি "ধা" কিশিক "নি"
কল্যাণী—পঞ্চশ্ৰুতি "ৰে" অন্তৰ "গা" ৱৰালী "ম"
পঞ্চশ্ৰুতি "ধা" কাকলি "নি"

হিন্দুস্থানী সঙ্গীতজ্ঞ সকলৰ প্ৰতি আমাৰ ১০ ঠাৎ দেখুৱা হক।

আদিমঃ সৰ্ব মেলানাং বেলাবলী স্থলেঃ।
মেলঃ কল্যাণৰাগস্য খম্বাজস্য ততঃ পৰম ॥
ততো বৈৰ মেলঃ স্যাত্ পৌৰবী মেলকঃ স্ততঃ।
মাৰবাখ্যো ভবেন্মেলঃ কাকীমেল স্ততঃ পৰম।
আসাবৰী স্বমেলঃ স্যাদষ্টমী লক্ষ্যবিন্মতে।
নবমো ভৈৰী খ্যাতো দশমঃ তোড়ীকা।

বেকাবলী —সকলো শুদ্ধ স্বৰ।
কল্যাণ—কৰি মধ্যম।
খাম্বাজ—কোমল "নি"
ভৈৰৱ—কোমল "ৰে" আৰু "ধা"
পুৰবী—কোমল "ৰে" আৰু "ধা" কৰি "ম"
মাৰৱা—কোমল "ৰে" কড়ি "ম"
কাকী—কোমল "গ" আৰু "নি" শুদ্ধ "নি"
তোৰী—কোমল "ৰে" "গা" "ধা" কড়ি "ম"
ভৈৰৱী—কোমল "ৰে" "গা" "ধা" "নি"
আসাবৰী—কোমল "গা" "ধা" আৰু "নি"



# অসমীয়া ভাষাত যুৰীয়া শব্দৰ প্ৰভাৱ

শ্ৰীপ্ৰিয়দাস তালুকদাৰ

সঙ্কোচন আৰু সংযোজন নতুন শব্দ সৃষ্টিৰ দুটা প্ৰধান ক্ৰম। সঙ্কোচন আৰু সংযোজনে নতুন শব্দ সৃষ্টি কৰাৰ উপৰিও অৰ্থান্তৰ ঘটায় আৰু বিশেষ অৰ্থ প্ৰকাশ কৰে। এই সঙ্কোচন আৰু সংযোজন সাধাৰণতে সন্ধি আৰু সমাসবহে কাৰ্য্য।

সন্ধিয়ে দুটা শব্দ, উপসৰ্গ ধাতু আৰু প্ৰত্যয় শব্দ আৰু প্ৰত্যয় সংযোগ কৰে। এই সংযোগে কিছু পৰিমাণে সঙ্কোচনো কৰে। সমাসে বাক্য সঙ্কোচন কৰি শব্দ সংযোজন কৰে। সন্ধিয়ে শব্দৰ গাঠনি আৰু সমাসে শব্দৰ শক্তি সামৰ্থ্যলৈ লক্ষ্য ৰাখি সংকোচন আৰু সংযোজন কৰে।

দুটা শব্দ সঙ্কোচন নকৰাকৈ সংযোজন হব পাৰে। অৰ্থাৎ শব্দ দুটা জোৰা নালাগি লগালগি হয়। এনেবোৰ শব্দ সমাস-সিদ্ধ কৰি তৈয়াৰ কৰাৰ উপৰিও সুশ্ৰাব্য, সুপাঠ্য আৰু ভাবোন্মেষক কৰিবলৈ আৱশ্যক অনুযায়ী সংযোজন কৰি লব পাৰি।

অসমীয়া ভাষাত এনেধৰণৰ দুটীয়া শব্দবোৰক যুৰীয়া শব্দ নাম দিয়া হৈছে। অসমীয়া ভাষাত যুৰীয়া শব্দ অনেক। প্ৰায়বোৰ শব্দৰে এটা যুৰীয়া আসক্তি থকাৰ কাৰণে যেতিয়াই তেতিয়াই এইবোৰ শব্দ তৈয়াৰ কৰি লব পাৰি।

সাধাৰণতে আনুপ্ৰাসিক, সমাৰ্থক, সমপৰ্যায়ক আৰু বিপৰীতাৰ্থক শব্দৰ যোগত যুৰীয়া শব্দ তৈয়াৰ কৰা হয়। যুৰীয়া আসক্তিৰ কাৰণে নিৰৰ্থক শব্দ যোগ কৰি যুৰীয়া শব্দ তৈয়াৰ কৰাৰ সুবিধা আছে। কেতিয়াবা কেতিয়াবা দুয়োটা অৰ্থহীন শব্দ সংযোজন কৰিও ভাৱ প্ৰকাশৰ কাৰণে যুৰীয়া শব্দ তৈয়াৰ কৰা হয়। দুয়োটা শব্দৰে অৰ্থ থকা যুৰীয়া শব্দ খং ৰাগ, ৰং-ধেমালি, হয়হয়, অলৰ-অচৰ, লিৰিকি-বিদাৰি ইত্যাদি। এটা নিৰৰ্থক শব্দৰ যোগত হোৱা যুৰীয়া শব্দ আউল-জাউল, ইননি-বিননি আজোৰ-পিজোৰ, উক-মুক, ৰং চং আমন-জিমন অথালি-পথালি, ইত্যাদি।

দুয়োটা নিৰৰ্থক শব্দৰে হোৱা যুৰীয়া শব্দ ওচ মোচ আং-বাং উদুলি-মুদুলি কেত-কেত ইত্যাদি।

১। আনুপ্ৰাসিক বা দ্বিত্ব শব্দ

অনুপ্ৰাস কবিতাৰ বস্তু। অসমীয়া ভাষাৰ গদ্য পদ্য উভয়তে অনুপ্ৰাসৰ প্ৰাচুৰ্য্য আছে আৰু এই প্ৰাচুৰ্য্যৰ কাৰণেই অসমীয়া ভাষা সুকোমল সুৰদী সুৰীয়া কাব্যিক ভাষা।

অসমীয়া ভাষাৰ গদ্যত শব্দানুপ্ৰাস আৰু বৰ্ণানুপ্ৰাস, এই দুই প্ৰকাৰ অনুপ্ৰাস ব্যৱহাৰ হয়। একেটা শব্দই ভিন ভিন ঠাইত ভিন ভিন অৰ্থ প্ৰকাশ কৰিলে তাক যমক বোলা হয়। যেনে

হৰিত আছিল হৰি
হৰি স্নান কৰি
হৰিক দেখি হৰিত লুকাল
ত্ৰাহি হৰি বুলি ॥

ইয়াত হৰিৰ অৰ্থ ক্ৰমে পদুমফুল, বেং, সূৰ্য্য, সাপ, পানী আৰু ভগৱান বুলি কোৱা হৈছে। অৰ্থাৎ এটা বেং পদুম ফুলৰ পাতৰ ওপৰত বহি ৰ'দ লৈ আছিল। এটা সাপে বেংটো দেখি কাঢ় অহা দি আহিল। সাপৰ ভয়ত বেঙে হে ভগবান কৰা বলি ৰক্ষা পানীত বুৰ মাৰিলে ।

যেতিয়া এটা শব্দই ভিন অৰ্থ নুবুজাই দ্বিত্ব হৈ একেটা অৰ্থকে প্ৰকাশ কৰে তেতিয়া তাক শব্দানুপ্ৰাসিক যুৰীয়া শব্দ বুলি কব পাৰি। অসমীয়া ভাষাৰ ধ্বন্যাত্মক শব্দবোৰ শব্দানুপ্ৰাসিক যুৰীয়া শব্দ যেনে টং-টং, টেং-টেং ৰিণ-ৰিণ, ৰিব-ৰিব, কুল-কুল, বিৰ-বিৰ, হিৰ-হিৰ, গিৰ-গিৰ, ঘট-ঘট, কৰ-কৰ, কচ-কচ, কট-কট, কেং-কেং, মৰ-মৰ, জন-জন, জুন-জুন, টপ-টপ, টপৰ-টপৰ ইত্যাদি ।

ইয়াৰ উপৰিও বিভিন্ন অৰ্থত ব্যৱহাৰ হোৱা দ্বিত্ব শব্দ বহুত আছে:

(১) আসন্ন অৰ্থত— হয়-হয়, যায়-যায়, কান্দো-কান্দো ।

(২) অৱস্থা বুজাবলৈ— তপতে তপতে, গৰমে, গৰমে, ভালে ভালে ।

(৩) পুনঃ পুন অৰ্থত বাৰে বাৰে, মনে মনে, দিনে দিনে,

(৪) বহুবচন বুজাবলৈ— ঘৰে, ঘৰে, জনে জনে, দলে দলে, গছে গছে,

কলহে কলহে, মুঠিয়ে মুঠিয়ে, পাচিয়ে পাচিয়ে ভাল-ভাল, ডাঙৰ-ডাঙৰ, বৰ-বৰ, গেলা-গেলা

(৫) ব্যতিহাৰ অৰ্থত—হাতে হাতে, চকুৰে চকুৰে, কথাই কথাই

(৬) অপ্ৰকাশ্য অৰ্থত— মনে মনে, কাণে কাণে, পেটে পেটে, তলে তলে,

(৭) অতিশয় অৰ্থত— টিক টিক, কেত কেত, লেং লেং, চেং চেং ।

(৮) নিশ্চয়তা বুজাবলৈ— আখৰে আখৰে, দেখ দেখ, সত্যে সত্যে, জল জল, পট পট,

(৯) চলি থকা অৰ্থত— গৈ গৈ, নাচি নাচি, কৈ কৈ, ভাবি ভাবি, চাই চাই, হাঁহি হাঁহি, বৈ বৈ বহি বহি, শুই শুই ।

(১০) দীঘলীয়াকৈ বিস্তৃত অৰ্থ— বাটে বাটে, পাৰে পাৰে, বামে বামে, পাছে পাছে, আগে আগে, নাৰে নাৰে ইত্যাদি ।

**বৰ্ণানুপ্ৰাসিক যুৰীয়া শব্দ তিনি প্ৰকাৰৰ**

(১) আদ্যানুপ্ৰাসিক— ডা-ডাঙৰীয়া, বা-বাতৰি, বা বতাহ, চা-চিনাকী, কণ-কঠিয়া, আলৈ-আহকাল, সভা-সমিতি, আলৈ-আপদ, বিপদ-বিঘিনি

(২) অন্ত্যানুপ্ৰাসিক — অঁকা-বকা, আঁক-বাক, আমা-ডিমা, আশে-পাশে, দিহা-পোহা, হাতে-পাতে, ৰ'দ-বাদ, আতৌ-পুতৌ, অদল-বদল, আও-ভাও, আং-বাং আজোৰ-পিজোৰ, আতি-পুতি, অনাই-বনাই, অগীয়া বগীয়া, আলেখ-লেখ, উথপ-থপ, ।

(৩) আদ্যান্ত্যানুপ্ৰাসিক— অথিৰ-অবিৰ, অলৰ-অচৰ, ওলোটা-ওভোটা, অজৰ-অমৰ ইত্যাদি ।

২। সমাৰ্থক যুৰীয়া শব্দ— চুকে-কোণে, চিঠি-পত্ৰ, বাট-পথ, হাবি-বন, খবৰ-বাতৰি, জোৰ-বল, মাজে-মধ্যে, সভা-সমিতি, মৰম-চেনেহ, দায়-দোষ, কাম বন, বং-ধেমালি, হাট-বজাৰ, মাত-বোল, নিবহ-নিপানী, গছ-বিৰিখ, দেখা-সাক্ষাৎ, ঘহি-পিহি, ওলোটা-ওভোটাই ইত্যাদি

৩। সম পৰ্য্যায়ক যুৰীয়া শব্দ— ভাত পানী , খেতি পথাৰ, শাক-পাচলি, নিমখ-তেল, তেল-নিমখ, বোকা পানী, ডাঙৰ-দীঘল, সনা-পোটোকা, হাত ভৰি, গাওঁ ভূঁই, কল-কব্জা, গা-মুৰ, গাখীৰ-পানী ইত্যাদি।

৪। বিপৰীতাৰ্থক যুৰীয়া শব্দ : ভাল-বেয়া, দ-বাম, বগা-কলা, সৰু-বৰ, দিন-ৰাতি, চুটি-দীঘল, ন-পুৰণি সঁচা মিছা, উঠি পৰি, কেঁচা পকা, আগ-পাছ, আহ যাহ ইত্যাদি ।

৫। নিৰৰ্থক শব্দ যোগ কৰি কৰা যুৰীয়া শব্দ তেল-কুৰ, কষ্টে-মষ্টে, লাং-পাং



অসমীয়া ভাষাত যুৰীয়া শব্দবোৰৰ এটি বিশেষ স্থান আছে। ভাষাক সুৱদী সুৰীয়া কৰাৰ উপৰিও যুৰীয়া শব্দবোৰে ভাষাৰ জতুৱাঠাচ ৰক্ষা কৰে। এই কথালৈ বিশেষ লক্ষ্য নাৰাখি অনেকে ভাত-চাত, খৰি-চৰি, কাপোৰ-চাপোৰ, জলপান-চলপান টকা চকা, চাহ-তাহ আদি যুৰীয়া শব্দ ব্যৱহাৰ কৰে। আমাৰ মতে যিবোৰ যুৰীয়া শব্দ আমাৰ ভাষাত প্ৰচলন আছে সেইবোৰ ব্যৱহাৰ কৰিলে আৱশ্যক হলে অনুৰূপ শব্দ লগাই নতুন যুৰীয়া শব্দ কৰা উচিত। আমাৰ ভাষাত ভাত-পানী, খৰি-কাঠ, কাপোৰ-কানি, কানি-কাপোৰ, জা-জলপান, টকা-সিকা টকা-কড়ি, টকা-পইচা, চাহ-পানী, আদি সুন্দৰ সুৱলা যুৰীয়া শব্দ আছে। উপযুক্ত শব্দ সম্ভাৰ থকাত অন্য শব্দ ব্যৱহাৰ কৰা অনুচিত। তেনে কৰিবলৈ গলে ভাষা বিজতৰীয়া হে হয় ।

সাধাৰণতে যুৰীয়া শব্দবোৰৰ প্ৰধান শব্দটো আগত বহে। যেনে চাউল-পাত, টকা-সিকা বেমাৰ-পাতি, দৰব-জাতি, গাখীৰ-পানী, খাজনা-পাতি, মেল মৰবাৰ ইত্যাদি ।

কিন্তু এটি আখৰীয়া শব্দ বা যি শব্দ আদিত স্বৰবৰ্ণ থাকে তেনে শব্দ গৌণ হলেও আগত বহিব পাৰে যেনে বা-বাতৰি, খা-খবৰ, উপাক-পাক, অলিয়া বলিয়া, ইনাই-বিনাই, আমা-ডিমা অখালি-পখালি, আউলি-বাউলি, ওজ-বাজ, উচাল-পাচল, এড়ুৰ-ভেড়ুৰ ইত্যাদি।

দুয়োটা শব্দ সমাৰ্থক, সমপৰ্য্যায়ক বা বিপৰীতাৰ্থক হলে চুটি শব্দটো আগত বহে যেনে শাক-পাচলি, খোৱা-কামোৰা, খেতি-পথাৰ সনা-পোটকা জয়-পৰাজয় চুটি-চাপৰ ।

কোনো কোনো স্থলত ইয়াৰ ব্যতিক্ৰমো দেখা যায় ।

যেনে — বতাহ-বা, কাপোৰ-কানি,

আন্ত্যানুপ্ৰাসিক যুৰীয়া শব্দত প্ৰথম শব্দৰ আদি আখৰটো আকাৰান্ত কৰি এক আখৰীয়া শব্দও যোগ কৰা হয় যেনে —

কা-কথা, বা-বতাহ, চা-চিনাকী

কিন্তু আন্ত্যানুপ্ৰাসিক যুৰীয়া শব্দৰ প্ৰথম শব্দটোত অ, আ, ম, ত আদি যোগ কৰিহে লোৱা হয়। যেনে

আতোল-তোল, আমোল-মোল, উথপ-থপ, অলো লো, তলো লো ইত্যাদি ।

'ন' বা 'নি' যোগ কৰি আন্ত্যানুপ্ৰাসিক যুৰীয়া শব্দ তৈয়াৰ কৰিলে 'ন' বা 'নি' যুক্ত শব্দটি পাছলৈ যায়। যেনে—

হয় নহয়, চয়-নিচয় গুন-নুগুন, ইত্যাদি ।

ভাষাৰ বিশেষ জ্ঞান আহৰণ কৰিবলৈ হলে অসমীয়া ভাষাৰ যুৰীয়া শব্দবোৰৰ গঠন আৰু ব্যৱহাৰ ভালকৈ শিকি লোৱা উচিত। এইকাৰণেই অসমীয়া ভাষাৰ ব্যাকৰণসমূহত যুৰীয়া শব্দ সম্বন্ধে এটা অধ্যায় থকা বিশেষ আৱশ্যক ।

# তত্ত্বকথা

*লক্ষ্মীনাথ বেজবৰুৱা

"যতোবা ইমানি ভূতানি জায়ন্তে ।
যেন জাতানি জীৱন্তি ।
যৎ প্ৰয়ন্ত্যভিসংবিশন্তি ।
তদ্বিজিজ্ঞাসস্বতদ্ব্ৰহ্ম ।" (উপনিষদ)

অৰ্থাৎ যাৰ পৰা এই ভূতসকল উৎপন্ন হৈ যাৰ দ্বাৰাই জীৱিত থাকে আৰু প্ৰলয়ত যাৰ ফালে যায় আৰু যত প্ৰৱেশ কৰে তেওঁকে বিশেষকৈ জানিবলৈ ইচ্ছা কৰা; তেৱেঁই ব্ৰহ্ম ।

"দশদিগপাল সমে জগত সমস্ত ।
তোমাতেসে উপজে তোমাতে হোৱে অস্ত ।
তোমাতে সমস্তে ব্ৰহ্ম মহাপদে বড়ে ।
যেন যৈতো ভৰি দিলে পৃথিবীতে পড়ে ॥"(শঙ্কৰদেৱ)

এনেকুৱা জানেই সৎ চিৎ আনন্দ ব্ৰহ্ম। এনেকুৱা ব্ৰহ্মকে জানিবে ভাইসকল তেওঁক ভজনা কৰা ।

"আনন্দ ব্ৰহ্মক যিটোজনে ভজে স্বামী ।
তাহাৰ মহিমা আৰ কি কহিবো আমি ॥"(শঙ্কৰদেৱ)

"আনন্দং ব্ৰহ্মণো বিদ্বান ন বিভেতি কুতশ্চন ।
যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ ।"(উপনিষদ)

'যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ ।
নপাৰে বচনে মনে ওচৰ ॥
নাহি উতপতি নাহি মৰণ ।
সদায়ে প্ৰণামো তাৰ চৰণ ॥ (শঙ্কৰদেৱ)

"জন্মাদস্য যতোম আদি" । (শ্ৰীমদ্‌ভাগৱত)

"আপুনি সৃজিলা চৰাচৰ দেহ যত ।
সমস্ত ঐশ্বৰ্য্য ভাৱে আছা সমস্তত ॥
জীৱ অঙ্গে তুমি প্ৰৱেশিলা গাৱে গাৱে ।
আবে আমি তোমাক ভজোহা সৰ্ব্বভাৱে ।
তোমাৰেসে অংশ আমি যত জীৱজাক ।
তোমাৰ মায়ায়ে প্ৰভু বান্ধিলে আমাক ॥"( শঙ্কৰদেৱ)

"তুমি সত্যব্ৰহ্ম তোমাতে প্ৰকাশে
জগত ইটো অনন্ত ।
জগততে সদা তুমিও প্ৰকাশা
অন্তৰ্যামী ভগৱন্ত ॥
এতেকেসে জ্ঞানী গণে অৱশেষি
জগতকে বোলে হৰি ।
আবে জগজ্জীৱ তোমাৰ চৰণ
ভজো হৃদয়ত ধৰি ॥" (শঙ্কৰদেৱ)

"অসত্ত জগতখান তোমাত উদ্ভৱ ভৈল
সত্ত হেন প্ৰকাশে সদায় ।
কৰ্ম্মজড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজে অভিপ্ৰায় ॥"

"মুকুট কুণ্ডল যেন সুবৰ্ণৰ ভিন্ন নুহি
মিছা মাত্ৰ নাম ৰূপ যত ।
অহঙ্কাৰ পৰভূত তোমাত পৃথক নুহি
প্ৰভু পৰামৰ্থ বিচাৰত ।" (শঙ্কৰদেৱ)



এতেকে হে প্ৰভু ! হয় মোক তোমাৰ পৰম জ্ঞান দিয়া, যি জ্ঞানখণ্ড দুখবিহীন । মোক উদ্ধাৰ কৰা । নতুবা তুমি মোক শ্ৰৱণ কীৰ্ত্তন ভক্তি দিয়া, তেনেহলে মই হেলাৰঙে সংসাৰ সাগৰ পাৰ হৈ যাব পাৰোঁ, আৰু বেদ বিহিত বিঘ্ন সঙ্কুল ক্ৰিয়া কাণ্ডৰ অধীন হৈ চলিবও নালাগিব ।

"তোমাৰ পৰম জ্ঞান মাধৱ দিয়োক মোক
যিটো খণ্ড সুখে দুখে হীন ।
নুহি নাৰায়ণ দিয়া শ্ৰৱণ কীৰ্ত্তন ভক্তি
নোহো যেন বেদৰ অধীন ॥" (শঙ্কৰদেৱ)

জ্ঞানেই বা এই ক্ষুদ্ৰাতি ক্ষুদ্ৰ মনুষ্যৰ কিমান প্ৰাপ্য ! "ব্ৰহ্মায়ো নপাই অন্ত তোমাক নাজানে বেদে আপুনিয়ো নাজানা সমূলি ।"

সেইদেখি তোমাৰ চৰণত ধৰি চাৰিবেদ অষ্টাদশ পুৰাণ বেদান্ত ভাগৱতৰ সাৰতত্ব ভক্তি বস্তুক মই সাৰ বুলি ধৰিলো, কাৰণ

"শ্ৰৱণ কীৰ্ত্তন বিনা আন পুণ্যে নাপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ ॥"

"জ্ঞান অভ্যাসকো কহো নেদেখি বিশেষ ।
শ্ৰৱণ কীৰ্ত্তন তৰে সংসাৰ ক্লেশ ।" (শঙ্কৰদেৱ)

সেই দেখি হে প্ৰভু দয়াময়। তোমাৰ ভক্তৰ সঙ্গ মোক দিয়া, ভক্তৰ সঙ্গত তোমাৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰি "ধৰ্ম্ম অৰ্থ কাম মোক্ষ যেন তৃণসম" কৰিব পাৰো ।


"হে কৃষ্ণ পুত্ৰ পত্নী সঙ্গ তাজি তয়ু কথা শুনি নিতো
গৰ্ব্বশূন্য সন্ত সবৰ আশ্ৰয়ে যাইবোঁ ।
তাৰ মুখপদ্ম হন্তে বাজ হইবে তয়ু অমৃত নদী
তাতে মগ্ন হয়া দেহাৰ হাত এৰাইবো ॥"
(মাধৱদেৱ)

হে প্ৰভু !

"প্ৰেমভাৱে সুদুৰ্লভ তোমাৰ স্মৰণ ।
যেন তেন মতে কৰো শ্ৰৱন কীৰ্ত্তন ॥"(শঙ্কৰদেৱ)

"হে প্ৰভু নৰহৰি তোমাৰ চৰণ দুইক
প্ৰেমভাৱে স্মৰণ দুৰ্লভ ।
যথা কথঞ্চিত ৰূপে অহৰ্নিশে প্ৰভু মোৰ
সুমৰণ হউক সুলভ ॥" (মাধৱদেৱ)

* বাঁহী ২০ শ বছৰ ৯ম সংখ্যা, পুহ, ১৮৫৩ শক ।



# ৰজাদুৱাৰৰ দৌলগোবিন্দ

শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী

অসমীয়া নামঘৰ বা কীৰ্ত্তন ঘৰবিলাকত স্থাপন কৰা মূৰ্ত্তি কিছুমানৰ স্বকীয়াকৈ একোটি ইতিবৃত্ত আছে। তাৰ ভিতৰতে দুই এটিৰ ইতিবৃত্ত ইমান আকৰ্ষণীয় যে জনসাধাৰণে মূৰ্ত্তিজনাৰ মাহাত্মত মুগ্ধ হৈ দূৰণিৰ পৰা আহিও ভোগ নৈবেদ্য আদিৰে নিবেদন জনাইছি। তেনেকুৱা শক্তি সম্পন্ন মূৰ্ত্তি এজনাৰ বিষয়ে এই প্ৰবন্ধত আলোচনা কৰিবলৈ লোৱা হ'ল।

পুৰাণ আৰু বুৰঞ্জীত খ্যাত প্ৰাগজ্যোতিষপুৰ মহানগৰীৰ একাংশ উত্তৰ গুৱাহাটী নগৰৰ পূব প্ৰান্তৰ ৰজাদুৱাৰত অৱস্থিত শ্ৰীশ্ৰী৺দৌল গোবিন্দ মহাপ্ৰভুৰ আলৌকিক আৰু দৈৱিক কাৰ্য্যাৱলীৰ বিষয়ে কেওঁআষাৰমান উনুকিয়াবলৈ আগবাঢ়িলো। এই মূৰ্ত্তিজনাৰ বিষয়ে এটি জনশ্ৰুতি আছে। মূৰ্ত্তিজনাৰ প্ৰভাৱত প্ৰভাৱান্বিত হৈয়েই দূৰস্থান বোম্বাই, এলাহাবাদ, কলিকতা, চিলং ডিব্ৰুগড় যোৰহাট আদিৰ পৰা যাত্ৰীসকল আহি ভোগ, নৈবেদ্য, সলিতা আদি উচৰ্গা কৰি নিজকে কৃতাৰ্থ মানি আছে। এই মূৰ্ত্তিজনাক কেনেকৈ ৰজাদুৱাৰ নামঘৰত স্থাপন কৰিব পালে, আদিতে কোন স্থানৰ পৰা কি উপায়েৰে উদ্ধাৰ কৰি আনয়ণ কৰা হৈছিল সেই বিষয়ে এটি আকৰ্ষণীয় জনশ্ৰুতি আছে।

জনপৰম্পৰাৰ মুখে শুনিব পোৱা যায় যেতিয়া আহোম শাসনত কামৰূপত দন্দুৱাদ্ৰোহ হৈ কামৰূপৰ মুখ্য প্ৰজাসকলে মুক্তি যুদ্ধৰ মুখ্যাৰ হৈ ৰজাৰ বিপক্ষে অস্ত্ৰ ধৰিবলৈ মন কৰি কোচবেহাৰ, গোৱালপাৰা আদি ঠাইৰ পৰাও সৈন্য সংগ্ৰহ কৰি যুদ্ধত নামিছিল সেই দ্ৰোহৰ নেতা হৰদত্ত আৰু বীৰদত্তই কেৰাখনো ৰণত হাৰি গা ঢকা দি ফুৰিবলৈ বাধ্য হৈছিল; তেওঁলোকে তেওঁলোকৰ নিজ নামঘৰত প্ৰতিষ্ঠা কৰা গোবিন্দ মূৰ্ত্তিজনা লগত পৰা নেৰিছিল। মূৰ্ত্তিজনাৰ ওপৰত তেওঁলোকৰ অটল বিশ্বাস আছিল আৰু কোনোবাই অৱমাননা কৰে বুলি শংসয় কৰি অৱশেষত উপায় নাপাই বঙিয়া এলেকাৰ সন্ধ্যাজাৰ নামৰ গাওঁ এখনৰ নিৰ্জ্জন চাপৰি এখনত মাটিৰ তলত গাঁত খান্দি লুকাই থৈছিল। কাল ক্ৰমত ভালেমান বছৰৰ পিচত সন্ধ্যাজাৰৰ অধিবাসীসকলৰ এঘৰ মানুহৰ এজনী কপিলী গাইয়ে সদায় প্ৰাতঃ সময়তে সেই স্থানৰ ওপৰতে গজা বিৰিণাৰ জোপাটোৰ ওপৰতে গাইজনীক গৃহস্থই এৰি দিয়া মাত্ৰকে দৌৰি আহি তাইৰ ওহাৰৰ পৰা গাখীৰ ঢালা স্থানীয় লোকসকলৰ চকুত পৰিল। সেই সময়ত ৰজাদুৱাৰৰ মজিন্দাৰ বৰুৱাৰ ঘৰৰ এজন সম্ভ্ৰান্ত লোকৰ সেই অঞ্চলত বহুজনী আছিল। তেওঁ খাজনা আদি আদায় কৰিবলৈ যাওঁতে ৰায়তসকলৰ মুখত সেই অদ্ভূদ গাইজনীৰ কথা শুনি কেইজনমান ৰায়তক লগত লৈ সেইস্থানত উপস্থিত হ'লগৈ আৰু নিজ চকুৰে সকলো দেখি স্থানীয় লোক সকলেৰে আলোচনা কৰিলে, অৱশেষত বিৰিণা জোপাৰ তলত কি আছে খান্দি চোৱাটোকে স্থিৰ কৰিলে। মাটি ভালেখিনি খান্দি তোলাৰ পিচত এজনা কৃষ্ণ মূৰ্ত্তি পালে। মূৰ্ত্তিজনা উলিয়াই পানীৰে ধুই দেখিলে মূৰ্ত্তিজনা দেখিবলৈ ধুনীয়া আৰু কষ্তি পাথৰেৰে নিৰ্ম্মিত। মূৰ্ত্তিজনা উদ্ধাৰ কৰি গাওঁৰ লোকসকলৰ সন্মতিক্ৰমে বৰুৱাই লগত ঢোল-দগৰ লৈ পদব্ৰজে উত্তৰ গুৱাহাটীত থকা তেওঁৰ গুৰুজনা দিহিং সত্ৰাধীকাৰ গোসাইৰ ওচৰলৈ আনিলে; কিন্তু সত্ৰাধীকাৰ গোসাঁয়ে তেখেতৰ নিজা মূৰ্ত্তি জনাৰ উপৰি আৰু এজনা মূৰ্ত্তিৰ পূজা সেৱাৰ দায়িত্ব বহন কৰাৰ অসুবিধা দেখুৱাই ৰজাদুৱাৰৰ নাম ঘৰতে ৰাখি পূজা সেৱা চলাবলৈ দিহা পৰামৰ্শ দিলে। গুৰুবাক্য লংঘন কৰিব নোৱাৰি শিষ্য বৰ্গই ৰজাদুৱৰালৈকে আনি যথাৰীতি অনুযায়ী নামঘৰত স্থাপন কৰিলে। মূৰ্ত্তিজনাক আনিয়েই ৰজাদুৱাৰ দৌলঘৰত তুলিব লগীয়া হোৱাত শ্ৰীশ্ৰীদৌল গোবিন্দ নামকৰণ কৰিলে। সেই সময়ত ৰজাদুৱাৰ নামঘৰত শ্যামৰায় নামৰ মূৰ্ত্তি এজনাৰ নিয়মিত ৰূপে পূজা সেৱা চলি আহিছিল আৰু নিত্য নৈমিত্তিক ভোগ আদিও চৰাই আছিল। দুজনা মূৰ্ত্তি হোৱাত কোন জনাক প্ৰথমতে পূজা কৰিব ভাবি স্থিৰ কৰিব নোৱাৰি পূজাৰী বিয়োৰত পৰিল।

পূজাৰীয়ে অগত্যা মূৰ্ত্তিদুজনাৰ আগত সন্ধ্যা সলিতা জ্বলোৱাৰ সময়ত সাষ্টাঙ্গ প্ৰণিপাত কৰি নিবেদন জনালে "প্ৰভুসকল। আপোনাসকলৰ ভিতৰত কোন জনে পূজা আগধৰি ল'ব মই ভাবি অস্থিৰ হৈছোঁ। কৃপা কৰি যি জনে আগধৰি পূজা লব খোজে নিজে নিজেই এখোজ আগুৱাই থাকে যেন। এই বুলি জনাই গধুৰ মনেৰে বিচনাত পৰিল কিন্তু ভালকৈ টোপনি নাহিল। পুৱা স্নান কৰি পূজা কৰিবলৈ নামঘৰত উপস্থিত হৈ দেখি আচৰিত হ'ল যে নতুনকৈ অহা শ্ৰীশ্ৰীদৌল গোবিন্দ প্ৰভুৱে দেখোন এখোজ আগ হৈ আছে। চিন্তাৰ পৰা অব্যাহতি পাই পূজাৰীয়ে আনন্দ মনেৰে শ্ৰীশ্ৰীদৌলগোবিন্দ প্ৰভুক প্ৰথমতেই পূজা কৰি শ্ৰীশ্ৰীশ্যামৰায়ৰ পিচত পূজা সমাধা কৰি ভোগ চৰাই ভোগ বিতৰণ কৰি ঘৰ মুৱা হ'ল।

এইদৰে দুজনা মূৰ্ত্তিক সদা সৰ্ব্বদায় পূজা পাতল দিবলগীয়া হোৱাত পূজাৰীয়ে আমনি পাব ধৰিলে। কিন্তু পূজা নকৰাকৈ কেনেকৈ থাকিব? এদিনাখন তাৰ ভিতৰতে এটা ঘটনা ঘটি উঠিল। মূৰ্ত্তি থোৱা মণিকূট ঘৰটি ইকৰাৰ বেৰৰ। সেই মণিকূটটিৰ বাহিৰৰ ফালে দুটা খোৰাই সদায় ঘাঁহ খাই থাকে, এদিন দুয়োটাৰে ... লাগি গোৰত মণিকূটটোৰ ভিতৰ ফালে সিংহাসনত থকা শ্যামৰায় মূৰ্ত্তিজনাৰ হাত এখন পৰি ভাঙি গ'ল। অঙ্গ হানি হোৱাত তেতিয়াৰ পৰা শ্ৰীশ্ৰী শ্যামৰায়ৰ পূজা বৰ্জ্জিত হ'ল আৰু শয়ন অৱস্থাতে মূৰ্ত্তিজনাক সদায় ৰাখিব লগীয়াত পৰিল। শ্ৰীশ্ৰীদৌলগোবিন্দ মহাপ্ৰভুৱেই পূজা সেৱা অকলই লব ধৰিলে। তেৱোঁ নিজ মাহাত্মতে শ্ৰীশ্ৰীশ্যামৰায় তেনে অৱস্থা হ'ল বুলি লোকে কয়।

ৰজাদুৱাৰৰ নামঘৰটি পূৰ্ব্বতে দিহিঙীয়া খেলৰ আছিল যদিও পৰৱৰ্ত্তী কালত বাইজৰ উমৈহতীয়া নামঘৰ হয়গৈ। তাত বিশেষকৈ সাচিপতীয়া ভাগৱতহে নাম প্ৰসঙ্গ কৰে। মূৰ্ত্তিপূজা নিত্য নৈমিত্তিক হিচাবে হৈ থাকিলেও ভাগৱতৰ আগত নাম প্ৰসঙ্গ কৰাতহে প্ৰাধান্য দিয়ে।

শ্ৰীশ্ৰীদৌল গোবিন্দ মহাপ্ৰভুৰ মাহাত্মৰ বিষয় অসমৰ বহুলোকে জনাৰ বাহিৰেও অন্য বহু ৰাজ্যৰ মানুহে মূৰ্ত্তি জনাৰ মাহাত্ম শুনি পৰমান্ন, মাহচাউলৰ ভোগ আৰু তেল শলা আগবঢ়াই থাকে। সেই জনাৰ মহাত্মাৰ কথা দুই চাৰিটি প্ৰকাশ কৰিবলৈ লোভ সামৰিব নোৱাৰি পাঠকবৰ্গৰ কৌতুহল নিবাৰণৰ অৰ্থে উল্লেখ কৰিবলৈ আগবাঢ়িলো। বুঢ়ালোকসকলে কয় শ্ৰীশ্ৰীদৌলগোবিন্দ বৰ কল প্ৰিয় আৰু ইচ্ছা হ'লেই যাৰ বাৰীতে ভাল কল পৰা দেখে বহু দূৰৈ হ'লেও গৃহস্থক সপোনতে দেখুৱাই কল আদায় কৰে। দৰং জিলাৰ কলাই গাওঁ অঞ্চলৰ এজন খেতিয়কৰ বাৰীত এঠোক নতুন গছৰ মালভোগ মোক খা মোক খা কৰি আছিল। শ্ৰীশ্ৰীদৌল গোবিন্দ প্ৰভুৱে সেই কলঠোক তেওঁৰ থানত লগাবলৈ গৃহস্থক সপোন দেখুৱালে।

সপোন দেখি খেতিয়ক জন বিমোৰত পৰিল। শ্ৰীশ্ৰী দৌলগোবিন্দৰ থান কোন ঠাইত তেওঁ নাজানে কিন্তু কলঠোক নলগালেও বিপদ হোৱাৰ ভয় আছে গতিকে মানুহক সুধি পুচি এজন সঙ্গীলৈ ভাৰ বান্দি প্ৰায় দুই আঢ়ৈ হাত দীঘল কলৰ ঠোকটো কোনোমতে ঠায়ে ঠায়ে জিৰণি লৈ প্ৰায় ৪০।৪৫ মাইল দূৰৈৰ নামঘৰত পিচদিনাখন উপস্থিত হ'লহি। অতি ভক্তিৰে কলঠোক আগ বঢ়াই শ্ৰীশ্ৰী দৌলগোবিন্দ প্ৰভুৰ অভিলাষ পূৰ্ণ কৰি হৃষ্ট চিত্তে ঘৰলৈ ফিৰি গ'ল। আৰু এটি কাহিনী আছে—সৈন্য বিভাগৰ এজন অসমীয়া নাম জনা উচ্চ বিষয়াৰ দ্বিতীয় মহাযুদ্ধৰ যুদ্ধ খলিলৈ যাবৰ আহ্বান পৰিল। সেই সময়ত তেওঁ গা অসুখৰ নিমিত্তে দীঘলীয়া ছুটী লৈ ঘৰতে আছিল। ৰণস্থলী লৈ আহ্বান পৰাত আতঙ্কিত হৈ পৰিল। ঘৰৰ পৰিয়ালৰ ভিতৰতো বিষাদে দেখা দিলে, কিয়নো সেই সময়ত যুদ্ধস্থলীলৈ যোৱা বেচি ভাগ বিষয়াই ফিৰি আহিব পৰা নাছিল। এজন বন্ধুৱে তেওঁক ৰজাদুৱাৰৰ শ্ৰীশ্ৰীদৌলগোবিন্দ থানলৈ পৰমান্নৰ ভোগ আৰু এটা অখণ্ড প্ৰদীপ আগবঢ়াবলৈ পৰামৰ্শ দিলে। আতুৰত তেওঁ তাকে কৰিলে কিন্তু যোৱা তাৰিখৰ আগদিনালৈকে হুকুমৰ তাৰতম্য নোহোৱাত সকলোৰে পৰা বিদায় লৈ বিষণ্ণ মনেৰে থাকোতে সৈন্য বিভাগৰ পৰা এখন জৰুৰী টাৰত যাব নেলাগে বুলি খবৰ অহাত গোটেই পৰিয়ালটোৱে বৰ আনন্দ পালে। পিচদিনাখনেই বহু মাইল দূৰৈত থকা শ্ৰীশ্ৰীদৌল গোবিন্দৰ থানলৈ নাওঁৰেৰে আহি লৈ যোৱা ভোগ শৰা আদি লগাই ভক্তি ভাৱে প্ৰণাম কৰি ঘৰলৈ ফিৰি গ'ল। তেতিয়াৰ পৰা আজিলৈকে প্ৰায় প্ৰত্যেক বছৰতে একোখন কৈ নৈবেদ্য তেওঁলোকে সেই থানত লগায়। এবাৰ এগৰাকী মহিলাৰ এধাৰ মণি হেৰাল। সোণহেৰোৱাত বিপদৰ আশঙ্কাত তেওঁ চিন্তিত হৈ আছিল। তেখেতৰ হিতাকাংক্ষী এগৰাকী মহিলাই শ্ৰীশ্ৰীদৌল গোবিন্দৰ থানলৈ এখনপৰমান্নৰ ভোগ আৰু ঘিউৰ চাকি এগচ আগবঢ়াবলৈ ৰবকৈ কলে। তেখেতে দিহা দিয়া মতেই আগবঢ়োৱাত কেইদিনমানৰ পিচত ওচৰতে বনৰ মাজত মণিধাৰ পৰি থকা পালে আৰু থানৰ মাহাত্ম্য দেখি ততাতৈয়াকৈ ভোগ লগালেগৈ। এবাৰ এটি ৰহস্যজনক ঘটনা ঘটিছিল। এখন স্থানীয় বিদ্যালয়ৰ হেডপণ্ডিত এজনে কিবা কাৰণত এখন নৈবেদ্য শ্ৰীশ্ৰীদৌল গোবিন্দ প্ৰভুলৈ আগবঢ়াবৰ মন কৰি মগু মতৰ, চাউল কল আদি যোগাৰ কৰিলে কিন্তু লৰালৰিতে পোকে খোৱা মতৰ বাচিব নোৱাৰি মতৰখিনি পেৰাত ভৰাই থৈ বাকী খিনি অৰিহণাৰ সৈতে পূজাৰীক দিলে। কেইদিনমানৰ মূৰত সপোনতে তেওঁক এজনে কোৱা শুনিলে "তই মতৰ মাহ খিনি যে পেৰাত ভৰাই থ'লি মোক নিদিয় নেকি?" ৰাতিপুৱা শুই উঠিয়ে আচৰিত সপোনটো দেখি লৰালৰিকৈ মতৰ খিনি উলিয়াই বাচি আৰু এখন নৈবেদ্য লগাইহে মনত শান্তি পালে; তেওঁ মতৰ মাহ কিটাৰ কথা পাহৰিয়ে গৈছিল। থানৰ মাহাত্ম্যৰ আৰু এটি কথা নকৈ নোৱাৰিলোঁ। ৰজাদুৱাৰৰে শ্ৰীশ্ৰীদৌল গোবিন্দ থানৰ উৎসৱ কমিটিৰ প্ৰাক্তন সম্পাদক জনৰ হাতত ভালেখিনি টকা জমা আছিল, কমিটিক গটাই দিয়া নাছিল। কমিটিৰ তাগিদাত আংশিক হিচাবে জমা দিয়াৰ পিচতে তেওঁৰ মৃত্যু ঘটে। কমিটিয়ে তেওঁৰ পুত্ৰসকলক পিতৃৰ ধাৰৰ বিষয় উনুকিয়াত মাজু পুতেক জনে ধাৰ পৰিশোধ কৰাৰ ভাৰ ল'লে, তেৰো অলপ পৰিশোধ কৰি এবছৰ মানলৈ কোনো খবৰ নকৰা হ'ল। এনেতে এদিনাখন ৰাতি তেওঁ সপোনতে এজন মহাপুৰুষে টকাখিনিৰ নিমিত্তে তেওঁক ভৎৰ্সনা কৰা যেন পালে। পিচদিনাখনেই সমুদায় টকা এখন পত্ৰৰে সৈতে ডাকযোগে প্ৰায় তিনিশ মাইল দূৰৈৰ পৰা কমিটিলৈ পঠিয়াইহে ৰক্ষা পৰিল। শ্ৰীশ্ৰীদৌল গোবিন্দ মহাপ্ৰভুৰ বিষয়ে বহু কাহিনী শুনা যায়; সেই কাৰণেই অটল বিশ্বাসত বহুলোকে নৈবেদ্য পৰমান্ন বন্তি শৰিতা আদি মহাপ্ৰভুলৈ আগবঢ়াই আৰু তাৰ ফলো পায়। শ্ৰীশ্ৰীদৌল গোবিন্দ প্ৰভুৱে অকল ভোগ ফল আদি আদায় কৰিয়েই যে ক্ষান্ত হয় এনে নহয় নতুন কাপি কাপোৰো আদায় কৰি লয়। এবাৰ দৌলোৎসৱৰ সময়ত শ্ৰীদৌলগোবিন্দ প্ৰভুৰ সিংহাসনৰ কাপোৰবিলাক



দানি হ'লেও পুৰণি হোৱা স্বত্ত্বেও মহাপ্ৰভুক সেই সিংহাসনতে আৰোহণ কৰোৱা হ'ল; সমূলি বন্তি নগোৱাৰ পিচত কোন দিনকতে বন্তিৰ জুই লাগি সিংহাসনৰ কাপোৰবিলাক পুৰি গ'ল মানুহে গমকে নাপালে। কিন্তু সিংহাসনৰ কাঠ আৰু শ্ৰীশ্ৰীদৌল গোবিন্দ প্ৰভুৰ গাৰ বস্ত্ৰ অলঙ্কাৰ একোকে নষ্ট নহ'ল। ৰাইজে এইটো প্ৰভুৰ লীলা ভাবি পিচদিনাখনেই নতুন বস্ত্ৰৰে সিংহাসন আগ কৰি প্ৰণিপাত কৰিহে সান্ত্বনা পালে। মহাপ্ৰভুৰ মাহাত্ম্যৰ বিষয় কৈ ওৰ পেলাব নোৱাৰি; সেই কাৰণেই ধৰ্মভীৰু আৰু আতুৰত পৰা লোকসকলে আজিও ভোগ বন্তি নামকীৰ্ত্তন আদিৰে মহাপ্ৰভুৰ থান মুখৰিত কৰি ৰাখে।



# চিয়াং আৰু সোৱণশিৰীৰ জনজাতি

শ্ৰীশ্ৰীলীলাকৃষ্ণ দেৱ গোস্বামী

অসমৰ উত্তৰ-পূব পৰ্ব্বতসমূহৰ বৰ্ত্তমান নাম 'নেফা'। সেই পৰ্ব্বতত বাসকৰা লোকসকল অতি সৰল, সবল, সাহসী আৰু বীৰজাতীয় লোক। ইংৰাজ শাসনৰ আগতে এইলোকসকলৰ সৰহ সংখ্যক গাওঁ সমতলৰ মানুহৰ লগত মিলামিছা, মিতিৰ, সখী আদিও আছিল। ভৈয়ামৰ লগত সমূহীয়াকৈ বেহা-বেপাৰ আদিও হয়। কাঁহি-বাটি, কাপোৰ-সূতা আদি বিছাৰি গোটেই ভৈয়ামতো ফুৰে। সকলোৰেই সমতলত গোসাই, মহন্ত একো ঘৰো আছিল। সেই লোকসকলৰ শতকৰা প্ৰায় ৭০ জন মানুহেই শৈৱ আছিল, বাকীখিনি শাক্ত আৰু বৈষ্ণৱ। যদিও শাক্ত শৈৱ বা বৈষ্ণৱ আছিল; তেওঁ লোকৰ ব্ৰাহ্মণ নাছিল গোসাই মহন্তহে আছিল। বৰ্ত্ত-মান অসমৰ সমথলৰ মিৰি সম্প্ৰদায়ৰ যেনে ৰীতি নীতি পৰ্ব্বতীয়া সকলৰো তেনে আছিল। এদিন দুদিন আহি সমথল পোৱা সকলে বাও আদি ধানৰ খেতিও ভৈয়ামত কৰিছিল। পৰ্ব্বত ভৈয়ামৰ মানুহৰ কাজিয়া হলে উভয়ৰে মুখীয়াল লোক বহি মেল সোধে। কোনো ডাঙৰ কথাত গোসায়েও ৰায় দিব লগা হয়। এই অনুপাতেই চলি আছিল। কালৰ সোঁতত অসমৰ ৰাজসিংহাসন অসম ৰজাৰ পৰা বিদেশী খৃষ্টিয়ান ইংৰাজ জাতীয়ে অধিকাৰ কৰে। তেতিয়াৰ পৰা নেফাৰ লগত ভৈয়ামৰ সম্পৰ্ক অতি সোনকালেই দূৰ হয়। প্ৰথম কাৰণ বিদেশী ৰজাৰ শাসন আবৰ, আপাতানী আৰু ডফলা ৰাইজে মানি ললবলৈ ঠিৰাং কৰি ললে। গতিকে ভৈয়ামৰ ৰাইজে পৰ্ব্বতৰ ৰাইজে একেদৰা মাটিতে থাকি, একে পানীকে খায়ো উভয়ে উভয়ৰে অজান দেশৰ মানুহৰ দৰে হৈ পৰিল। ইয়াৰ প্ৰধান কাৰণ হ'ল খৃষ্টিয়ান বগা চাহাব সকল। সেই সকলে ভাবি লৈছিল যদি পৰ্ব্বত ভৈয়ামৰ ৰাইজ মিলি থাকে আমাৰ ৰজাৰ শাসন বেচি দিন নিতিষ্টিব। উত্তৰ লক্ষীমপুৰ মহকুমাৰ ৰঙানদীৰ উত্তৰ পশ্চিম ফালক ডফলাপাৰ বোলে। এতিয়াও ডফলাপাৰেই বোলে। শুনা মতে তাত ১২।১৪ খন মান ডফলা গাওঁ আছিল। সেই গাৱঁৰ ৰাইজে চৰকাৰক মাটিৰ খাজানা নিদিয়ে। গতিকে গাৱঁৰ মুখীয়ালসকলক ধৰাই আনি ফাটেকত ভৰাই চিপাহী পঠাই মৌজাদাৰ লগাই খাজানাৰ বাবে গৰু গাহৰী কোবোক কৰাই আনিলে। কিছুদিনৰ পাছত মৌজাদাৰৰ ঘৰত এদিন দুজন ডফলা আলহি থাকিল। ৰাতি প্ৰথ-মতে মৌজাদাৰৰ ঘৰৰ কুকুৰ কেইটাৰ মুখ বান্ধি কাটি গোটেইখিনি ঘৰৰ মানুহ কাটি থৈ গ'ল। এই কথা চাহাবে গম পাই ৪।৫ দিনৰ বাদে নিজে চিপাহী লৈ গৈ গাওঁ ঘেৰাওকৈ ৰণুৱা চিপাহী সাজু কৰি ৰাখিলে। পুৱাৰ লগে লগেই গাৱঁত গুলি চলাবলৈ হুকুম দিলে আৰু লগে লগে গুলি বৰ্ষণ হব ধৰিলে। কি হৈছে বুলি ওলাই-ছোৱা বুঢ়া, ডেকা, গাভৰু সকলো চাওঁৰ পৰা গুলিত তেল তেল কৰে সৰি পৰিল। অৱশেষত জুই



জ্বলাই সকলো মাৰি কাটি শেষ কৰিলে। ভৈয়ামে পৰ্ব্বতে আলহি খাবলৈ যোৱা আৰু পায়ে পথাৰে যোৱা জনচেৰেক মানুহ বাচিল। বাচি থকা মানুহ সকল লগে লগে পৰ্ব্বতলৈ পলাই গ'ল। এই খবৰ জনাৰ লগে লগে মাজ ভৈয়ামত থকা কিছু গাৱঁৰ বাহিৰে পৰ্ব্বতৰ পাতি কামৰীয়া গাওঁ বিলাক ঘৰদুৱাৰ এৰি ওপৰ পৰ্ব্বতলৈ পলাই গ'ল। তেতিয়া চৰকাৰেও আবৰ আদি জনজাতীয় ৰাইজ সকলৰ নামিব নোৱাৰাকৈ সেৰেঙ্গ পাতি দুৱাৰে দুৱাৰে সকলোতে ৰণুৱা ফৌজ ৰাখিলে। পৰ্ব্বতৰ ৰাইজ ভৈয়ামলৈ অহা সম্পূৰ্ণ নিষেধ কৰিলে। তথাপিও চৰকাৰৰ দ্বাৰা ডফলা, আবৰ নিধন যজ্ঞ হৈ থাকে।


আবৰ শব্দৰ অৰ্থ কোনো ঘৃণা সূচক নহয়। ই এই সময়ত হোৱা নাম। আগতে আবৰ সকলক আদি বংশীয় লোক বুলি কয়। তেওঁলোকে ইংৰাজ খৃষ্টান ৰজাক নৰবিলে। ভৈয়ামৰ ৰাইজে ইংৰাজ ৰজাক ৰবিলে। সেই-কাৰণে ভৈয়ামৰ ৰাইজ ৰবি আৰু পৰ্ব্বতৰ ৰাইজ আনৰবি। আনৰবিৰ অপভ্ৰংশ 'আবৰ'। ই বগা চাহাবে দিয়া নাম আবৰ পৰ্ব্বত। প্ৰকৃত আবৰ সকল আগতে আদি বংশীয় লোক বুলি জনাজাত আছিল। ভৈয়ামতো আদি বুলিহে আগেয়ে বুজি পাইছিল। সেই সময়ৰ পৰা পৰ্ব্বতৰ ৰাইজৰ শিক্ষা দীক্ষা, আচাৰ, সাহিত্য, আদি সমূলি লোপ হ'ল। লগতে খৃষ্টান বগাচাহাব কিজনে পৰ্ব্বতীয়া ৰাইজক বনৰীয়া মানুহ বুলি নাম দিলে। সেয়ে সিহঁত বনৰীয়া মানুহ।

প্ৰায় ৩ কুৰি বছৰমান পৰ্ব্বতৰ মানুহে ভৈয়াম দেখা নাপালে। ভাৰতৰ ৰাজধানী কলিকতাত থকা অৱস্থাতে অসমৰ সাহিত্যিকসকলে কোনো কোনো ক্ষেত্ৰত সঞ্চা ৰাইজেও যেনে উত্তৰ লক্ষীমপুৰৰ পৰা মাননৰা সত্ৰৰ স্বৰ্গীয় ধানুকৃষ্ণদেৱ গোস্বামী সত্ৰা-ধিকাৰে, ঢকুৱাখানাৰ মৃত কণনাথ ফুকনে, মহকুমা সমীপৰ মমীন শইকীয়া, গেগেৰী মৌজাদাৰ ইত্যাদি সকলৰ কোনো কোনো জনে কলিকতালৈ গৈ পৰ্ব্ব-তীয়া ৰাইজ 'পাচ' লৈ ভৈয়ামলৈ আহিবলৈ আদেশ কৰালে। শেষলৈকে কিন্তু ভৈয়াম বাসীৰ যোৱা নিষেধ। লৈ ভিন্ন বাট পথো নোহোৱা হ'ল। বিদেশী খৃষ্টান বগা চাহাব কিজনে এনে নকৰাহলে পৰ্ব্বতীয়া ৰাইজ সকল সমথল ৰাইজৰ সমকক্ষ হৈ থাকিলহেঁতেন। উদাহৰণস্বৰূপে আমাৰ ভৈয়ামৰ মিৰি সম্প্ৰদায়ৰ লোক কোনো গুণেই পিছপৰা নহয়। মিৰি শব্দটো কোনো ঘৃণা সূচক শব্দ নহয়। মিৰি মানে পুৰুহিত বা পূজাৰী কাম যি জনে কৰে সেই জনৰ উপাধি মিৰি। এতিয়াও চিয়াং সীমান্ত বিভাগত আদি ৰাইজৰ গাওঁবিলাকত তেনে কাম কৰা জনৰ উপাধি মিৰি। গতিকে গাওঁখনত মিৰি বংশ এঘৰহে আছিল। ভৈয়ামৰ ৰাইজে মিৰি উপাধিৰ মানুহক আগতে বৰ সন্মান কৰিছিল। কালৰ সোঁতত যিসকলে মিৰি থকা গাৱঁত বাস কৰিছিল সেই সকলেও লাহে লাহে মিৰি বুলি চিনাকী দিবলৈ ধৰিলে আৰু ভৈয়ামৰ আদি বংশীয় মানুহৰ গাওঁবিলাক মিৰি গাওঁ নামে জনাজাত হ'ল। এতিয়া ভৈয়ামৰ মিৰি সম্প্ৰদায় ৰাইজে পাহৰি যোৱাকৰো মিৰি শব্দটো ঘৃণা বুলি ভাবি মিচিং শব্দ ব্যৱহাৰ কৰিবলৈ লৈছে। মিচিংশব্দৰ অৰ্থ মই একো বুজি নাপাওঁ। শ্ৰীযুত কাৰ্কমলে, শ্ৰীযুত ললিতচন্দ্ৰ দলে মন্ত্ৰী, শ্ৰীযুত জমুদ পাম, শ্ৰীযুত মোহন পাম মেজিষ্ট্ৰেট, শ্ৰীযুত ইন্দ্ৰেশ্বৰ মৌজাদাৰ, শ্ৰীযুত হুকমসিং মৌজাদাৰ, ইয়াৰ ওপৰিও এম, এল, এ, অফিচাৰ, শিক্ষক আদি অনেক অকল উত্তৰ লক্ষীম-পুৰ মহকুমাতে আছে। ২।৪ জনৰ অন্য অসমীয়া সমাজৰ মাজত বিয়া বাৰুও চলিছে। পৰ্ব্বতীয়া ৰাইজ সকলৰ অকল অৱবোধেই নহয় বহুবাৰ পৰ্ব্বতবাসী ৰাইজক খৃষ্টান চাহাব বিলাকে নিধনো কৰাইছিল তাৰ দুটামান কথাহে উল্লেখ কৰিলো।

১৮৯৯ চনত এম, আৰ কেৰুট চাহাবে দুলুংমুখে উঠি লগত বহুত ফৌজ লৈ গুলিয়াই বহু মানুহ হত্যা কৰাই গাওঁবিলাক জুই জ্বলাই দিছিল। ১৯০৫ চনত মি: নিধাম নামৰ পলিটিকেল চাহাব এজনে দৰা আদি গাৱঁত বহুত অত্যাচাৰ কৰিছিল। কোনোবা জনজাতীয় এজনে তেওঁৰ দিঙিত কাৰ মাৰি মাৰিলে। সেই অপ-

ৰাধতে তেওঁৰ সহকাৰী জনে দৰা আদি গাৱত যত যিমান গাওঁ পালে জুই জলাই মানুহক, কুকুৰ মেকুৰীতকৈয়ো অধম কৰি মাৰি সাং কৰি আহিলে। ১৯০৮ চনৰ পৰা ১৯১১ চনৰ ভিতৰত এবাৰ ৰবটোপ দি দুলংমুখৰ ৰণা গাওঁ ভাঙে। এবাৰ হানমতিৰ পৰা ৩/৪ মাইল দূৰত থকা দুখন ডফলা গাওঁ জুই জলাই ওপৰলৈ খেদি দিয়ে। মুখীয়াল দুজনমানক গুলীয়াই মাৰে। ১৯১১ চনত মইলিয়ামচন নামৰ পলিটিকেল চাহাব এজনে আদি পৰ্ব্বতত গৈ কিবা উৎপাত, অত্যাচাৰ কৰিছিল। এবেঁই মালিনী থানৰ মূৰ্ত্তিবিলাক ভাঙিছিল। সেইকাৰণে ৰাতি কোনোবাই তেওঁক কাটিলে। সেই অপৰাধতে সেই চনতে মিঃ ভাৰগনচন নামৰ এজন চাহাবে বহু ফৌজ লৈ আদি জাতীয় গাওঁ যিমান পালে ৰবটোপ গুলি মাৰি ধ্বংস কৰিলে। চকুত পৰা সকলো আদি মানুহ নিধন কৰি গৈ ১৯১২ চনত ৰিমা নামৰ এডোখৰ ঠাই পাই সিফালে চীনাৰ পতাকা দেখি তাতে ইংৰাজ পতাকা তুলি আদি জাতীয় মানুহৰ নিধনকাম সিমানতে সমাপ্ত কৰি ঘূৰি আহিল। আদি পৰ্ব্বতত ৰবটোপ মৰা শব্দ মই নিজকাণে শুনা এতিয়াও মনত আছে। তেতিয়া মই ডিব্ৰুগড়ৰ টেঙা-খাট অভয়পুৰীয়া গাৱঁত থাছিলো। এনে কাৰণত জনজাতীয় ৰাইজে অশেষ দুৰ্য্যোগ ভোগ কৰি জুৰুলা হৈছিল। বৰ্ত্তমান দেশীয় চৰকাৰ হোৱাৰ পৰা ভাৰত চৰকাৰে পৰ্ব্বতৰ ৰাইজসকলৰ উন্নতিৰ হকে নেফাত অজস্ৰ টকা ব্যয় কৰি বহুত সজ কাম হাতত লৈছে। বৰ্ত্তমান মহামান্য ৰাষ্ট্ৰপতি শ্ৰীল শ্ৰীযুত ৰাধাকৃষ্ণন দেৱেও নেফা ৰাইজৰ উন্নতি কল্পে ভৈয়ামতকৈ অনেক গুণে বেচি টকা ব্যয় কৰিবলৈ হুকুম দিছে। অসম নেফা চৰকাৰেও ৰাইজৰ সৰ্ব্বপ্ৰকাৰ উন্নতি হবলৈ অহোপুৰুষাৰ্থ কৰিছে। ইতিমধ্যে আমি অনেক উন্নতি মূলক কাম চকুৰে দেখিছোঁ আৰু শুনিছো আৰু আমি আশা কৰো সদৌ পৰ্ব্বতীয়া জনজাতীয় ৰাইজে নিজা চৰ-কাৰৰ লৈতে সহযোগ কৰি খেতি, শিক্ষা সাহিত্য আদিত আগবঢ়াৰ প্ৰবল উদ্দীপনাৰে আগ বাঢ়ক। ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। সদৌ নেফা বাসী ৰাইজক সাহিত্য, কলা কৃষ্টি আদিৰে ভৰপূৰ কৰি জয় জয় ময় ময় কৰক।

এয়ে মোৰ ভগবানৰ ওচৰত প্ৰাৰ্থনা।



# গোৱালপৰীয়া লোকগীত

সংগ্ৰাহক : শ্ৰীদিনেশচন্দ্ৰ শৰ্ম্মা

সাজিয়া কাছিয়া থাকো ভাইৰে
ভাইৰে সাজিয়া—কাছিয়া থাকো
ঝগড়া কেচাল ছাড়িয়া দিয়া
দেশেৰ ভিতি দেখো ভাইৰে।

অথাইত ডাকাইত আইসচে ভাইৰে
(ভাইৰে) দেশেৰ সীমা ভাঙি
ঝগড়া কেচাল ছাড়িয়া দিয়া
তোলো গাও ডাঙ্গি ভাইৰে ॥

এক সাথ হয়া ভাইৰে
(ভাইৰে) এক পথ ধৰি
আগেয়া আইসো সবাই মিলি
খেদাই দেশেৰ অৰি ভাইৰে !!

বড়য় খাটি দেশেৰ মাটিৰে
(ভাইৰে) স্বৰ্গেৰ থাকিয়া
দেশেৰ বাদে মৰিৰ পাইলে
জীৱন বয় বাচিয়া ভাইৰে ॥

১

আৰে ও মোৰ সোণা বাঁশী ৰে ;
আৰ তুই বাঁশী বাজাবাৰ বলোৰে
ওৰে কদোমেৰি ডালে
নিবাছিল মোৰ মনেৰ আগুণ
জলেয়া দিলেন কেনোৰে ?
তোক কালাক পাইবাৰ আসে
মুঁই গেনু জলেৰ ঘাটে,
ওৰে গাথা মালা মোৰ
গাথা ৰইলো
দিবো কাহাৰ গলেৰে ?

২

নাল বাজাৰেৰ চেংৰা বন্ধুৰে
ও তুঁই কিশত গোশা হলুৰে
নাল বাজাৰেৰ চেংৰা বন্ধুৰে।
ওৰে নদীৰো বসন্ত কালেৰে
ভাঙ্গিয়া—আ নামায় মাটি
মাছেৰো বসন্ত কালেৰে
বন্ধু কৰে উজান ভাটিৰে
নাল বাজাৰেৰ চেংৰা বন্ধুৰে।
ওৰে পুৰুষেৰ বসন্ত কালেৰে
হাতে মুহন বাঁশী
নাৰীৰো বসন্ত কালেৰে
বন্ধু ধন মুকচী মাৰা হাশিৰে
নাল বাজাৰেৰ চেংৰা বন্ধুৰে.

তুই কিশত গোশা হলুৰে
নাল বাজাৰেৰ চেংৰা বন্ধুৰে ।

৩

ওকি গাড়িয়াল ভাই
হাকাও গাড়ী তুই
চিলমাৰিৰ ৰে বন্দ অৰে ৰে ।
আৰ যেদিন গাড়ী উজান যায়
নাৰীৰ মনমোৰ ঝুৰিয়া ৰয় ৰে ;
ওকি গাড়ীয়াল ভাই
কতোয় ৰব আমি
আৰ লোকেৰ মুখে শুনি আমি ই
নাগীৰ বেটা ভাই তুমিৰে ;
ওকি গাড়ীয়াল ভাই
আজি মাকল জাতি মোৰ
নিধুয়া পাতাৰেৰে ।
ওকি গাড়ীয়াল ভাই
হাকাও গাড়ী তুই
চিলমাৰিৰ ৰে বন্দঅৰে ৰে ।

৪

ওকি সুন্দৰো নাইয়া
কিবান মাৰিলেন নাৰিৰ হিদে চাইয়া
আৰ জলেৰ ঘাটে আজোন যশোং
বাড়ী আসিলে খোপাৰ যতনৰে ;
সন্ধা হইলে বেল ফুলেৰ গাতিনীৰে
সুন্দৰো নাইয়া
কিবান মাৰিলেন নাৰীৰ হিদে চাইয়া ।
আৰ তুমিতো সুন্দৰো নাইয়া
আমিতো ব্ৰাহ্মণেৰ মেয়ে ৰে
আজি চাপাও নৌকা
কমলা সুন্দৰীৰ ঘাটে
ওকি সুন্দৰো নাইয়া
কিবান মাৰিলেন নাৰীৰ হিদে চাইয়া ।

৫

নাৰী
একবাৰ আসিয়া
শোনাৰ চান মোৰ
যাও দেখিয়া ৰে ।
আৰ অদিয়া অদিয়া জানৰে বন্ধু
ডাবা নাহন পাৰ
ওকি ওৰে থাউক বোল তোমাৰ
দিবাৰ খুবাৰ দেখায় নাপাং আৰ ।
আৰ আইলত ফোটে আইল কাশিয়া
দোলাত ফোটে হোলা ;
ওক ওৰে বাপো যায় বেচেয়া খাইছে
শোয়ামি পাগেলা বন্ধুৰে ।
আৰ লোকে যেমন পোষে ময়না
পিঞ্জিৰা ভৰেয়া
ওকি ওৰে ঐৰকম মোৰ নাৰীৰ যৌবনৰে
জইবন ৰাখিচোং বান্ধিয়া নাথৰে
একবাৰ আসিয়া
শোনাৰ চান মোৰ
যাও দেখিয়া ৰে ।

পৰুষ
ও কন্যা মোকে ঠেকালু
কন্যা মোকে কান্দালু
ঐ মতন কৰিয়া তুঁইও কান্দুৰ ।
আৰ আশা দিলু
ভৰোশা দিলু
পিৰিতিৰো বাদে -
এলাকেনে এমন হলু
দেখা নাপাং তোৰে ৰে ?

৬

আৰে ওৰে সাংনা
মোক মাৰুলু কেনে ?
আৰ বড়ঘৰে মাৰুলুৰে সাংনা



পশ্চিমেৰ ধৰটী নৰে
ওৰে পাচিলা বাড়ীৰ টেঙা আমঝাৰ
দেল—দেলেয়া পৰে ৰে ।
আৰ মোক মাৰুলু
ভালে কৰুলু
ছাওয়াক মাৰুলু কেনে ?
ওৰে দিনেৰ বেলায় যেমন তেমন
পও ধৰাইম তোক ৰাইতেৰে
সাংনা মাৰুলু কেনে ?

৭

বন্ধু জানিয়াও জানেন না
শুনিয়াও শোনেন না
ঐ মোৰ জ্বলেয়া গেইলেন
মনেৰ আগুন—
নিবিয়াও গেইলেন না ।
বন্ধু মোৰ নয়নেৰ কাজল
তিলেক দণ্ড না দেখিলে
মন হয়ৰে পাগল ।
মোৰ বন্ধুৰ মাথায় কেঞ্চি কাটা চুল
হয়না কেনে চেংৰা বন্ধু
মেইল কদমেৰ ফুল ।

৮

আৰে ওৰে বসন্ত ফিৰিয়া যা তুঁই ঘৰে
মোৰ—বা নাৰীৰ মনেৰ আগুণ
জ্বলাইলেন কেনে বসন্ত ?
আংকা নাই মোৰ পাংকা নাই মোৰ
ধৰিবাৰ নাই মোৰ ডাল,
ওকি ওৰে নাৰী জইবন পানেৰ বোটা
ৰাখিৰ কতয় কাল বসন্ত
আৰ মনেৰ আগুণ জ্বলিয়া উঠে
নাশয় আৰ শৰিলে ;
ওকি ওৰে তোৰ বসন্তৰ বাদে ঐ মোৰ
বান্দানন আউলাইছে বসন্ত ।

ওৰে বিধি যদি পাংকা দিলেক হয়
উৰিয়া যায়য়া বন্ধুৰ সাথে
দেখা কৰুণু হয়
বুকেতে হেলানি দিয়া
দুঃক সুকেৰ কথা কইলং হয় ।
তোৰ বসন্তৰ বাদে জইবন
ৰাখিচোং বান্দিয়া
ওকি সোণাৰ জইবন
বুকে শুকায়
নাদেকেন ফিৰিয়া বসন্ত ।

৯

আজি বোনেৰ শোবা ময়ুৰ পংখিৰে
আজি বোনেৰ শোবা ময়ুৰ পংখিৰে
ওৰে নদীৰ শোবা ঢেউ,
পুৰুষেৰ বিছিনাৰ শোবা
ভৰ যুবতী বৌ ৰে ।
আৰ এহানো যইবন কালেৰে
মেলে নাই যাৰ জোৰা
কি কৰে তাৰ ৰূপেৰ যইবন
দিনে ভাঙ্গি হাবাৰে ।

১০

আজি ফান্দে পৰি বগা মোৰ কান্দেৰে
আৰ ফান্দতে পৰি বগা কৰে হায়ৰে হায়
ওৰে আহাৰে দাৰুণ বিধি
ঐনা সাথি ছাৰিয়া যায় ৰে ।
আৰ ফান্দতে পৰিয়া বগা কৰে টানা টুনা
ওৰে আহাৰে কুনকুৰা সুতা
হলু লোহাৰ গুণাৰে ।
আৰ উৰিয়া যায়ৰে চকোয়া পংকী
কয়া যায়ৰে ঠাৰে—
ওৰে তোমাৰ বগা বন্দী হইছে
ধল্লা নদীৰ পাৰেৰে—
এই কতা শুনিয়া বগী কৰে হায়ৰে হায়

ওৰে বাগাত আছে দুইটা বাচ্চা
ওতাৰ কি হইবে উপায় ৰে
আজি বগাক দেখি বগী কান্দে ৰে ।

১১

ঘুপ কৰিয়া আশিল দাদা
গুটি কৰিয়া কং
দাদা আশিল নিয়া যাবাৰ
নাইত্তৰ যাবাং চাং
অনেক দিনে আইচেচ দাদা
যদি নাইত্তৰ নাযাং
গোশা হয়য়া যাইবে দাদা
কেমন কৰিয়া কং
ওৰে একবাৰ আগায় মনমোৰ
দুইবাৰে পাচায়,
হোলোক-গোলোক কৰে মন মোৰ
যাবাৰে নাচায় ।
সকাল থাকি বড় দাদা
খ্যাচ খ্যাচেয়া আছে
চটি কৰিয়া বিবাও যাইয়ে
বেলা ভাটি পৰে ।



# গ্ৰন্থ-পৰিচয়

**অসমীয়া সাহিত্যৰ আলোক ৰেখা :**

প্ৰাগ্‌জ্যোতিষ কলেজৰ অসমীয়া বিভাগৰ নবীন অধ্যাপক নবীনচন্দ্ৰ শৰ্মাৰ অসমীয়া সাহিত্যৰ আলোক ৰেখা নামৰ গ্ৰন্থ খনি পাই আমি সন্তোষ পাইছো। গ্ৰন্থ খনিত ক্ৰমে 'পুৰণি অসমীয়া সাহিত্যত ৰাধা', 'পাচালি সাহিত্য', 'মনসা দেৱীৰ বিভিন্ন অভিব্যক্তি', 'মনকৰ আৰু দুৰ্গাবৰৰ মনসা কাব্যত সামাজিক চিত্ৰ,' 'অসমীয়া ভাগৱত,' 'গীতি কবিতা আৰু বৰগীত', 'শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাট্য ৰীতিৰ পাৰ্থক্য', 'অনন্ত কন্দলীৰ ৰচনাৰ ওপৰত শঙ্কৰদেৱৰ ৰচনাৰ প্ৰভাৱ', 'বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটক', 'আত্মমুখী দুৰ্বৰা', 'চন্দ্ৰকান্ত সিংহ নাটকৰ এটি আলোচনা', 'অপূৰ্ণ উপন্যাসত জয় বলিয়া', 'নাওখেলী গীত' আদি প্ৰবন্ধ সংযোজন কৰা হৈছে। এই প্ৰবন্ধসমূহে কলেজ আৰু বিশ্ববিদ্যালয়ৰ অসমীয়া ভাষা আৰু সাহিত্যৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সহায় কৰাৰ উপৰিও বয়স্ক পাঠকৰো মন আকৰ্ষণ কৰিব বুলি আমাৰ ধাৰণা। ইংৰাজী সাহিত্যত একোখন মৌলিক গ্ৰন্থ আৰু একোজন সাহিত্যিকৰ সাহিত্য ৰাজিৰ ওপৰত একাধিক গ্ৰন্থ আমি পঢ়িবলৈ পাওঁ। চেক্সপীয়াৰৰ যিমানখিনি গ্ৰন্থ তাৰ চাৰিগুণ তেওঁৰ গ্ৰন্থ সম্পৰ্কে সমালোচনাৰ গ্ৰন্থ প্ৰকাশ পাইছে। আমাৰ প্ৰতিবেশী বঙলা সাহিত্যতো আজি তেনে যুগৰ সূচনা হৈছে। অথচ সেই অনুপাতে আমাৰ একোজন সাহিত্যিকৰ সাহিত্য কীৰ্ত্তিৰ বিচাৰ কৰি কেইখন গ্ৰন্থ প্ৰকাশ পাইছে? শঙ্কৰদেৱ আৰু বেজবৰুৱাৰ কথা কৈ আমি জয়ঢোল কোবাও, অথচ এই দুয়োজন ব্যক্তিৰ সাহিত্য ৰাজিৰ বিচাৰ কৰি আমি কেইখন গ্ৰন্থ লিখিছো? অসমীয়া সমালোচনা সাহিত্যৰ এনে দাৰিদ্ৰ অৱস্থাতো যদি কেনেবাকৈ কোনোজনে আন এজন সাহিত্যিকৰ কোনো গ্ৰন্থৰ বিচাৰ বিশ্লেষণ কৰে তেনেহলে এচাম সমালোচকে আকৌ তেনে বিচাৰ বিশ্লেষণকাৰীক বিদ্ৰূপ বাণেৰে থকা-সৰকা কৰে। এনে বাণসে প্ৰথম পৰ্য্যায়ৰ সমালোচকৰ গাত নপৰি অসমীয়া সাহিত্যৰ গাত পৰি তাৰ প্ৰগতিৰ পথ ৰুদ্ধ কৰে সেই কথা পিচৰ শ্ৰেণীৰ সমালোচকে উপলব্ধি কৰাটো উচিত। অসমীয়া সমালোচনা সাহিত্যৰ এনে খেলিমেলি অৱস্থাত শ্ৰীনবীনচন্দ্ৰ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ আলোক ৰেখা' এটি বলিষ্ঠ পদক্ষেপ।

গ্ৰন্থ খনিত তেওঁৰ বিস্তৃত অধ্যয়ন আৰু কঠোৰ পৰিশ্ৰমৰ আভাস ফুটি উঠিছে। শ্ৰীশৰ্মাই নিষ্ঠাৰে এই কাৰ্য্যত লাগি থাকিলে অসমীয়া সাহিত্যই তেওঁৰ পৰা মূল্যবান অৰিহণা পাব বুলি আশা পোষণ কৰিব পাৰে। গ্ৰন্থ খনিৰ আমি বহুল প্ৰচাৰ কামনা কৰিলো।

**ৰঙা ব'ঙ্গ আলোচৈগ ৰ'ল :**

শ্ৰীঅনন্ত দেৱশৰ্মা ৰচিত এই কণমানি গ্ৰন্থ খনিত মুঠ চৈধ্যটা শিশু কবিতা সন্নিবিষ্ট কৰা হৈছে। কবিতাবোৰ গ্ৰন্থ আকাৰে প্ৰকাশ পোৱাৰ আগেয়ে শিশু আলোচনীত প্ৰকাশ পাইছিল আৰু অসমৰ চুকেকোণে থকা শিশুসকলৰ দ্বাৰা সমাদৃত হৈছিল। ইয়াৰ উপৰিও হাতে লিখা অৱস্থাতে এই পুথি খনিয়ে

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আয়োজন কৰা ন-শিকাৰু সাহিত্য প্ৰতিযোগিতাত বটা লাভ কৰিছিল। ইয়াৰ দ্বাৰা গ্ৰন্থ খনিৰ সাহিত্যিক মূল্যক স্বীকৃতি দিয়া হৈছে। প্ৰায়খিনি কবিতাই শিশু মনৰ আবেগ অনুভূতিক সহজে আলোড়িত কৰাৰ উপৰিও প্ৰকৃত নাগৰিকৰ অন্তৰত থাকিব লগীয়া সহানুভূতি, মানবীয়তাবোধ, স্বদেশানুৰাগ আদিৰ শিক্ষা গ্ৰন্থ খনিয়ে জাতিৰ ভবিষ্যত বংশধৰ সকলক দিব পাৰিব বুলি আমাৰ ধাৰণা। সেই বিচাৰে 'বঙা ব'দ আলোৱে ব'ল, আমাৰ ভাল লাগিছে আৰু গ্ৰন্থখনিক শিশুসকলৰ পঢ়া মেজলৈ অভিভাৱকসকলে বাট পোনাই দিব বুলি আমাৰ বিশ্বাস হৈছে।

**মন ফুলনি :**

মঙ্গলৈৰ শ্ৰীঅনন্ত দেৱ শৰ্মাক অসমীয়া সাহিত্যৰ এচাম লোকে চিনি পায়। অসম সাহিত্য সভাৰ লগত জড়িত থকাৰ উপৰিও তেওঁ আলোচনী, বাতৰি কাকতৰ যোগে সংস্কৃত সাহিত্যৰ সোৱাদ অসমীয়া পঢ়ুৱৈ গোষ্ঠীক দিবলৈ বিশেষভাৱে যত্ন লোৱা চকুত পৰিছে। শিশু সকলৰ অন্তৰ স্পৰ্শ কৰিব পৰাকৈ ইতিমধ্যে তেওঁ ভালে-খিনি কবিতা ৰচনা কৰি প্ৰকাশ কৰিছে। সম্প্ৰতি আমাৰ সাহিত্যত আধুনিক যুগৰ আৰম্ভণি সময়ৰ প্ৰথিত যশা কবি সকলৰ ৰীতি অনুসৰণ কৰি কবিতা লিখা লোকৰ সংখ্যা নোহোৱা হৈছে। সাম্প্ৰতিক কালৰ কবিতাত দুৰ্ব্বোধ্যতাই ঠাই লৈছে ; তাৰ ফলত কবিতাৰ ৰস পান কৰাৰ আশা বহুতেই ত্যাগ কৰি শূণ্য মাৰ্গত গুঞ্জন কৰিছে মাথোন। এনে অৱস্থাত নিৰ্দ্দিষ্ট ছন্দ-ৰীতি অনুসৰণ কৰি শ্ৰীশৰ্ম্মাই 'মন ফুলনি' প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ মহৎ উপকাৰ সাধন কৰিছে। দৈনিক বাতৰি কাকত নপঢ়িলে কেতবোৰ লোকৰ নচলাৰ দৰে দৈনিক অন্ততঃ দুটিমান কবিতা নপঢ়িলেও কেতবোৰ লোকৰ নচলে। এই কথা বহুতে বিশ্বাস নকৰিব পাৰে কিন্তু এনে লোক যে আমাৰ সমাজত এতিয়াও বিৰল নহয়—এই কথা সঁচা। বিচনাত দীঘল দি পৰি 'অহে মোৰ প্ৰিয় নৰা, সত্ত্ব উপদেশ ধৰা' ; 'এটুকুৰা মাংস লৈ পৰম হৰিষ হৈ কাক আহি পৰিল দালত' বুলি কবিতা আবৃত্তি কৰা লোক গাৱে-নগৰে ভৰি আছে। এই চাম লোকে সাম্প্ৰতিক কালৰ দুৰ্বোধ্য কবিতাৰ ওচৰ চাপিবলৈ টান পায় আৰু দুৰ্বোধ্য কবিতাৰ আবৃত্তিয়ো সহজ নহয় ; কিয়নো নুবুজা কথা মনত নৰয়। সেতিকে এই চাম লোকে শ্ৰীশৰ্ম্মাৰ কবিতা পঢ়ি সোৱাদ পাব বুলি আমাৰ বিশ্বাস হৈছে। 'মন ফুলনি' অকল শিশু সকলৰ কাৰণেই নহয়, বয়স্ক সকলৰ কাৰণেও শিকিব লগীয়া আৰু সোৱাদ পাবলগীয়া যথেষ্ট কথাই আছে। গ্ৰন্থ খনিত পয়ত্ৰিশটা কবিতা সংযোগ কৰা হৈছে। কবিতাবোৰৰ ভাবাদৰ্শ বেলেগ বেলেগ হোৱাৰ কাৰণে সহৃদয় পঢ়ুৱৈয়ে শিক্ষনীয় দিশৰ উপৰিও আবৃত্তিৰ আনন্দ আৰু চিন্তাৰ খোৰাক বিচাৰি পাব বুলি অনুমান কৰিব পাৰি। নবীন কৰি শ্ৰীশৰ্ম্মাৰ আমি উত্তৰোত্তৰ প্ৰগতি বাঞ্ছা কৰিলো আৰু লগতে উল্লেখ কৰিব খোজো যে কবিতা অনুশীলনৰহে বস্তু ; অনুশীলন যিমানে গভীৰ আৰু ব্যাপক হব কবিতাও সিমানে গভীৰ আৰু যুগজয়ী হব। শ্ৰীশৰ্ম্মাৰ মন ফুলনিৰ আমি বহুল প্ৰচাৰ কামনা কৰিলো।

প্ৰাপ্তি স্বীকাৰ :

১। মঞ্জুলেখা : শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
২। অসমীয়া সাহিত্যৰ বেংগুণি : শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা
৩। অলকানন্দা : শ্ৰীনলিনীবালা দেৱী
৪। ভাষাবিদ বাণীকান্ত কাকতি : শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

# প্ৰাবন্ধিক-পৰিচয়

**ডক্টৰ শ্ৰীউপেন্দ্ৰনাথ গোস্বামী :**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সৰ-ৱৰহী অধ্যাপক ডক্টৰ গোস্বামীৰ জন্ম ১৯২৫ চনত। তেওঁ ইয়াৰ আগেয়ে ডিব্ৰুগড়ৰ কানৈ কলেজ আৰু গুৱাহাটীৰ কটন কলেজতো অধ্যাপনা কৰিছিল। ৰাষ্ট্ৰৰ পৰা কাবিল আৰু হিন্দুস্থানী নিপুণ উপাধি লাভ কৰা অসমীয়া লোকসকলৰ ভিতৰত তেওঁ অন্যতম। ইয়াৰ বাহিৰেও ১৯৫৬-৫৭ চনৰ ভিতৰত তেওঁ পুনাত আধুনিক ভাষা-বিজ্ঞান সম্পৰ্কীয় গৱেষণা আৰু প্ৰশিক্ষণ লাভ কৰে। ১৯৫৮ চনত তেওঁৰ থেচিছ 'এ ষ্টাদি অন কামৰূপী, এ দায়লেক্ট অৱ এচামিছ'ৰ ওপৰত গুৱাহাটী বিশ্ববিদ্যালয়ে ডি, ফিল উপাধি প্ৰদান কৰি তেওঁৰ পাণ্ডিত্যৰ স্বীকৃতি দিয়ে। শ্ৰীগোস্বামী ডাঙৰীয়াই ভাষাতত্ত্বত বিচক্ষণ পাণ্ডিত্যৰ পৰিচয় দিয়াৰ উপৰিও অসমীয়া সাহিত্যৰ বিকাশ আৰু সম্প্ৰসাৰণত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ গ্ৰন্থ 'এ ফ্ৰেমেটিকেল স্কেটশচ অৱ এচামিছ' ভাৰত চৰকাৰে প্ৰকাশ কৰিছে। ইয়াৰ বাহিৰেও তেখেতৰ আন আন বিখ্যাত গ্ৰন্থবোৰ হ'ল- সীমান্ত কেশৰী, শৰৎচন্দ্ৰ গোস্বামী, নেতাজীৰ বাণী, বাপু মোৰ নাই, ভাষা আৰু সাহিত্য আৰু ভাষা বিজ্ঞান। শ্ৰীগোস্বামী দেৱৰ ৰচনা ৰীতি সৰল, বিশ্লেষণ মুখী আৰু ওজঃ গুণেৰে সমৃদ্ধ। আলোচ্য বিষয়ৰ তলিলৈ মৰ্ম্ম ভেদ কৰি স্বকীয় প্ৰতিভাৰে চালি জাৰি চাই পোনপটীয়া ভাৱে পঢ়ুৱৈৰ মানস চিত্ৰত উপস্থাপন কৰা তেওঁৰ গদ্য ৰীতি আৰু গৱেষণাৰ অন্যতম বৈশিষ্ট্য।

**শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা :**

শ্ৰীহাজৰিকা ডাঙৰীয়া এগৰাকী বহুমুখী প্ৰতিভাৰ লোক। তেখেত একেধাৰে কৃতী শিক্ষাচাৰ্য্য, কবি, নাট্যকাৰ, শিশুসাহিত্যিক, প্ৰবন্ধ লিখক আৰু অসম সাহিত্য সভাৰ সুনিপুণ সংগঠক। ৬ষ্ঠ দশকৰ মৃতপ্ৰায় অসম সাহিত্য সভাক সম্পাদকৰ দায়িত্ব লৈ তেখেতে সঞ্জীৱনী পানী ছটিয়াই পুনৰ্জীৱন দান কৰে। সাহিত্য সভাৰ নগাওঁ অধিবেশনত তেখেতে সভাপতিত্বও কৰিছিল। ইয়াৰ বাহিৰেও প্ৰায় ৫০ খন মান গ্ৰন্থ ৰচনা কৰি তেখেতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। অসমীয়া সাহিত্যৰ তেখেত ভীষ্ম-প্ৰতিম ব্যক্তি। সম্প্ৰতি প্ৰকাশ পোৱা মঞ্জুলেখা গ্ৰন্থই তেখেতৰ গভীৰ সাধনা, কঠোৰ পৰিশ্ৰম আৰু ঐকান্তিক নিষ্ঠাৰ আভাস দিছে। এই গ্ৰন্থখনি তেখেতৰ সাহিত্যিক জীৱনৰ অতুল-কীৰ্ত্তি স্তম্ভ। কটন কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তেখেতে দীপক নামৰ শিশু আলোচনী খনিৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছে।

**শ্ৰীযতীন্দ্ৰনাথ গোস্বামী :**

অসম সাহিত্য সভাৰ এসময়ৰ প্ৰধান সম্পাদক শ্ৰীগোস্বামী ডাঙৰীয়া সম্প্ৰতি যোৰহাটৰ জে,বি কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক। তেওঁ এগৰাকী প্ৰবন্ধ লিখক আৰু গৱেষক। এতিয়ালৈকে প্ৰকাশ পোৱা গ্ৰন্থৰ ভিতৰত 'অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী' লেখত লব লগীয়া। ইয়াৰ বাহিৰেও আন কেইবাখনিও গ্ৰন্থৰ

সম্পাদনা কৰি তেওঁ অসমীয়া সাহিত্যৰ মহৎ উপকাৰ সাধন কৰিছে ।

**শ্ৰীফণী তালুকদাৰ :**

আকাশ বাণী গুৱাহাটী কেন্দ্ৰৰ নাট্য বিভাগৰ এসময়ৰ বিশিষ্ট বিষয়া শ্ৰীতালুকদাৰ ডাঙৰীয়া বৰ্ত্তমান 'দৈনিক অসম' কাকতৰ সহকাৰী সম্পাদক । তেওঁ গুৱাহাটীৰ সাহিত্য আৰু সংস্কৃতিমূলক সকলো অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত । অসম সাহিত্য সভাৰ বাহিৰেও অসম একাঙ্ক নাট্য সন্মিলনৰো তেওঁ এজন অন্যতম গুৰিয়াল । তেওঁ ঘাইকৈ কবি, নাট্যকাৰ, সমালোচক আৰু সাংবাদিক । তেওঁ ৰচিত 'জুয়ে পোৰা সোণ' এখনি বিশিষ্ট নাট । ঘৰ গুৱাহাটীৰ শিলপুখুৰীত ।

**শ্ৰীশৈলেন ভৰালী :**

শ্ৰীভৰালীৰ ঘৰ নলবাৰী অঞ্চলৰ বৰগাছা গাৱঁত। সম্প্ৰতি তেওঁ গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ কলেজৰ ইংৰাজী বিভাগৰ এগৰাকী অধ্যাপক । শ্ৰীভৰালী ডাঙৰীয়াই ইতিমধ্যে ভালেখিনি প্ৰবন্ধ-পাতি লিখি অসমীয়া প্ৰবন্ধ সাহিত্যৰ সমৃদ্ধি সাধনত সহায় কৰিছে ।

**শ্ৰীনন্দ তালুকদাৰ :**

অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীতালুকদাৰ পাণ্ডু কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক । তেওঁ ভালেমান দিন ধৰি অসমীয়া জীৱনী সাহিত্যৰ সমৃদ্ধি সাধনাত আগ ভাগ লৈ আহিছে । ইতিমধ্যে তেওঁ কেইবা খনিও গ্ৰন্থ সম্পাদিত কৰি অসমীয়া সাহিত্যৰ মহৎ উপকাৰ সাধন কৰিছে। তেওঁ এজন বিশিষ্ট প্ৰবন্ধ লিখক । সৰলতা আৰু বৰ্ণনামুখিতা তেওঁৰ ৰচনা ৰীতিৰ অন্যতম বৈশিষ্ট্য । অসমীয়া সাহিত্যৰ সেৱাত একনিষ্ঠ ভাৱে লাগি থাকিলে তেওঁ যে উপযুক্ত ৰবঙণিৰে অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰিব পাৰিব তাত অকণো সন্দেহ নাই ।

**শ্ৰীগোলোক চন্দ্ৰ খাউণ্ড :**

ঘৰ যোৰহাটৰ বঙাল পুখুৰীত। এগৰাকী সঙ্গীতজ্ঞ। তেখেতে সঙ্গীত সম্পৰ্কীয় ভালেখিনি প্ৰবন্ধ পাতি লিখি অসমীয়া সঙ্গীত সাহিত্যৰ এক পৰম উপকাৰ সাধন কৰিছে ।

**শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী :**

সম্প্ৰতি প্ৰাচীন ইতিহাস আৰু প্ৰত্নতত্ত্বৰ যি সকলে চৰ্চা কৰিছে তেওঁলোকৰ ভিতৰত শ্ৰীবৰকাকতী ডাঙৰীয়াও এজন। তেওঁ বহুদিন ধৰি উত্তৰ গুৱাহাটীৰ আউনি আটী কমল দেৱ হাইস্কুলত শিক্ষকতা কৰিছিল। স্বাধীনতা সংগ্ৰামৰো তেওঁ এজন অক্লান্ত যুজাৰু। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰাৰ কাৰণে তেওঁ কাৰাবাস খাতিবলগীয়া হৈছিল । বৰকাকতী দেৱ অসম সাহিত্য সভাৰ এগৰাকী বিশিষ্ট সেৱক। তেওঁ কেইবাবছৰো ধৰি উত্তৰ গুৱাহাটী সাহিত্য সভাৰ সভাপতি আছিল। এই জনা বয়োবৃদ্ধ ব্যক্তি অসমীয়া সাহিত্যলৈ লেখত লবলগীয়া বৰঙণি হ'ল 'প্ৰত্নতাত্ত্বিক সোণাৰাম চৌধুৰীৰ জীৱনী' আৰু 'অৰুন্ধি শকুন্তলা'। তেওঁৰ ৰচনা ভঙ্গি সৰল আৰু পোনপটীয়া।

**শ্ৰীশ্ৰীলীলাকৃষ্ণ দেৱ গোস্বামী :**

উত্তৰ লক্ষীমপুৰৰ খাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ। তেখেতে নেফা বাইজৰ বিষয়ে ভালেখিনি কথা ইতিমধ্যে ভৈয়ামত প্ৰচাৰ কৰি নেফা আৰু ভৈয়ামৰ মাজত এক সৌহাৰ্দ্দ্যপূৰ্ণ ভাবৰ সৃষ্টি কৰাত সহায় কৰিছে। ইয়াৰ বাহিৰেও ভৈয়ামৰ সাহিত্য আৰু কৃষ্টি নেফাবাসীৰ মাজত প্ৰচাৰ কৰি তেখেতে অসমীয়া বাইজৰ শলাগৰ পাত্ৰ হৈছে। তেখেত এগৰাকী উদাৰ পন্থী লোক।

**শ্ৰীদিনেশ চন্দ্ৰ শৰ্ম্মা :**

ঘৰ তেজপুৰত । মেডিকেল কলেজৰ কৃতী ছাত্ৰ। অভিনেতা আৰু নাট্য লিখক

# বেজবৰুৱা শতবাৰ্ষিকী

## শিক্ষানুষ্ঠান সমূহৰ কাৰ্য্যসূচী

অহা ৫ অক্টোবৰ তাৰিখৰ পৰা সমগ্ৰ অসম আৰু অসমৰ বাহিৰতো অসমীয়া ভাষা সাহিত্যৰ যুগান্তকাৰী মনিষী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উদযাপিত হব । অসম সাহিত্য সভাই সুধী ৰাইজৰ আৰু চৰকাৰৰ পৃষ্ঠপোষকতাত জন্ম শতবাৰ্ষিকী উদযাপনৰ বাবে ব্যাপক কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু এই কাৰ্য্যৰ বাবে তিনিলাখ যোলহাজাৰ টকাৰ এখনি আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিত বেজবৰুৱা সাহিত্যৰ সকলো প্ৰকাশন, স্মৃতি সৌধ, স্মৃতি ভৱন (প্ৰাথমিক স্তৰ) নিৰ্ম্মাণ, তৈলচিত্ৰ উন্মোচন, তথ্যচিত্ৰ নিৰ্ম্মাণ, আলোচনা চক্ৰ, ৰচনা, কবিতা আদিৰ প্ৰতিযোগিতা, ৰাজহুৱা সভাৰ লগত প্ৰদৰ্শনীৰ আয়োজন আৰু ইয়াৰ উপৰিও কলিকতা, সম্বলপুৰ, নতুন দিল্লী পৰ্য্যন্ত অনুষ্ঠানৰ অন্তৰ্ভুক্ত কৰা হৈছে আৰু সমুদায় দিশত ইতিমধ্যে বিশেষভাৱে আগবঢ়া হৈছে। আঁচনিৰ আন এটি আকৰ্ষণীয় দিশ হল শিক্ষানুষ্ঠান সমূহত বেজবৰুৱা চ'ৰা (কৰ্ণাৰ) প্ৰতিষ্ঠা । এই সম্পৰ্কত সাহিত্য সভাৰ ফালৰ পৰা মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ মূৰব্বীসকলৰ লগত আলোচনা কৰা হৈছে আৰু মুখ্য মন্ত্ৰীৰ লগত হোৱা আলোচনা ক্ৰমে বেজবৰুৱা চ'ৰা প্ৰতিষ্ঠাত আৰু ছাত্ৰসকলে শতবাৰ্ষিকীত সহযোগ কৰা সম্পৰ্কত বিভাগীয় নিৰ্দ্দেশো প্ৰেৰিত হৈছে ।

অসম সাহিত্য সভাৰ ফালৰ পৰা শিক্ষানুষ্ঠান সমূহৰ বাবে শতবাৰ্ষিকী কাৰ্য্যসূচী এনেদৰে নিৰূপণ কৰা হৈছে :

বেজবৰুৱা চ'ৰা (Bezbarua Corner) : প্ৰত্যেক শিক্ষানুষ্ঠানতে (মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যন্ত) লাইব্ৰেৰীৰ অন্তৰ্গত একোটি বেজবৰুৱা চ'ৰা (Bezbarua corner) থাকিব । এই চ'ৰাত বেজবৰুৱাৰ ছবি, ৰচনাৱলী আৰু বেজবৰুৱা, সম্পৰ্কীয় সাহিত্য সংৰক্ষিত হব । ইয়াৰ উপৰিও বেজবৰুৱাৰ সময়ৰ অসমীয়া, বঙলা, হিন্দী, ইংৰাজী আদি বিভিন্ন সাহিত্যৰ আলোচনা আৰু প্ৰতিযোগিতা আদি হব । এই চ'ৰা স্থায়ীভাৱে স্থাপিত হব । নিৰ্দ্দিষ্ট আবেদন পত্ৰত অসম সাহিত্য সভাই চ'ৰাৰ স্বীকৃতি দিব । স্বীকৃতি প্ৰাপ্ত চ'ৰালৈ সাহিত্য সভাই বেজবৰুৱা সংক্ৰান্ত প্ৰকাশন শতকৰা ৫০ ভাগ হ্ৰাসমূল্যত পঠাব আৰু সাহিত্য সভাই ভৱিষ্যতেও এনে চ'ৰালৈ সভাৰ প্ৰকাশন সমূহ ছাত্ৰসকলৰ সুবিধাৰ অৰ্থে যোগান দিব আৰু বিভিন্ন ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ অন্যান্য প্ৰকাশ প্ৰতিষ্ঠান আৰু সাহিত্য প্ৰতিষ্ঠান আদিৰ লগত সংযোগ ৰক্ষা সম্পৰ্কত প্ৰচেষ্টা চলাব ।

স্বীকৃতিৰ মাচুল মাধ্যমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে ১০ টকা, কলেজ ২৫ টকা আৰু বিশ্ববিদ্যালয় ৫০ টকা ধাৰ্য্য কৰা হৈছে । এই সম্পৰ্কত আবেদন পত্ৰ আদি বিতৰণ কৰা হৈছে ।

### শতবাৰ্ষিকী উপলক্ষে ৰচনা প্ৰতিযোগিতা, আলোচনা-চক্ৰ আদি :

কেন্দ্ৰীয় আৰু আঞ্চলিক সমিতিৰ লগতে শিক্ষানুষ্ঠান সমূহে নিজ নিজ অনুষ্ঠানত বেজবৰুৱা সাহিত্যৰ প্ৰতিযোগিতা, নাট্যানুষ্ঠান, আলোচনা চক্ৰ আদিৰ আয়োজন কৰিব ।

৫ অক্টোবৰ তাৰিখৰ পৰা ১৩ অক্টোবৰৰ ভিতৰত অসমত কাৰ্য্যসূচী সম্পূৰ্ণ হব। ৫ অক্টোবৰ তাৰিখে কেন্দ্ৰীয় আঞ্চলিক আৰু স্থানীয়ভাৱে শত বাৰ্ষিকী কাৰ্য্যসূচী চলি থাকিব। ছাত্ৰ ছাত্ৰীসকলে আঞ্চলিক আৰু স্থানীয় সমিতিয়ে আয়োজন কৰা সভা, শোভাযাত্ৰা, পতাকা উত্তোলন আদি সকলো অনুষ্ঠানতে সক্ৰিয়ভাৱে সহযোগ কৰা বাঞ্ছনীয়।

১১ অক্টোবৰ শনিবাৰে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানত বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে বেজবৰুৱা দিৱস উদযাপন কৰিব আৰু বেজবৰুৱাৰ প্ৰতীকত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব। সভা সমিতি, বিভিন্ন প্ৰতিযোগিতা, আলোচনা চক্ৰ আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি সেই দিনাই বেজবৰুৱা চ'ৰাৰ (Bezbarua corner) আনুষ্ঠানিক ভাৱে উন্মোচন কৰিব। ১২ অক্টোবৰ দেওবাৰ পৰ্যান্ত কাৰ্য্যসূচী যুগুত কৰিব পাৰে।

**ছাত্ৰ দিৱস :** উক্ত ১১ তাৰিখ শনিবাৰৰ দিনটো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শতবাৰ্ষিকী উপলক্ষে সদৌ অসমতে ছাত্ৰ দিৱস হিচাবে উদ্‌যাপিত হব। তেজপুৰত কেন্দ্ৰীয় সমিতিৰ তত্বাৱধানত কাৰ্য্য-সূচী অনুষ্ঠিত হব আৰু সমগ্ৰ অসমতে শিক্ষানুষ্ঠান সমূহে নিজ নিজ অনুষ্ঠানত কাৰ্য্য-ক্ৰমণিকা অনুসৰি দিৱস পালন কৰিব।

**বেজবৰুৱা প্ৰতীক :**—আঞ্চলিক সমিতিৰ যোগে বেজবৰুৱা দিৱসৰ দিনা স্কুলত বেজবৰুৱাৰ ছবিৰে প্ৰতীক বিক্ৰী কৰা হব। প্ৰতীকৰ বাবে প্ৰাথমিক স্কুলৰ পৰা উচ্চ ইংৰাজী স্কুল পৰ্য্যন্ত পৰ্য্যায়ক্ৰমে নিৰ্দ্দিষ্ট নিৰ্দ্ধাৰ্য্য কৰা হৈছে। মূল্য প্ৰাথমিক স্কুলৰ বাবে অনূন ১০ পইচা আৰু হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অনূন ২৫ পইচা আঞ্চলিক সমিতিৰ তত্বাৱধানত প্ৰতীকৰ সকলো ব্যৱস্থা হব।

**বিশ্ববিদ্যালয় পৰ্য্যায়ত :**—কলেজসমূহ আৰু বিশ্ববিদ্যালয়ত বেজবৰুৱা শতবাৰ্ষিকী অক্টোবৰ মাহৰ ২৩ ৰ পৰা ২৮ তাৰিখৰ ভিতৰত সম্পন্ন হব। ২৮ তাৰিখৰ ভিতৰত বেজবৰুৱা চ'ৰা (Bezbarua Corner) উন্মোচন, আলোচনা চক্ৰ, আবৃত্তি, প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰিব।

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বেজবৰুৱা সোঁৱৰণী বক্তৃতা, প্ৰকাশন, আলোচনা চক্ৰ আৰু বেজবৰুৱা চ'ৰা মুকলি কৰা সম্পৰ্কত সাহিত্য সভাই কৰা যোগাযোগ অনুসৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব।। অক্টোবৰৰ মাহৰ ভিতৰতে বিশ্ববিদ্যালয়ৰ অনুষ্ঠানসমূহ সম্পন্ন হোৱা বাঞ্ছনীয়।

## শিক্ষাষ্ঠানসমূহক জনাবলগীয়া :

## (ক) থোৰতে কেন্দ্ৰীয় কাৰ্য্য-সূচীখন :

১৮ আহিন, ইং ৫ অক্টোবৰ—মূল অনুষ্ঠানৰ উদ্বোধন—যোৰহাট (অসম সাহিত্য সভাৰ পতাকা উত্তোলন, বেজবৰুৱাৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন, শোভাযাত্ৰা, প্ৰদৰ্শনীৰ দুৱাৰ মুকলি, স্মাৰক ডাক টিকট উন্মোচন, গ্ৰন্থাৱলী উন্মোচন, মুকলি অধিবেশন, বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক সমাৰোহ ।)

১৯ আহিন, ইং ৬ অক্টোবৰ—শিৱসাগৰ (স্মৃতিফলক উন্মোচন, ৰাজহুৱা সভা, ৰাতি বেজবৰুৱাৰ নাটক অভিনয় )

২০ আহিন, ইং ৭ অক্টোবৰ—ডিব্ৰুগড় (বেজবৰুৱাৰ ভৱনৰ একাংশ উন্মোচন)

২১ আহিন, ইং ৮ অক্টোবৰ—নগাওঁ, আলোচনা চক্ৰ ।



২২ আহিন, ইং ৯ অক্টোবৰ—তথ্যচিত্ৰ উন্মোচন

২৩।২৪ আহিন, ই ১০।১১ অক্টোবৰ—প্ৰতিযোগিতা আবৃত্তি আদি (বেজবৰুৱা সাহিত্যৰ ওপৰত)

২৫ আহিন, ১২ অক্টোবৰ—শ্বিলঙত অনুষ্ঠান ।

২৬ আহিন, ১৩ অক্টোবৰ—ডিফু, শিলচৰ, কহিমা, ধুবুৰী আদিত ছবি উন্মোচন। স্থানীয় ভাৱে সকলো ঠাইতে সাংস্কৃতিক সমাৰোহ ।

২ কাতি, ইং ১৯ অক্টোবৰ—কলিকতাত অনুষ্ঠান ।

৪ কাতি, ইং ২১ অক্টোবৰ—সম্বলপুৰত অনুষ্ঠান ।

৯ কাতি, ইং ২৬ অক্টোবৰ—নতুন দিল্লীত অনুষ্ঠান ।

বি: দ্ৰ:—বিশ্ববিদ্যালয়ত "বেজবৰুৱা" সোঁৱৰণী বক্তৃতা আৰু তেজপুৰত কেন্দ্ৰ কৰি ছাত্ৰ-দিৱসৰ আয়োজন হব।

## (খ) আঞ্চলিক সমিতিসমূহ :

শিক্ষানুষ্ঠান সমূহে যোগাযোগ কৰাৰ সুবিধাৰ অৰ্থে বিভিন্ন আঞ্চলিক সমিতিৰ নাম আৰু ঠিকনা দিয়া হ'ল :

| আঞ্চলিক সমিতি | | সম্পাদক | ঠিকনা |
|---|---|---|---|
| ডিব্ৰুগড়— | সম্পাদক | ড: সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, | ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড় |
| উত্তৰ লক্ষীমপুৰ— | ,, | শ্ৰীললিত শৰ্ম্মা বৰুৱা | উত্তৰ লক্ষীমপুৰ |
| শিৱসাগৰ— | ,, | শ্ৰীবসন্ত লাল দুৱৰা | শতবাৰ্ষিকী আঞ্চলিক কাৰ্য্যালয়, শিৱসাগৰ |
| যোৰহাট— | ,, | শ্ৰীদেৱপ্ৰসাদ বৰুৱা | চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১ |
| গোলাঘাট— | ,, | শ্ৰীকমলেশ্বৰ শইকীয়া | ডি, আৰ, কলেজ, গোলাঘাট |
| নগাওঁ— | | শ্ৰীজগতচন্দ্ৰ শৰ্ম্মা | নগাওঁ কলেজ, নগাওঁ । |
| তেজপুৰ— | ,, | শ্ৰীনবীন ৰাথ হাজৰিকা | এডভোকেট তেজপুৰ। |
| মঙ্গলদৈ— | ,, | শ্ৰীভৱানন্দ ৰাজখোৱা (ভাৰপ্ৰাপ্ত) | মঙ্গলদৈ |
| নলবাৰী— | ,, | শ্ৰীশশী শৰ্ম্মা | নলবাৰী কলেজ, পো: নলবাৰী |
| বৰপেটা— | ,, | শ্ৰী বিজন লাল চৌধুৰী | বৰপেটা কলেজ, বৰপেটা । |
| গুৱাহাটী— | ,, | শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা | ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১ |
| গোৱালপাৰা— | ,, | শ্ৰীনৰেন নাথ | পো: ধূপধৰা, গোৱালপাৰা |
| ধুবুৰী— | ,, | শ্ৰীউদ্ধৱ কলিতা | বি, এন, কলেজ, ধুবুৰী । |
| শ্বিলং— | ,, | শ্ৰীগুৰুদত্ত ভাগৱতী | জ্ঞানশ্ৰী সতিনগৰ, শ্বিলং । |
| ডিফু— | ,, | শ্ৰীৰং বং টেৰাং | ডিফু কলেজ, ডিফু পো :। |
| কাছাৰ— | ,, | শ্ৰীশৰৎৰায় বৰুৱা আৰু শ্ৰীকুমাৰ মেধি | অসম সাহিত্য সভা ভৱন, শিলচৰ —১ |
| গাৰোপাহাৰ— | ,, | শ্ৰীদেৱেন্দ্ৰ লাল মান | বঙ্গালখাটা, ভেলাৰভেটা ফুলবাৰী পো: |

(নগাভূমি, নেফা আৰু অসমৰ বাহিৰত কেন্দ্ৰীয় সমিতিয়ে পোনপটীয়া ভাৱে তত্বাৱধান কৰিছে)

**নিবেদন,**

সাহিত্য সভাৰ লগত হোৱা আলোচনা অনুসৰি ৰাজ্য চৰকাৰৰ শিক্ষাদপ্তৰৰ পৰা ইতিমধ্যে সঁহাৰি পোৱা হৈছে। শতবাৰ্ষিকী অনুষ্ঠানত ৰাজ্যপাল, মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী, শিক্ষা মন্ত্ৰীৰ পৰা পৃষ্ঠপোষক আৰু শিক্ষাধিকাৰজনাৰ পৰা অন্যতম পৃষ্ঠপোষক হিচাবে আমি সন্মতি পাইছো। দুয়োখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য

দুগৰাকীকো উৎসৱৰ অন্যতম পৃষ্ঠপোষক হিচাবে লোৱা হৈছে। শিক্ষাদপ্তৰে ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত যাতে ভালদৰে বেজবৰুৱা শতবাৰ্ষিকী উদযাপিত হয় তাৰ বাবে প্ৰচেষ্টা চলোৱাত আমি আনন্দিত হৈছো। আঞ্চলিক সমিতি সমূহতো শিক্ষাবিভাগৰ আঞ্চলিক মুৰব্বীসকলক অন্যতম পৃষ্ঠপোষক হিচাবে পাবলৈ আশা কৰা হৈছে।

আমাৰ বিশ্বাস, সকলো পৰ্য্যায়ৰে সদৌজন শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা আমি শতবাৰ্ষিকী অনুষ্ঠানত সক্ৰিয় সহযোগ লাভ কৰিবলৈ সক্ষম হম। শিক্ষকসকলৰ তত্বাৱধানতেই স্বৰূপতে শিক্ষানুষ্ঠানত শতবাৰ্ষিকী পালন কাৰ্য্য সম্পন্ন হব লাগিব।

শিক্ষকসকলৰ মাজতো আঞ্চলিক সমিতিৰ যোগেদি পৰ্য্যায়ক্ৰমে কুপন বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

শেষত অনুৰোধ: অসম তথা ভাৰতৰ বাবেই নৱজাগৰণ আৰু গতিশীলতাৰ উৎস বেজবৰুৱাই সমগ্ৰ অসমীয়াক উদ্বুদ্ধ কৰিছিল—"অসম আকৌ উন্নতি পথত জয় আই অসম বোল"—এনে মহান উক্তিৰ দ্বাৰা। এই আশাবাদৰ প্ৰতীক বেজবৰুৱাক আজিৰ ছাত্ৰ সমাজে কেতিয়াও পাহৰিব নোৱাৰে। আজীৱন কলিকতা, সম্বলপুৰ আৰু বৰোদাত থাকিও বেজবৰুৱাই বিচাৰিছিল "মঙ্গলময় মন্দিৰৰ সিংহদুৱাৰ" স্বৰূপ "মাতৃভাষাৰ উন্নতি।" সেয়েহে সাহিত্যৰথীৰ শতবাৰ্ষিকী কাৰ্যসূচীত প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত কোনো অনুষ্ঠানেই যাতে বাদ নপৰে তাৰ বাবে বিশেষভাৱে অনুৰোধ জনালোঁ।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট—১
ফোন ৩৭৬,
তাং ২৬-৭-৬৮

শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।
সম্পাদক, কেন্দ্ৰীয় উৎসৱ সমিতি।

# প্ৰকাশন সম্পৰ্কীয় বিজ্ঞপ্তি

লক্ষ্মীনাথ বেজবৰুৱা জন্ম শতবাৰ্ষিকী উৎসৱ উপলক্ষে অসম সাহিত্য সভাই তলত নাম দিয়া পুথি সমূহ প্ৰকাশ কৰিবলৈ লৈছে। হ্ৰাসমূল্যত এই প্ৰকাশন সমূহ পাবলৈ বিচৰাসকলে এই আবেদন পত্ৰ পূৰাই অগ্ৰিম ১০ টকা মণিঅৰ্ডাৰ যোগে/চেক যোগে/বেঙ্ক ড্ৰাফট যোগে বা নগদ প্ৰধান সম্পাদক, অসম সাহিত্য সভা, যোৰহাট—১ এই ঠিকনাত ১৫।৯।৬৮ তাৰিখৰ ভিতৰত পঠাব লাগিব। সীমিত সংখ্যক পুথিহে ছাপা কৰাৰ বাবে আগতীয়াকৈ হোৱা গ্ৰাহকসকলেহে হ্ৰাস মূল্যত প্ৰকাশন সমূহ পাব। অক্টোবৰ মাহৰ ভিতৰতে অগ্ৰিম গ্ৰাহক সকলৈ সাহিত্য সভাৰ প্ৰকাশন সমূহ পঠোৱা হ'ব।

**প্ৰকাশন সমূহ: (ক)**
(১) বেজবৰুৱাৰ পূৰ্ণাঙ্গ জীৱনী
(২) মোৰ জীৱন সোঁৱৰণ
(৩) বেজবৰুৱাৰ প্ৰবন্ধ বাচনি
(৪) আলোচনা গ্ৰন্থ (অসমীয়া, ইংৰাজী, হিন্দী)
(৫) শিশুৰ উপযোগী বেজবৰুৱাৰ জীৱনী
(৬) বেজবৰুৱাৰ পত্ৰ-লেখা আৰু দিন-লেখা
(৭) বেজবৰুৱা এলবাম (দত্ত বৰুৱা এণ্ড কোং এ প্ৰকাশ কৰিছে)
(৮) বেজবৰুৱাৰ বৰোদা বক্তৃতামালা (ইংৰাজী)
(৯) ভাষা আৰু সাহিত্য (নিউবুকষ্টলে প্ৰকাশ কৰিছে)
(১০) বেজবৰুৱাৰ গল্প সংকলন "কেহোঁকলি" (মণিমানিক প্ৰকাশে প্ৰকাশ কৰিছে)
(১১) পত্ৰিকাৰ বিশেষ সংখ্যা
(১২) শতবাৰ্ষিকী স্মৃতি গ্ৰন্থ

**(খ)**
(১) বেজবৰুৱাৰ সম্পূৰ্ণ ৰচনাৱলী ১ম খণ্ড
(২) বেজবৰুৱাৰ সম্পূৰ্ণ ৰচনাৱলী ২য় খণ্ড
(সাহিত্য প্ৰকাশে প্ৰকাশ কৰিছে)

## অগ্ৰিম গ্ৰাহকভুক্তিৰ বাবে আবেদন-পত্ৰ

প্ৰধান সম্পাদক,
অসম সাহিত্য সভা, যোৰহাট—১
মহাশয়,

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা জন্ম শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাই প্ৰকাশ কৰিবলৈ লোৱা গ্ৰন্থসমূহ নিৰ্দ্দিষ্ট হ্ৰাসমূল্যত পাবৰ কাৰণে মই অগ্ৰিম ১০.০০ (দহ) টকা মণিঅৰ্ডাৰ, চেক/বেঙ্ক ড্ৰাফট যোগে/নগদ পঠালো। আশাকৰো মোক অগ্ৰিম গ্ৰাহকৰ তালিকাভুক্ত কৰিব আৰু যথাসময়ত মোলৈ শতবাৰ্ষিকী সংক্ৰান্তত সাহিত্য সভাই প্ৰকাশ কৰা গ্ৰন্থাৱলী ডাক যোগে পঠাব।

পঠোৱা ধনৰ পৰিমাণ ______
নাম ______
ঠিকনা ______

স্বাক্ষৰ

# সহকাৰী সম্পাদকৰ বিজ্ঞপ্তি

এই বিজ্ঞপ্তিৰ দ্বাৰা অসম সাহিত্য সভাৰ সকলো শাখা আৰু স্বীকৃত সভাৰ সম্পাদক সকলৰ প্ৰতি তলত উল্লেখ কৰা বিষয় কেইটি বিশেষভাৱে দৃষ্টিগোচৰ কৰা হ'ল :——

## সভ্যভৰ্ত্তি কৰণ আৰু ভাষা-জ্ঞান পৰীক্ষা

অসম সাহিত্য সভাৰ চলিত বছৰৰ বাবে সভাভৰ্ত্তি অভিযান ইতিমধ্যে আৰম্ভ কৰিবৰ সময় হ'ল। ন-পুৰণি সভ্য ভৰ্ত্তি কৰি অসম সাহিত্য সভাৰ সভ্য সংখ্যা বৃদ্ধি কৰাত শাখা সভা সমূহ তৎপৰ হ'ব বুলি আশা কৰা হ'ল। সভ্যভৰ্ত্তিৰ উদ্দেশ্যে যিবিলাক সভাই এতিয়াও কেন্দ্ৰীয় কাৰ্য্যালয়ৰ পৰা সভাভৰ্ত্তি বহী আদি নিয়া নাই সিবিলাক শাখাক বহী আদি নিবৰ কাৰণে ইয়াৰ দ্বাৰাই জনোৱা হ'ল। সভাভৰ্ত্তি অভিযান আৰু বছেৰেকীয়া বৰঙণি জমা দিয়াৰ শেষ তাৰিখ নিৰ্দ্ধাৰণ সম্পৰ্কে পৰৱৰ্ত্তী বিজ্ঞপ্তিত জনোৱা হ'ব।

আন আন বছৰৰ দৰে এই বছৰো অসম সাহিত্য সভাৰ দ্বাৰা 'অসমীয়া ভাষা জ্ঞান প্ৰমাণ পত্ৰ পৰীক্ষাৰ আয়োজন কৰা হৈছে। এই পৰীক্ষা চলিত বছৰৰ অক্টোবৰ মাহত প্ৰাথমিক আৰু মাধ্যমিক এই দুই পৰ্য্যায়ত সদৌ অসমৰ বিভিন্ন কেন্দ্ৰত শাখা সভাৰ যোগে পৰিচালিত হ'ব। প্ৰাথমিক আৰু মাধ্যমিক পৰীক্ষাৰ ভৰ্ত্তি মাচুল যথাক্ৰমে ২ (দুটকা) টকা আৰু ৩ (তিনিটকা) টকা ধাৰ্য্য কৰা হৈছে। এই পৰীক্ষা মাত্ৰ অনা অসমীয়া লোকসকলৰ বাবেহে অনুষ্ঠিত হ'ব। শাখা সভাৰ সম্পাদকসকলে তেনে পৰীক্ষাৰ্থী সংগ্ৰহ কৰি ভৰ্ত্তি মাচুল সহ আমালৈ পঠালেই ফৰম আদি পঠোৱা হ'ব।

## অসম সাহিত্য সভা পত্ৰিকাৰ বৰঙণি

পূৰ্ব্বৰ বিজ্ঞপ্তি অনুসৰি যিবিলাক শাখা সভাই এতিয়াও ২৫শ বৰ্ষ পত্ৰিকাৰ বছেৰেকীয়া বৰঙণি জমা দিয়া নাই সিবিলাকক ইয়াৰ দ্বাৰাই উক্ত বৰঙণি পঠাবলৈ জনোৱা হ'ল। অন্যথা পৰৱৰ্ত্তী সংখ্যা পত্ৰিকা আমি ভি.পি ডাকত পঠাবলৈ বাধ্য হম।

## বেজবৰুৱা শতবাৰ্ষিকী সংক্ৰান্ত বিশেষ বিজ্ঞপ্তি

(১) শাখা সভাসমূহে ৰছিদ বহী যোগে বেজবৰুৱা শতবাৰ্ষিকীৰ বাবে কৰা অৰ্থ সংগ্ৰহ বন্ধ কৰি সংগৃহীত অৰ্থৰ ৬০ ভাগ ৰছিদ বহীৰ অৱশিষ্ট অংশ সহ অনতি পলমে মূল সভালৈ পঠাব।

(২) তদুপৰি শাখা সভাসমূহে আঞ্চলিক সমিতিৰ কুপন যোগে অৰ্থ সংগ্ৰহত সকলো প্ৰকাৰে সহযোগিতা আগবঢ়োৱাটো জৰুৰী বুলি বিবেচনা কৰে যেন। (৩) কোনো সভাই বেজবৰুৱা শতবাৰ্ষিকীৰ বাবে অৰ্থ সংগ্ৰহ কৰিবলৈ নিজে সুকীয়া ৰছিদ বহী ছপাই ব্যৱহাৰ নকৰিব। এনে কাৰ্য্য মূল সভাৰ উদ্দেশ্যৰ বিৰুদ্ধ জ্ঞান কৰা হ'ব।

(৪) বেজবৰুৱা শতবাৰ্ষিকী সমিতিৰ সিদ্ধান্ত অনুযায়ী বেজবৰুৱা প্ৰকাশনৰ বাবে অগ্ৰীম গ্ৰাহক সংগ্ৰহৰ বাবেও শাখা সভাৰ সম্পাদক, সহকৰ্ম্মী সকলক অনুৰোধ জনোৱা হল। যি সকল গ্ৰাহকে বেজবৰুৱাৰ সমূহ প্ৰকাশন (গ্ৰন্থাৱলী) কিনিবলৈ ইচ্ছা কৰে সেইসকলে নিৰ্দ্দিষ্ট আবেদন পত্ৰ পূৰাই ১০ টকাকৈ অগ্ৰীম ১৫।৯।৬৮ তাৰিখৰ ভিতৰতে সম্পাদক, অসম সাহিত্য সভা, যোৰহাট—১, এই ঠিকনালৈ ধন পঠাব লাগিব। তেনে গ্ৰাহকলৈ কাৰ্য্যালয়ৰ পৰা বেজবৰুৱা গ্ৰন্থাৱলীসমূহ বেহাই মূল্যত ডাক যোগে পঠোৱা হ'ব।

# তেজপুৰ অধিৱেশনৰ প্ৰস্তাৱ

**১নং প্ৰস্তাৱ :**

অসম সাহিত্য সভাৰ এই পঞ্চত্ৰিংশ বাৰ্ষিক সন্মিলনে আৰম্ভৰে পৰা সমস্ত ১৯৬৭ চনৰ বছৰটো অসম তথা ভাৰতক আলোড়িত কৰা অসমৰ পুনৰ গঠন সম্পৰ্কীয় প্ৰশ্নটো গভীৰভাৱে চিন্তা কৰে। পাৰ্ব্বত্য নেতা সন্মিলনৰ পাৰ্ব্বত্য ৰাজ্যৰ দাবীয়েই যে এই আলোড়ণৰ মূল সেই কথালৈ সন্মিলনে বিশেষ ভাৱে লক্ষ্য ৰাখে আৰু এইটো সুস্পষ্ট কৰি প্ৰকাশ কৰিবৰ বাঞ্চা কৰে যে অসমৰ স্বায়ত্ত শাসিত জিলা কেইখনৰ সৰ্ব্বসাধাৰণ ৰাইজৰ প্ৰতি অসম সাহিত্য সভাই আন্তৰিকতম শুভেচ্ছা মাত্ৰ প্ৰকাশ কৰে আৰু সি সকলৰ সৰ্ব্বপ্ৰকাৰে উন্নয়ন কামনা কৰে। সভাই নিজেও উপলব্ধি কৰে আৰু পাৰ্ব্বত্য অঞ্চলৰ নেতা আৰু ৰাইজে উপলব্ধি কৰাটোও কামনা কৰে যে অসমৰ আৰু অসমৰ অন্তৰঙ্গ পাৰ্ব্বত্য অঞ্চলৰ সুখ সমৃদ্ধি আৰু শান্তিৰ অৰ্থে ভাৰতৰ পূৱপ্ৰান্তৰ সংহতি সৰ্ব্বতোভাৱে কামনীয় আৰু এই সংহতিৰ কিঞ্চিত ক্ষতিয়েও চূড়ান্ত বিচাৰত সমস্ত ভাৰতৰ সংহতি আৰু শান্তিক সংহত কৰিব পাৰে। অসম সাহিত্য সভাই এই কথা পাহৰিব নোখোজে পাৰ্ব্বত্য অঞ্চলৰ ৰাইজ অশেষ মনোবল গুণৰ অধিকাৰী আৰু অসমৰ বহুজন মিলনসম্ভূত সংস্কৃতিলৈ সি সকলৰ দান ইতিহাসৰ এটি উজ্জল স্বতঃসিদ্ধ।

এই পৰিপ্ৰেক্ষিত অসমৰ ভাষা আৰু সংস্কৃতিৰ সন্মানৰ প্ৰতি বিশেষ ভাৱে লক্ষ ৰাখি সাহিত্য সংস্কৃতিৰ অনুষ্ঠান অসম সাহিত্য সভাই উপলব্ধি কৰে যে স্বায়ত্ত শাসিত অঞ্চলক সম্ভৱপৰ অধিকতৰ স্বায়ত্ত শাসন দি হলেও অসম ৰাজ্যৰ সংহতি অটুত ৰাখিবলৈ কেন্দ্ৰীয় কৰ্তৃপক্ষ দৃঢ়পৰিকৰ হোৱা নিতান্ত বাঞ্চনীয়। এই প্ৰসঙ্গত অশোক মেহতা কমিটিৰ অনুমোদন সমূহেই সমস্যাটিৰ এটি আদৰ্শনীয় সমাধান বুলি সভাই মত প্ৰকাশ কৰে।

**২নং প্ৰস্তাৱ :**

যোৱা ২৬ জানুৱাৰী তাৰিখে গুৱাহাটীত সংঘটিত হোৱা সমাজবিৰোধী হিংসাত্মক কাৰ্য্যই অসম সাহিত্য সভা তথা অসমৰ সকলো হিতকাঙক্ষী লোকক উদ্বিগ্ন কৰি তুলিছে। সমাজৰ এনেকুৱা বিশৃঙ্খল আৰু অশান্তিকৰ পৰিস্থিতি যে সংস্কৃতি আৰু সংহতিৰ পৰিপন্থী সেই বিষয়ে কাৰো দ্বিমত থাকিব নোৱাৰে। এই বিষয়ে চিন্তা কৰি অসম সাহিত্য সভাই এনে কাৰ্য্যৰ পৰা সম্পূৰ্ণ বিৰত থাকিবলৈ সদৌ অসম বাসী ৰাইজৰ ওচৰত অনুৰোধ জনায়।

**৩নং প্ৰস্তাৱ :**

অসম সাহিত্য সভাই অসম আৰু নগাভূমিৰ উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কৰ ৬ মাৰ্চ্চ ১৯৬৭ তাৰিখৰ নিম্ন ন্যায়ালয়ৰ ভাষা সম্পৰ্কীয় অধ্যাদেশ পৰ্য্যালোচনা কৰে আৰু এই অধ্যাদেশ স্পষ্টভাৱে অসম চৰকাৰীয় ভাষা অধিনিয়মৰ বিধান সংহত কৰা হেতুকে এই অধ্যাদেশ খন জাৰি কৰা কাৰ্য্যত তীব্ৰ অসন্তোষ প্ৰকাশ কৰে। এই অধ্যাদেশ খনি প্ৰত্যাহাৰ কৰা বুলি নতুন এখনি অধ্যাদেশ জাৰি কৰা বুলি বাতৰি কাকতত যি বাতৰি প্ৰকাশ পাইছে তাত সভা সমূলক্ষে আশ্বস্ত হবৰ কোনো কাৰণ দেখা পোৱা নাই। এই পৰিস্থিতিত অসম সাহিত্য সভাই উচ্চ ন্যায়ালয়ৰ কৰ্তৃপক্ষই তুৰন্তে ৬ মাৰ্চ্চ আৰু পৰৱৰ্ত্তী দুইখন অধ্যাদেশ সম্পূৰ্ণ প্ৰত্যাহাৰ কৰাটো দৃঢ়ভাৱে দাবী জনায়।

**৪নং প্ৰস্তাৱ :**

আজিৰ সভাই অসমৰ দুয়োখন বিশ্ববিদ্যালয়কে শিক্ষাদানৰ সকলো স্তৰতে অসমীয়া ভাষাক মাধ্যম ৰূপে প্ৰৱৰ্ত্তন কৰিবৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই সন্দৰ্ভত বিশ্ববিদ্যালয় কৰ্তৃপক্ষসমূহক আৱশ্যকীয় অনুদান দিবলৈ সভাই চৰকাৰক অনুৰোধ জনায় আৰু আঞ্চলিক ভাষাৰ পূৰ্ণ প্ৰয়োগৰ ক্ষেত্ৰত পাঠ্যপুথিৰ সংকট দূৰ কৰিবলৈ চৰকাৰী শিক্ষা বিভাগ, বিশ্ববিদ্যালয় আৰু অসম সাহিত্য সভাৰ প্ৰতিনিধিৰে এখন সমন্বয়ৰক্ষী সমিতি গঠন কৰি দিবলৈ সভাই চৰকাৰক অনুৰোধ জনায়।

# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিৱেশন

**স্থান : ভগৱতী প্ৰসাদ বৰুৱা ভৱন**

তাং ২৬।৫।৬৮, সময়—বিয়লি ৪-৩০

উপস্থিতসকল :—শ্ৰীজ্ঞাননাথ বৰা সভাপতি, ডঃ মহেশ্বৰ নেওগ উপসভাপতি, অধ্যাপক দুৰ্গেশ্বৰ শৰ্ম্মা, অধ্যাপক ছৈয়দ আব্দুল মালিক, অধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামী, শ্ৰীযতীন গোস্বামী, শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত, শ্ৰীহেৰম্ব বৰদলৈ, শ্ৰীকুমাৰ মেধি, শ্ৰীদেবেন্দ্ৰলাল মান, শ্ৰীধৰ্ম্মকান্ত গোহাঁই, শ্ৰীহৰিমোহন সৰকাৰ, শ্ৰীঅমিয়া চক্ৰৱৰ্ত্তী, অধ্যাপক নন্দ তালুকদাৰ, অধ্যাপক নগেন শইকীয়া, শ্ৰীহৰিপ্ৰসাদ নেওগ প্ৰধান সম্পাদক।

বিশেষভাৱে নিমন্ত্ৰিতসকল : অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা, শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীসতীশ চন্দ্ৰ কাকতি, শ্ৰীচাৰু মহন্ত।

১। শ্ৰীজ্ঞাননাথ বৰাই সভাপতিৰ আসন গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে তলত উল্লেখ কৰা দেশ মাতৃৰ সুসন্তান সকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি সিকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয় আৰু সন্তপ্ত পৰিয়াল-পৰিজনলৈ সহানুভূতি জ্ঞাপন কৰা হয়।

পৰলোক প্ৰাপ্তসকল :—সু-সাহিত্যিক অম্বিকানাথ বৰা, বিশিষ্ট সমাজসেৱী-দীনবন্ধু শ্ৰীতিলক ভূঞা, অসমৰ এগৰাকী বিশিষ্ট নেতা, অসম বিধান সভাৰ অধ্যক্ষ হৰেশ্বৰ গোস্বামী, অধ্যক্ষ কবিৰাজ জগদীশ চন্দ্ৰ ভট্টাচাৰ্য্য, প্ৰবীণ সাহিত্যিক আৰু প্ৰাক্তন পত্ৰিকা সম্পাদক শ্ৰীপ্ৰেমধৰ ৰাজখোৱা, আজীৱন সভ্য শ্ৰীধীৰেণ আগৰৱালা আৰু বিশ্বশান্তিৰ প্ৰতীক মাৰ্টিন লুথাৰ কিং।

২। যোৱা অধিৱেশনৰ কাৰ্য্যবিৱৰণী পঠিত আলোচি[ত] আৰু গৃহীত হয়। প্ৰধান সম্পাদকে সমিতিৰ ১০ ম[...] সিদ্ধান্তৰ ওপৰত প্ৰেৰিত শ্ৰীব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰীৰ চিঠি পাঠ কৰে।

৩। বেজবৰুৱা শতবাৰ্ষিকী সংক্ৰান্তত আলোচনা হয়। প্ৰধান সম্পাদকে এতিয়ালৈকে হোৱা কাম[...] অগ্ৰগতি সম্পৰ্কে জনায়। এই সংক্ৰান্তত অসমৰ মুখ্যমন্ত্ৰীৰ লগত যোৱা ৪ মে তাৰিখে হোৱা সাক্ষাত সম্পৰ্কে[...] জনায়।

শতবাৰ্ষিকী সম্পৰ্কে তলত দিয়া সিদ্ধান্তসমূহ গ্ৰহ[ণ] কৰা হয়।

(ক) বেজবৰুৱা তথ্যচিত্ৰ নিৰ্ম্মাণৰ বাবে ধাৰে দি[...] ষ্টুডিঅ' সামগ্ৰীৰ বিপৰীতে পোন্ধৰ হাজাৰ টকাৰ বেজ[...] নিৰাপত্তামূলক চুক্তি অসম চৰকাৰে বিচৰাত এনে চুক্তি অনুমোদন কৰা হওক।

(খ) বেজবৰুৱাৰ হাওৰাৰ বাসভৱনৰ সন্মুখত এ[...] স্মৃতি স্তম্ভ নিৰ্ম্মাণ কৰা সম্পৰ্কে সমিতিয়ে কলিকতা[...] উৎসৱ সমিতিৰ লগত যোগাযোগ কৰিবলৈ প্ৰধা[ন] সম্পাদকক ভাৰ দিয়ে।

(গ) পুঁজিৰ অৱস্থা অনুপাতে প্ৰথম বছৰ বাই[...] পুনৰ্মুদ্ৰণ কৰিবলৈ স্থিৰ কৰা হয়।

(ঘ) প্ৰধান সম্পাদকৰ বাসভৱনত টেলিফোন সংযো[...] গৰ বাবে সমিতিয়ে অনুমোদন জনায়।

(ঙ) কলিকতাৰ বাণী প্ৰকাশে বেজবৰুৱাৰ "কৃপা-[...] দেউতা আৰু নাতি ল'ৰাৰ" বঙ্গালী অনুবাদ বেজবৰুৱা[...] শতবাৰ্ষিকীৰ সময়তে প্ৰকাশ কৰিবলৈ বিচাৰে বুলি



ডঃ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্যই সমিতিক জানিবলৈ দিয়ে। সভাই এনে সিদ্ধান্তত সন্তোষ প্ৰকাশ কৰে। এই বিষয়ে বাণী প্ৰকাশৰ শ্ৰীঅম্বিকাপদ চৌধুৰীৰ লগত যোগা-যোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

(চ) দিল্লীৰ পাৰ্লামেণ্ট হাউচত বেজবৰুৱাৰ তৈল চিত্ৰ ৰাখিবৰ বাবে যথাব্যৱস্থা কৰা হওক।

(ছ) কাছাৰত হব লগা অনুষ্ঠান কেন্দ্ৰীয় সমিতিৰ তত্বাৱধানত সম্পন্ন কৰা সম্পৰ্কত পুঁজিৰ অৱস্থা সাপেক্ষে যথাব্যৱস্থা কৰা হব।

(জ) বেজবৰুৱাৰ চমুজীৱনী ভাৰতৰ বিভিন্ন আঞ্চলিক ভাষাত প্ৰকাশ কৰা সম্পৰ্কে সাহিত্য একাডেমীৰ লগত আলোচনা কৰি যথাব্যৱস্থা কৰিবলৈ ডঃ মহেশ্বৰ নেওগ, শ্ৰীসতীশ কাকতি, আৰু প্ৰধান সম্পাদক শ্ৰীনেওগক ভাৰ দিয়া হয়।

(ঝ) বিভিন্ন সৰ্ব্বভাৰতীয় অনুষ্ঠান তথা সৰ্ব্বভাৰতীয় প্ৰকাশনত বেজবৰুৱাৰ বিশেষ সংখ্যা উলিয়াবলৈ অনুৰোধ কৰা হওক।

৪। পুনৰ্গঠন সম্পৰ্কে আলোচনা হয়। প্ৰধান সম্পাদকে বিষয়টি উত্থাপন কৰাৰ পাচত উপ-সভাপতি ডঃ নেওগে মুকলিকৈ পৰ্য্যালোচনা কৰে। বিশেষ ভাৱে নিমন্ত্ৰিত শ্ৰীসতীশ কাকতি আৰু প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই আলোচনাত অংশ গ্ৰহণ কৰাৰ উপৰিও সমিতিৰ সদস্যসকলে নিজ অভিমত ব্যক্ত কৰে। আলোচনাৰ অন্তত তলত উল্লেখ কৰা প্ৰস্তাৱটি গৃহীত হয়।

প্ৰস্তাৱ : অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ আজিৰ অধিৱেশনে সভাৰ তেজপুৰ অধিৱেশনৰ পিছত উদ্ভূত অসমৰ পুনৰগঠন সম্পৰ্কীয় পৰিস্থিতি পৰ্য্যালোচনা কৰে। এই সময়ছোৱাৰ ভিতৰত বাতৰি কাকতত প্ৰকাশ পোৱা বিভিন্ন ঘোষণাবোৰৰ পৰা এফালে অসমক ৰাজনৈতিক পৰীক্ষাৰ গিনিপিগৰ দৰে ব্যৱহাৰ কৰিবৰ সহিত যত্ন স্পষ্ট হৈ উঠিছে আৰু আনফালে শত্ৰু ৰাষ্ট্ৰৰ সন্নিকত সোমাই থকা অসমক নানা ৰাজনৈতিক প্ৰাগত পেলাই নানা বিভেদকামী শক্তিক প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে উদগণি যোগোৱা হৈছে। এনে এটা অৱস্থাই যে দেশৰ সাংস্কৃতিক জীৱনক বিপদাপন্ন কৰি তোলে তাক উপলব্ধি কৰাত কেন্দ্ৰীয় চৰকাৰৰ কাৰ্পণ্য দেখি কাৰ্য্যনিৰ্ব্বাহক সমিতি অসন্তুষ্ট হৈছে। এনে দুঃখ দায়ক পৰিস্থিতিয়ে অসমক খণ্ডবিখণ্ড কৰাৰ যত্ন কৰিবলৈ নানা লোকক প্ৰলুব্ধ কৰি তুলিছে। এনে পৰিস্থিতিয়ে অসম তথা ভাৰতৰ আভ্যন্তৰীণ শান্তি অন্তৰ্হিত কৰিব। এই কথা বুজাত বিলম্ব হোৱাটো অনুচিত। কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া অভিমত বুলি প্ৰচাৰিত আচনিৰ যেহেতু সমিতিৰ অনুমোদন সমূহকে চেৰাই যি পুনৰ্গঠনৰ ব্যৱস্থ কৰা হৈছে বুলি শুনা গৈছে সি যদিও এতিয়াও অস্পষ্টতাৰ কুৱলীৰে আবৃত্ত তথাপি তাৰ যি সঙ্কেত পোৱা হৈছে তাতে অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে উদ্বেগ প্ৰকাশ কৰে। বিভেদমুখী শক্তিক গভীৰ ইন্ধন যোগোৱা বা অসম তথা ভাৰতৰ সংহতি সংহত কৰা সকলো প্ৰস্তাৱকে এই সমিতিয়ে সহিত বিবেচনা কৰে।

এনেতে সভাপতি ডাঙৰীয়াই শাৰীৰিক অসুস্থতা বশত : সভাগৃহ এৰাত উপসভাপতি ডঃ নেওগে সভা-পতিৰ আসন গ্ৰহণ কৰে।

৫। প্ৰচাৰ বিভাগৰ ভাৰপ্ৰাপ্ত সহকাৰী সম্পাদক শ্ৰীনগেন শইকীয়াই ইতিমধ্যে প্ৰচাৰ সমিতিয়ে হাতত লোৱা কাৰ্যসূচী উত্থাপন কৰে। কাৰ্যসূচীৰ বিষয় সমূহ হল প্ৰচাৰ পত্ৰ প্ৰকাশ, অসমীয়া প্ৰচাৰ পাঠ্য, আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম সম্পৰ্কীয় পুস্তিকা প্ৰকাশ ভিতৰুৱা অঞ্চলত প্ৰচাৰ সংগঠন আৰু সাংস্কৃতিক বিনিময়, অসম সাহিত্য সভাৰ পৰিচয়মূলক ইংৰাজী পুস্তিকা প্ৰকাশ, এটি টেপৰেকৰ্ডাৰ ক্ৰয়। সমিতিয়ে উক্ত আঁচনি অনুমোদন কৰে আৰু সিদ্ধান্ত কৰে যে পুঁজিৰ অৱস্থা সাপেক্ষে প্ৰধান সম্পাদকে যথাব্যৱস্থা কৰিব। ইয়াৰ উপৰিও প্ৰচাৰ সমিতিত তলত দিয়া ধৰণে পৰামৰ্শ সমূহ উত্থাপিত হয়।

(ক) অনা-অসমীয়া স্কুলত অসমীয়া মাধ্যমৰ পাঠ্য পুথি প্ৰচলন। (খ) আচামিজ ফৰ অল এই পৰ্য্যায়ৰ পুথিৰ পিছত দ্বিতীয় পৰ্য্যায়ৰ এনে পুথি প্ৰকাশ। (গ) মিশ্যনেৰীসকলক অসমীয়া ভাষাৰ ব্যৱহাৰ

কৰিবলৈ অনুৰোধ । (ঘ) অইল ইণ্ডিয়া বা তেনে উদ্যোগ নগৰীত প্ৰতিষ্ঠিত স্কুলসমূহত বাধ্যতামূলক ভাৱে অসমীয়া ভাষা প্ৰচলন কৰিবলৈ ব্যৱস্থা গ্ৰহণ। (ঙ) স্তম্ভ ফলক আদিত বিশুদ্ধ অসমীয়া প্ৰয়োগ ।

৬। প্ৰধান সম্পাদকে ১৯৬৭-৬৮ চনৰ উদ্বৃত্ত পত্ৰ দাখিল কৰে। ইয়াৰ লগতে হিচাপ পৰীক্ষক মঃ চাকীৰ প্ৰতিবেদন পঠিত আৰু আলোচিত হয়। কাঃ নিঃ সমিতিয়ে উদ্বৃত্ত পত্ৰ গ্ৰহণ কৰে আৰু হিচাপ পৰীক্ষকে উল্লেখ কৰা আসোঁৱাহসমূহ দূৰীকৰণাৰ্থে তদন্ত দিয়া ধৰণে সিদ্ধান্ত গ্ৰহণ কৰে।

হিচাপ পৰীক্ষকে দেখুৱা মতে ভ্ৰমণ বাবদ শিতানত আয়ব্যয়কত ধৰাতকৈ দুহেজাৰ টকা অধিক খৰছ হৈছে। সিদ্ধান্ত কৰা হয় যে আচবাব, সজুলি আৰু ক্ষুদ্ৰমুদ্ৰণ শিতানৰ পৰা এই খৰছ পুনৰ সংযোজিত ( Re-approtion ) কৰা হওক ।

সিদ্ধান্ত কৰা হয় যে ভগৱতী প্ৰসাদ বৰুৱা ভৱন নিৰ্ম্মাণ সমিতি ভঙ্গ কৰা হল আৰু এই সমিতিৰ যাৱতীয় দায়িত্বৰ সম্পত্তি ভগৱতী প্ৰসাদ বৰুৱা ভৱন সংৰক্ষণ সমিতিত নিহিত হওক। সতিকে নিৰ্ম্মাণ সমিতিৰ নামত বেংকত থকা হিচাপৰ সম্পূৰ্ণ টকা তুলি ভগৱতী প্ৰসাদ বৰুৱা ভৱন সংৰক্ষণ সমিতিৰ হিচাপত জমা দিয়া হওক ।
হিচাপ পৰীক্ষকৰ বিধান অনুসৰি বাকী বিষয় সমূহ কাৰ্য্যকৰী কৰিবলৈ প্ৰধান সম্পাদকক নিৰ্দ্দেশ দিয়া হওক ।

ধনভঁড়ালীক হিচাপ ৰক্ষণৰ নিয়মিত পদ্ধতি মানি লৈ পৰ্য্যবেক্ষণ কৰিবলৈ অনুৰোধ জনোৱা হয়।

৭। প্ৰধান সম্পাদকে ১৯৬৮-৬৯ চনৰ আয়ব্যয়ক দাখিল কৰে। এই প্ৰসঙ্গত প্ৰধান সম্পাদকে জনায় যে চলিত বছৰৰ আয়ব্যয়কত বেজবৰুৱা শতবাৰ্ষিকীৰ হিচাপ পৃথক কৰা হৈছে। এই হিচাপ বেজবৰুৱা শতবাৰ্ষিকীৰ আয় ব্যয়কৰ লগত সংযোজিত হব। ইতিমধ্যে যোৱা ১০।৩।৬৮ তাৰিখে শতবাৰ্ষিকী সমিতিয়ে ৩,১৬০০০,০০ টকাৰ এখন আঁচনি গ্ৰহণ কৰিছে। প্ৰধান সম্পাদকে জনায় যে সাধাৰণ পুজিঁৰ অৱস্থা উন্নত নোহোৱাৰ কাৰণে যোৱা বছৰ গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী প্ৰকাশনৰ শিতানত আচুতীয়া পুজিঁৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। এই প্ৰসঙ্গত সাহিত্য সভাৰ সম্পূৰ্ণ প্ৰকাশনৰ এটি স্বকীয়া বিভাগ পৰিচালনা কৰাৰ আৱশ্যকতা সম্বন্ধেও বিষয়টি উত্থাপন কৰা হয়। যোৱা বছৰ ৰাজ্য চৰকাৰে বাৰ্ষিক মঞ্জুৰী ১৫,০০০'০০ টকালৈ উন্নিত কৰে । সভাৰ নিৰ্দ্দিষ্ট আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে অনুন্য ৩০,০০০'০০ টকা বাৰ্ষিক অনুদানৰ বাবে দাবী দোহৰা হৈছে বুলি প্ৰধান সম্পাদকে জনায়। ১৯৬৮-৬৯ ৰ আয় ব্যয়ক উত্থাপিত হ'ল । মুঠ আয় ১২৮,৯৭৭২৯ মুঠ ব্যয় ১৩৪৩০৭৩৫ টকা মুঠ ঘাটি ৫৩৩০'০৬ টকা। উক্তঘাটি পূৰণাৰ্থে সভাৰ প্ৰকাশনৰ বিক্ৰী ব্যৱস্থা উন্নিত কৰিবলৈ আৰু প্ৰকাশনৰ পৰা আয়ৰ মাত্ৰা বৃদ্ধি কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক ক্ষমতা দিয়ে।

৮। ১৯৬৮-৬৯ বিত্তীয় বছৰৰ বাবে অধ্যাপক মহম্মদ চাকীক হিচাপ পৰীক্ষক নিয়োগ কৰা হওক।

৯। কেন্দ্ৰীয় আৰু গুৱাহাটী কাৰ্য্যালয়ৰ সহকাৰীৰ দৰ্মহা মৰগীয়া বাবদ ১০'০০ টকা বাদে ১০০'০০—৫'০০—২০০'০০ আৰু কেন্দ্ৰীয় কাৰ্য্যালয়ৰ মুখ্য সহকাৰীৰ নিৰিখ ১৫০'০০—৫'০০ ২৭৫'০০ টকা নিৰ্দ্ধাৰণ কৰা হয়। এই অনুসৰি কৰ্ম্মচাৰীৰ দৰ্মহা ২৫ টকাকৈ বৃদ্ধি পাব। বৰ্দ্ধিত দৰ্মহা যোৱা ১।৫।৬৮ৰ পৰা বলবৎ হব।

কেন্দ্ৰীয় কাৰ্য্যালয়ৰ অস্থায়ী সহকাৰী শ্ৰীহেমেশ্বৰ শইকীয়াক মৰগীয়া বাবদ বাদে ১০৫ টকা দৰমহা নিৰ্দ্ধাৰণ কৰি ১।৫।৬৮ৰ পৰা নিযুক্তি দিয়া হওক।

কেন্দ্ৰীয় কাৰ্য্যালয়ৰ চৌকীদাৰ শ্ৰীপ্ৰমোদ হাজৰিকাক ৰাতি চৌকিদাৰ কৰাৰ বাবদ ২৫(পচিশ) টকা উপৰঞ্চি দিয়া হওক ।

গুৱাহাটী কাৰ্য্যালয়ৰ সহকাৰী শ্ৰীসৰ্ব্বানন্দ বৰ্ম্মনৰ ছুটীৰ আবেদন অনুসৰি ৩০।৪।৬৮ তাং পৰ্য্যন্ত স্বাস্থ্যজনিত ছুটী মঞ্জুৰ কৰা হওক। বৰ্ম্মনক ৩১।৫।৬৮ পৰ্য্যন্ত বিনা বেতনে ছুটী মঞ্জুৰ কৰা হয়। উক্ত সময়ছোৱাত ইতিমধ্যে কাম কৰি থকা শ্ৰীগোলাপ চন্দ্ৰ দাসৰ নিযুক্তি অনুমোদন কৰা হওক ।

১।৫।৬৮ৰ পৰা গুৱাহাটী কাৰ্য্যালয়ৰ সহকাৰীৰ বেতন ১০০—৫—২০০ নিৰিখত মঞ্জুৰ কৰা হয় ।

গুৱাহাটী কাৰ্য্যালয়ৰ চৌকিদাৰ শ্ৰীঅনন্ত তালুকদাৰক ১।৫।৬৮ তাৰিখৰ পৰা মাহে ৬০—১৫ টকাকৈ নিৰিখত নিযুক্তি দিয়া হওক।

১০। প্ৰধান সম্পাদকে জনায় যে সভাৰ যোৱা তেজপুৰ সন্মিলনৰ বাহি পুঁজিৰ পৰা বাৰ্ষিকী প্ৰকাশন বাবে এটি অনুদান পালে বাৰ্ষিকীখন প্ৰকাশৰ বাবে যথাব্যৱস্থা কৰা হব। যোৱা বছৰ পৰলোক ঘটা প্ৰাক্তন সভাপতি বিহগী কবি ৰঘুনাথ চৌধুৰী আৰু বিদায়ী সভাপতি নকুলচন্দ্ৰ ভূঞাৰ স্মৃতি গ্ৰন্থৰ আনুষ্ঠানিক ভাবে সংকলন, সম্পাদন আৰু প্ৰকাশৰ কাম হাতত লোৱা হৈছে। সমিতিয়ে অনুমোদন জনায়।

১১। প্ৰধান সম্পাদকে জনায় যে, শৰৎ চন্দ্ৰ গোস্বামীৰ পৰিবাৰ শ্ৰীযুতা ভুবনেশ্বৰী গোস্বামীৰ লগত হোৱা আলোচনা ক্ৰমে গোস্বামীৰ গ্ৰন্থৰাজিৰ সংকলনৰ দায়িত্ব ডঃ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্যদেৱক দিয়া হৈছে। যিহেতুকে সাহিত্য সভাৰ সীমিত পুঁজিৰে গ্ৰন্থাৱলী প্ৰকাশৰ সম্পূৰ্ণ ব্যয় বহন কৰা সম্ভৱপৰ নহব সতিকে পুঁজি আৰু গ্ৰন্থ প্ৰকাশ সম্পৰ্কে গোস্বামীৰ পৰিয়ালৰ লগত আলোচনা কৰি যথাব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে ।

১২। প্ৰধান সম্পাদকে জনায় যে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ গ্ৰন্থাৱলী সম্পাদনাৰ বাবে শ্ৰীবেণুধৰ শৰ্মাক দায়িত্ব দিয়া হৈছে। এই কাৰ্য্যত শ্ৰীযোগেশ দাসেও সহায় কৰিছে। গোস্বামীৰ পুত্ৰ শ্ৰীপ্ৰফুল্ল গোস্বামীৰ লগত আলোচনা কৰি পুঁজি সম্পৰ্কে ব্যৱস্থা কৰা হৈছে ।

১৩। ইতিপূৰ্ব্বে সিদ্ধান্ত গ্ৰহণ কৰা ডঃ সত্যেন্দ্ৰ শৰ্ম্মা সম্পাদিত অসমীয়া সাহিত্যৰ গ্ৰন্থসূচী এইবছৰতে প্ৰকাশ কৰাৰ ওপৰত সমিতিয়ে গুৰুত্ব আৰোপ কৰে।

১৪। বেজবৰুৱা শতবাৰ্ষিকীৰ লগে লগেই অসম সাহিত্য সভাৰ হিন্দী আৰু ইংৰাজী ভাষাত একোটি স্থায়ী অনুবাদ বিভাগ আৰম্ভ কৰিবলৈ সমিতিয়ে স্থিৰ কৰে। এই বিষয়ে আচুতীয়া পুঁজি সংগ্ৰহৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে বুলি প্ৰধান সম্পাদকে সমিতিক জনায় ।

১৫। বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে "মোৰ জীৱন সোঁৱৰণ'ৰ নতুন সংস্কৰণ প্ৰকাশ কৰা হওক । এই সংস্কৰণত নতুন অধ্যায় কেইটা সংযোজিত হব ।

১৬। প্ৰধান সম্পাদকে অলপতে মুখ্যমন্ত্ৰী আৰু বিভাগীয় মুৰব্বী সকলৰ লগত বিশ্বকোষৰ আৰু পাঠ্যপুথি সংক্ৰান্ত বিষয়ত হোৱা আলোচনা সম্পৰ্কে জনায়। বিশ্বকোষৰ আচনি ৪ৰ্থ পৰিকল্পনাত চৰকাৰে হাতত লোৱা আৰু পাঠ্য পুথিৰ আসোঁৱাহ সম্পৰ্কে বিতঃ ভাবে তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সাহিত্য সভাক আশ্বাস দিয়ে।

১৭। চন্দ্ৰকান্ত অভিধান সম্পৰ্কে আলোচনা হয়। ডঃ গোলোক গোস্বামীয়ে সহকাৰী সম্পাদকৰ পদ ত্যাগ কৰাত অধ্যাপিকা অনিমা দত্তক মনোনীত কৰা হল। অধ্যাপিকা দত্তক এহেজাৰ আৰু প্ৰথম সবাকী সহকাৰী ডঃ উপেন গোস্বামীক ১৫০০ এহেজাৰ পাচঁশ টকা পাৰিতোষিক দিয়া হওক ।

১৮। অসম সাহিত্য সভা পত্ৰিকাখন নিয়মীয়া আৰু উচ্চ মানবিশিষ্ট কৰা সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয়। পত্ৰিকা সম্পাদক অধ্যাপক দুৰ্গেশ্বৰ শৰ্ম্মাই যথাব্যৱস্থা কৰা হব বুলি সমিতিক জনায়। সমিতিয়ে বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে পত্ৰিকাৰ বিশেষ সংখ্যা উলিয়াবলৈ স্থিৰ কৰে।

১৯। উচ্চ মাধ্যমিক বিদ্যালয়সমূহত অসমীয়া ভাষাৰ শিক্ষকসকলক অন্য বিষয়ৰ শিক্ষকৰ লগত সমপৰ্য্যায়ভূক্ত নকৰা সম্পৰ্কে সভাপতিলৈ দিয়া শিক্ষক সকলৰ আবেদন সম্পৰ্কে আলোচনা হয়। যিহেতু এই বিষয়টি সম্পৰ্কে উপৰ্যুপৰি চৰকাৰক দাবী জনায় অহা হৈছে ; সমিতিয়ে এই বিষয়টিত চৰকাৰৰ অনমনিয়তাৰ বাবে আচৰ্য্য প্ৰকাশ কৰে আৰু শিক্ষকসকল তথা বাইজৰ মাজত জনমত গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়ে ।

২০। নিয়মাৱলী অনুসৰি তলত নাম দিয়া সকলক অসম সাহিত্য সভাৰ আজীৱন সভ্য ৰূপে স্বীকৃতি দিয়া হয় : শ্ৰীবেবকান্ত মহন্ত, শ্ৰীনুৰুল হুছেইন, শ্ৰীকমলচন্দ্ৰ মজুমদাৰ ।

২১। নিয়মাৱলী অনুযায়ী তলত নাম দিয়া শাখা সভাসমূহক স্বীকৃতি দিয়া হয় : টিৰাপ শাখা সাহিত্য সভা, লেখাপানী ।

২২। প্ৰধান সম্পাদকে সভাপতি আৰু সভাপতিৰ অনুপস্থিতি সভাপতিত্ব কৰি কাৰ্য্যসম্পন্ন কৰা উপ-সভাপতি প্ৰমুখ্যে সদৌ সদস্যবৃন্দ আৰু বিশেষ ভাৱে নিমন্ত্ৰিত সদস্য সকলক ধন্যবাদ জনায় ।

| | | |
|---|---|---|
| শ্ৰীহৰিপ্ৰসাদ নেওগ | স্বা: ড: মহেশ্বৰ নেওগ, | স্বা: জ্ঞাননাথ বৰা, |
| প্ৰধান সম্পাদক, | উপ-সভাপতি , | সভাপতি, |
| অসম সাহিত্য সভা । | অসম সাহিত্য সভা । | অসম সাহিত্য সভা । |

# সম্পাদকীয়

## নেফাৰ ভাষা

নেফাৰ ভাষা সম্পৰ্কত সম্প্ৰতি এটি খেলিমেলি অৱস্থাৰ উদ্ভৱ হৈছে আৰু এই অৱস্থা বেছিদিন চলি থাকিবলৈ দিলে নেফাবাসী ৰাইজ আৰু ভৈয়ামৰ ৰাইজৰ মাজত থকা আবেগিক ঐক্যৰ বান্ধোন যে স্থুলকি পৰিব, তাত সন্দেহ নাই। গতিকে এই বিষয়ে সোনকালে এটি পৰিষ্কাৰ পন্থা অৱলম্বন কৰাটো যুক্তিযুক্ত হব।

পৰিকল্পনা আয়োগৰ জনজাতীয় কাৰ্য্যসূচীৰ চেয়াৰমেন শ্ৰীপি শ্লিলু আওএ নেফাৰ সকলোবোৰ শিক্ষানুষ্ঠানতে শিক্ষাৰ মাধ্যমৰূপে অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কিন্তু এই পৰামৰ্শৰ বিপৰীতে কেতবোৰ হিন্দীপ্ৰেমী বিষয়াই নেফাৰ শিক্ষানুষ্ঠানত শিক্ষাৰ মাধ্যম-ৰূপে হিন্দী ভাষা চলাবলৈ যত্ন কৰাটো বৰ পৰিতাপৰ কথা। ইয়াৰ ফল স্বৰূপে নেফাবাসী ৰাইজ শিক্ষা-দীক্ষাত পিছ পৰি যোৱাৰ সম্ভাৱনা আছে। কিয়নো তাৰ সৰ্ব্বসাধাৰণ ৰাইজে হিন্দী ভাষা নকয় আৰু নুবুজেও । আনহাতে নেফাৰ বিভিন্ন জাতি-উপজাতি আৰু থলৰ মাজত ভাবৰ আদান-প্ৰদান কৰাৰ মাধ্যম হিচাবে অসমীয়া ভাষাই বহু কালৰে পৰা চলি আহিছে। এনে স্থলত নেফাৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে শিক্ষাৰ মাধ্যমৰূপে অসমীয়া ভাষা গ্ৰহণ কৰিলে যে তেওঁলোক বিশেষভাৱে উপকৃত হব আৰু শিক্ষা-দীক্ষাত অসমবাসী ৰাইজৰ তথা ভাৰতৰ আন প্ৰান্তৰ ৰাইজৰ লগত সমানে ফেৰ মাৰিব পাৰিব, সেই কথা নকলেও হব। হিন্দী ভাষা জোৰেৰে জাপি দিবলৈ যত্ন কৰাৰ ফল স্বৰূপে নেফাৰ শিক্ষানুষ্ঠানসমূহত ইতিমধ্যে বিদ্বেষ ভাৱৰ সৃষ্টি হৈছে। এনেবোৰ পৰিস্থিতিৰ কথা আগতীয়াকৈ উপলব্ধি কৰিব পাৰি অসমৰ প্ৰাক্তন ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে অসম সাহিত্য সভাৰ তেজপুৰ অধিবেশনত বলিষ্ঠ কণ্ঠে ঘোষণা কৰিছিল যে, নেফাৰ শিক্ষাৰ মাধ্যম অসমীয়া হব লাগিব ; নহলে তাত খেলি মেলি অৱস্থাৰ সৃষ্টি হব আৰু নেফাবাসী ৰাইজ শিক্ষা-দীক্ষাত ভালেখিনি পিছ পৰি যাব। অসম সাহিত্য সভাৰ নিচিনা অৰাজনৈতিক অনুষ্ঠানসমূহেও ৰাজ্যপালৰ এই উক্তিৰ সদায়ে সমৰ্থন কৰি আহিছে। কিন্তু তথাপিতো নেফাৰ ভাষা সম্পৰ্কত থকা খেলি মেলি অৱস্থাৰ আজিও সুমীমাংসা নোহোৱাতো বৰ পৰিতাপৰ কথা। আমি বাঞ্ছা কৰো, নেফাৰ শিক্ষাৰ মাধ্যম সম্পৰ্কত সোনকালে এটি স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে আৰু নেফাৰ সৰহভাগ লোকে বুজি পোৱা অসমীয়া ভাষাক অচিৰে নেফাৰ শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ মাধ্যম ৰূপে প্ৰয়োগ কৰিব লাগে। এই কথা মনত ৰাখিব লাগে যে, সমগ্ৰ ভাৰতবৰ্ষতে ভাষাক ভিত্তি কৰি এক নতুন আন্দোলনৰ সূচনা হৈছে আৰু সেই আন্দোলন কোনো কোনো অঞ্চলত উৎকট ৰূপ লৈ জাতীয় সংহতি নষ্টও কৰিছে। দেশৰ এনে পৰিস্থিতিলৈ লক্ষ্য কৰি নেফাৰ ভাষা সম্পৰ্কীয় খেলি মেলি সোণকালে আঁতৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে তৎপৰতা গ্ৰহণ কৰিব লাগে আৰু উৎকট হিন্দীপ্ৰেমী অসমীয়া ভাষা বিদ্বেষী বিষয়াসকলক নেফাৰ পৰা অতিশীঘ্ৰে বহিষ্কাৰ কৰাৰ ব্যৱস্থা হব লাগে । অন্যথা নেফাৰ ভাষা সম্পৰ্কত যদিহে কোনো বিদ্বেষমূলক পৰিস্থিতিৰ উদ্ভৱ হয় তেনেহলে সেই দায়িত্ব কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব লাগিব। তাৰ বাবে অসম চৰকাৰ আৰু অসমীয়া ৰাইজে কোনো ৰকমৰ দোষ মূৰ পাতি নলবলৈ দৃঢ় প্ৰতিজ্ঞ হোৱাতো যুগুত ।

## বেজবৰুৱা সংখ্যা

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শত বাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভা পত্ৰিকাৰ এটি বিশেষ সংখ্যা অহা অক্টোবৰ মাহত প্ৰকাশিত হ'ব। এই সংখ্যাত বেজবৰুৱাৰ প্ৰায়বোৰ গ্ৰন্থৰে আলোচনা সংযোজন কৰা হ'ব।

## প্ৰাবন্ধিকসকলৰ প্ৰতি

প্ৰবন্ধৰ লগতে পত্ৰিকাত প্ৰকাশৰ বাবে নিম্নোক্ত কথা কেইটি জনায় যেন: (১) নাম, (২) ঠিকনা, (৩) জন্মচন, (৪) শিক্ষা, (৫) ব্যৱসায়, (৬) প্ৰকাশিত গ্ৰন্থৰ নাম।

# অসম সাহিত্য সভা

## উদ্বৃত্তপত্ৰ ১৯৬৮ চনৰ ৩১ মাৰ্চ্চ

| | | |
|---|---|---|
| **ঋণ :** | | |
| **সাধাৰণ পুঁজি** | | |
| আৰম্ভণি উদ্বৃত্ত | ৫৪,১৬৫·২৬ | |
| চলিত বছৰৰ ঘাটি | ২০,৫৮০·৬৫ | |
| | | ৩৩,৫৮৪·৬১ |
| **অক্ষয় পুঁজি সমূহৰ বাবদ :** | | |
| দক্ষিণ পাট অধিকাৰ গোস্বামী | ৫,০০০·০০ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ১৭,৪০০·০০ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক সমাৰোহ পুঁজি | ১,৫৫০·০০ | |
| কমলা দেৱী স্মাৰক পুঁজি | ২,০০০·০০ | |
| হৰিহৰ চৌধুৰী বটা পুঁজি | ১,০০০·০০ | |
| আজীৱন সভ্যৰ পুঁজি | ৩৩,২৭৫·০০ | |
| ডিগবৈ সাহিত্য সেৱা সমিতি ন্যাস পুঁজি | ৫,০০০·০০ | |
| | | ৬৫,২২৫·০০ |
| **অক্ষয় পুঁজি বাঢ়ি পুঁজি সমূহৰ বাবদ :** | | |
| দক্ষিণ পাট অধিকাৰ গোস্বামী বাঢ়ি পুঁজি | ৮৭৯·৬৪ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক বাঢ়ি পুঁজি | ২,২৫০·৫৯ | |
| চন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি | ১৯১·০১ | |
| কমলাদেৱী স্মাৰক বাঢ়ি পুঁজি | ২৯৭·০৬ | |
| হৰিহৰ চৌধুৰী বটা পুঁজি বাঢ়ি পুঁজি | ১০০·০০ | |
| | | ৩,৭১৮·৩০ |
| **দানৰ পুঁজি সমূহৰ বাবদ :** | | |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | ৩,৬৫৮·৯৯ | |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | ১০১·০০ | |
| অসম সাহিত্য সভা ভৱন গুৱাহাটী পুঁজি | ১,০৩,০১৭·৬৯ | |
| ভগৱতী প্ৰসাদ বৰুৱা ভৱন সংৰক্ষণ পুঁজি | ২৭,৪০·৬৮ | |
| | | ১৯,৫১৮·৩৬ |
| প্ৰকাশন বেচা, এজেণ্টৰ নিৰাপত্তা জমা | | ৬০০·০০ |
| ৰাজ্যিক চৰকাৰৰ প্ৰকাশন আঁচনিৰ অনুদান | | ১৯,১২৬·৮৫ |
| সিদ্ধেশ্বৰ মেধি দানৰ স্থগিত হিচাপ | | ৫,০০০·০০ |
| বেজবৰুৱা শতবাৰ্ষিকী অনুদানৰ বাকী | | ২৬,৮৫৫·৫৭ |
| অক্ষয় পুঁজি আৰু বাঢ়ি পুঁজিৰ সংযোজনত স্থগিত হিচাপ | | ৪,৮৮০·৭৯ |
| | মুঠ | ২,৬৮,৫০৯·৪৮ |

| | | |
|---|---|---|
| **সম্পত্তি** | | |
| **আচবাব আৰু সঁজুলি :** | | |
| আৰম্ভণি উদ্বৃত্ত | ১০,১০৯·৬০ | |
| চলিত বছৰৰ জমা | ৩৫০·০০ | |
| | | ১০,৪৫৯·৬০ |
| **গ্ৰন্থাগাৰ :** | | |
| আৰম্ভণি উদ্বৃত্ত | ৯,৯৩৯·৯৮ | |
| চলিত বছৰৰ জমা | ৬৪৯·৪৩ | |
| | | ১০,৫৮৯·৪১ |
| **সামৰণি ষ্টক : কিতাপ আদি** | | |
| (কিতাপৰ ষ্টক, সংখ্যা আদি সম্পাদকৰ চাৰ্টিফিকেট মতে লোৱা হৈছে) | | ৫১,১৩৬·০০ |
| অক্ষয় পুঁজিসমূহৰ বিনিধান | | ৫৭,৭৫০·০০ |
| অক্ষয় পুঁজি বাঢ়ি পুঁজি সমূহৰ বিনিধান | | ২,৬৩০·৮৪ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিৰ বিনিধান | | ৩,৬৫৮·৯১ |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজিৰ বিনিধান | | ১০১·০০ |
| চন্দ্ৰকান্ত অভিধানৰ বাবদ ব্যয় | | ৯৩৯·৭৫ |
| অসম সাহিত্য সভা (গুৱাহাটী) পুঁজিৰ বিনিধান | | |
| (নিৰ্ম্মাণ সমিতিৰ হাতত) | | |
| ভৱনৰ ব্যয় | ১০২,৬৯৪·৩৭ | |
| এপেক্স বেংকত জমা | ২৫০·০০ | |
| হাতে জমা | ১·৬০ | ১০২,৯৪৫·৯৭ |
| ভগৱতী প্ৰসাদ বৰুৱা ভৱন সংৰক্ষণ পুঁজি বেংকত জমা | | ২,৭৪০·৬৮ |
| **নগদ :** | | |
| কেন্দ্ৰীয় কাৰ্য্যালয় | ১৫৮·৮০ | |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ ধনভঁৰালীৰ হাতত | ·২১ | |
| সহকাৰী সম্পাদকৰ হাতে জমা | ১৬১·৭২ | |
| | | ৩২০·৭৩ |
| **বেংকত :** | | |
| অসম কো: অ: এ: বে: যোৰহাট | ২৩,৭০৬·৯৬ | |
| অসম কো: অ: এ: বে: গুৱাহাটী | ১,৫২৯·৬৩ | |
| | | ২৫,২৩৬·৫৯ |
| | মুঠ | ২,৬৮,৫০৯·৪৮ |

অসম সাহিত্য সভা

বিশেষ পুঁজি (ক) অক্ষয় পুঁজিৰ ১৯৬৭।৬৮ চনৰ আয়ব্যয়ৰ হিচাপ

| | | | |
|---|---|---|---|
| | | (১) দক্ষিণপাট অধিকাৰ গোস্বামীৰ অক্ষয় পুঁজি | |
| আৰম্ভণি উদ্বৃত্ত : | | সামৰণি উদ্বৃত্ত : | |
| মূল পুঁজি | ৫,০০০·০০ | (বিনিধান চৰকাৰী ৪%ঋণ পত্ৰ ১৯৬০—৭০) | ৫,০০০·০০ |
| | মুঠ ৫,০০০·০০ | | মুঠ ৫,০০০·০০ |
| | | (২) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজি | |
| আৰম্ভণি উদ্বৃত্ত : | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১৭,৪০০·০০ | (বিনিধান : ৪½ দহবছৰীয়া প্ৰতিৰক্ষা বিনিধান পুঁজি) | ১৭,৪০০·০০ |
| | মুঠ ১৭,৪০০·০০ | | মুঠ ১৭,৪০০·০০ |
| | | (৩) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি | |
| আৰম্ভণি উদ্বৃত্ত : | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১,৫৫০·০০ | (বিনিধান স্থায়ী জমা অ: কো: এ: বেংক লিমিটেড : যোৰহাট শাখা) | ১,৫৫০·০০ |
| | মুঠ ১৫৫০·০০ | | মুঠ ১,৫৫০·০০ |
| | | (৪) কমলাদেবী স্মাৰক পুঁজি | |
| আৰম্ভণি উদ্বৃত্ত : | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ২,০০০·০০ | (বিনিধান স্থায়ী জমা ঐ) | মুঠ ২,০০০·০০ |
| | মুঠ ২,০০০·০০ | | ২,০০০·০০ |
| | | (৫) হৰিহৰ চৌধুৰী বটা পুঁজি | |
| আৰম্ভণি উদ্বৃত্ত : | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১,০০০·০০ | (বিনিধান স্থায়ী জমা ঐ) | ১,০০০·০০ |
| | ১,০০০·০০ | | মুঠ ১,০০০·০০ |
| | | (৬) আজীৱন সভ্যৰ পুঁজি | |
| আৰম্ভণি উদ্বৃত্ত : | ৩১,৬৭৫·০০ | সামৰণি উদ্বৃত্ত | |
| চলিত বছৰৰ বৰঙণি | ১,৬০০·০০ | (বিনিধান নেচনেল চেভিংচ চাৰ্টিফিকেট) | ২৫,৮০০·০০ |
| | মুঠ ৩৩,২৭৫·০০ | সাধাৰণ পুঁজিত | ৭,৪৭৫·০০ |
| | | | ৩৩,২৭৫·০২ |
| | | (৭) ডিগবৈ সাহিত্য সেৱা সমিতি দান পুঁজি | |
| মূল পুঁজি চলিত বছৰৰ দান | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ৫,০০০·০০ | বিনিধান : স্থায়ী জমা অ: কো: এ: বেংক যোৰহাট শাখা | ৫,০০০·০০ |
| | ৫,০০০·০০ | | মুঠ ৫,০০০·০০ |

আৰম্ভণি উদ্বৃত্ত
চলিত বছৰৰ মূল পুঁজিৰ বাঢ়ি

আৰম্ভণি উদ্বৃত্ত
চলিত বছৰত বাঢ়ি পুঁজিৰ বাঢ়ি
বিবিধ আয়
চলিত বছৰত মূলত পুঁজি বাঢ়ি

আৰম্ভণি উদ্বৃত্ত

আৰম্ভণি উদ্বৃত্ত

আৰম্ভণি উদ্বৃত্ত

## বিশেষ পুঁজি (খ) অক্ষয়পুঁজিৰ বাঢ়ি পুঁজি :

### (১) দক্ষিণপাট অধিকাৰ গোস্বামীৰ অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৭০০·৩৯ | | সামৰণি উদ্বৃত্ত : | | |
| চলিত বছৰৰ মূল পুঁজিৰ বাঢ়ি | ১৭৯·২৫ | | ডাকঘৰ চেভিংচ বেংক যোৰহাট | ৩৫·১৪ | |
| | মুঠ ৮৭৯·৬৪ | মুঠ ৮৭৯·৬৪ | সাধাৰণ পুঁজিত | ৮৪৪·৫০ | |
| | | | | মুঠ ৮৭৯·৬৪ | ৮৭৯·৬৪ |

### (২) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ বাঢ়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১,৯৬০·৯৯ | | চন্দ্ৰকান্ত অভিধান ছাপাৰ বাবে অসম সাহিত্য সভাৰ দান | | ৬০০·০০ |
| চলিত বছৰত বাঢ়ি পুঁজিৰ বাঢ়ি | ৫৪·৬০ | | সামৰণি উদ্বৃত্ত : | | |
| বিবিধ আয় | ৫২·০০ | | যোৰহাট ডাকঘৰত চেভিংচ বেংকত | ২২৫০·৩৮ | |
| চলিত বছৰত মূলত পুঁজি বাঢ়ি | ৭৮৩.০০ | | ন্যাস সমিতিৰ ধনভঁৰালীৰ হাতে জমা | ·২১ | ২২৫০·৫৯ |
| | ২,৮৫০·৫৯ | মুঠ ২৮৫০·৫৯ | | | মুঠ ২,৮৫০·৫৯ |

### (৩) চন্দ্ৰকান্ত স্মাৰক সামাজিক সমাবেশ পুঁজিৰ বাঢ়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২৯৭·৫১ | | সমাবেশৰ কাৰণে ব্যয় | | ১০৬·০০ |
| | ২৯৭·৫১ | মুঠ ২৯৭·৫১ | সামৰণি উদ্বৃত্ত | | |
| | | | ডাকঘৰ চেভিংচ বেংক যোৰহাট | ৪৮·২৬ | |
| | | | সাধাৰণ পুঁজিত | ১৪২·৭৫ | ১৯১·০১ |
| | | | | | মুঠ ২৯৭·৫১ |

### (৪) কমলা দেৱী স্মাৰক পুঁজিৰ বাঢ়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২৯৭·০৬ | | সামৰণি উদ্বৃত্ত : | | |
| | ২৯৭·০৬ | মুঠ ২৯৭·০৬ | বিনিময় ডাকঘৰ চেভিংচ বেংক যোৰহাট | | ২৯৭·০৬ |
| | | | | | মুঠ ২৯৭·০৬ |

### (৫) হৰিহৰ চৌধুৰী বৃত্তি পুঁজি বাঢ়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১০০·০০ | | সামৰণি উদ্বৃত্ত | | |
| | ১০০·০০ | মুঠ ১০০·০০ | বিনিময় সাধাৰণ পুঁজিত | | ১০০·০০ |
| | | | | | মুঠ ১০০·০০ |

## (গ) দানৰ পঞ্জি ১৯৬৭-৬৮ চনৰ হিচাপ

### (১) ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৩,৬৫৮'৯১ | ৰাধাকান্ত সন্দিকৈ স্মৃতি সমাৰোহৰ বাবে ব্যয় | ২৫'০০ |
| সাধাৰণ পুঁজিৰ পৰা ঋণ | ২৫'০০ | সামৰণি উদ্বৃত্ত : | |
| | | বিনিধান অসম কো : অ: এপেক্স বেঙ্ক যোৰহাট | ৩৬৫৮'৯১ |
| | মুঠ ৩,৬৮৩'৯১ | | মুঠ ৩৬৮৩'৯১ |

### (২) শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত: | | সামৰণি উদ্বৃত্ত : | |
| সাধাৰণ পুঁজিৰ দান | ১০১'০০ | বিনিধান : যোৰহাট ডাকঘৰ চেভিংছ বেঙ্কত | ১০১'০০ |
| | মুঠ ১০১'০০ | | মুঠ ১০১'০০ |

### (৩) ভগৱতী প্ৰসাদ বৰুৱা ভৱন (নিৰ্ম্মাণ সিমিতিৰ হিচাপ)

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত : | ২৫১'৬০ | সামৰণি উদ্বৃত্ত : | |
| | মুঠ ২৫১'৬০ | বেংকত জমা | ২৫০'০০ |
| | | হাতে জমা | ১'৬০ |
| | | | মুঠ ২৫১'৬০ |

### (৪) বেজবৰুৱা শতবাৰ্ষিকী আঁচনি

| | | | |
|---|---|---|---|
| অসম চৰকাৰৰ অনুদান | ৪০,০০০'০০ | চলিত বছৰৰ ব্যয় | ১৪,৪৩২'৪৩ |
| পুঁজিলৈ দান | ১২৮৮'০০ | অনুদানৰ বাকী | ২৬,৮৫৫'৫৭ |
| | মুঠ ৪১,২৮৮'০০ | | মুঠ ৪১,২৮৮'০০ |

### (৫) ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৰক্ষণ সমিতি

| | | | |
|---|---|---|---|
| যোৰহাট কাৰ্য্যালয়ৰ পৰা পোৱা | ৩,৫০০'০০ | সজুলি আৰু আচবাব | ২৫৯৭'৫২ |
| ভৱনৰ ভাড়া | ৮,২৭৫'০০ | দেৱাল নিৰ্ম্মাণ | ৪১২০'৩০ |
| বেংকৰ সুদ | ৩৭'৩০ | মেৰামতি কাৰ্য্যত ব্যয় | ২৪০৭'৮২ |
| | মুঠ ১১,৯১২'৩০ | বিজ্ঞাপন | ৪৫'৯৮ |
| | | সামৰণি উদ্বৃত্ত : | |
| | | অসম কো: অ: বেংকত জমা | ২৭৪০'৬৮ |
| | | | মুঠ ১১,৯১২'৩০ |

### (৬) চন্দ্ৰকান্ত অভিধান

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২,০০০'০০ | ব্যয়ৰ আৰম্ভণি উদ্বৃত্ত | ১১৩১'৭৫ |
| চলিত বছৰৰ দান | ৬০০'০০ | চলিত বছৰৰ ব্যয় | ২৪০০'০০ |
| সাধাৰণ পুঁজিৰ পৰা ব্যয় | ৯৩১'৭৫ | | মুঠ ৩৫৩১'৭৫ |
| | মুঠ ৩৫৩১'৭৫ | | |

**ব্যয় :**

| | | |
|---|---|---|
| আৰম্ভণি ষ্টক: কিতাপ আদি | | ৪৪,৭৩৭'৫০ |
| দৰ্মহা : কেন্দ্ৰীয় কাৰ্য্যালয় | ৫,৬৩৬'০০ | |
| গুৱাহাটী কাৰ্য্যালয় | ১,৬৬২'২১ | |
| | | ৭২,৯৮'২১ |
| ভ্ৰমণ বানচ আদি : | | ১০,১৫৬'৬৪ |
| পৰিবহন : | | ১২৩৮'০০ |
| ডাক আৰু তাঁৰ : | | |
| ডাক টিকত | ৩৬০০'৬৪ | |
| তাঁৰ | ৩৫১'০৬ | |
| অৰ্থ প্ৰেৰণ | ১৭'০৭ | |
| টেলিফোন | ১৯৩৪'০১ | |
| | | ৫৯০৩'০১ |
| খাজনা আৰু কৰ : | | |
| মাটিৰ খাজনা | ২৬১'৩৫ | |
| পৌৰ সভাৰ কৰ | ৪৬'০০ | |
| বিজুলী শক্তিৰ | ২০৫'১৩ | |
| | | ৫১২'৪৮ |
| লেখন সামগ্ৰী আদি : | | ৯৯১'৮০ |
| নৈমিত্তিক ব্যয় | | ১,৫৯২'২৯ |
| মুদ্ৰণ আৰু প্ৰকাশন : | | |
| ক্ষুদ্ৰ মুদ্ৰণ | ২,৩১১'৮০ | |
| প্ৰকাশন পত্ৰিকা আদি | ৩,০৬৮'০০ | |
| ঐ সাধাৰণ | ২৩,৮৮৮'৯৮ | |
| | | ২৯,২৬৮'৭৮ |
| সাধাৰণ প্ৰচাৰ : | | |
| বিজ্ঞাপন আদিৰ | ৭৭৬'৪৩ | |
| পুথিবিক্ৰী ব্যৱস্থা প্ৰদৰ্শনী আদি | ২৪৯'৭৫ | |
| প্ৰচাৰ পত্ৰিকা | ৪৪১'০০ | |
| সাধাৰণ প্ৰচাৰ প্ৰকাশন | ২৪০০'০০ | |
| | | ৩,৮৬৭'১৮ |
| বিবিধ : | | |
| হিচাপ পৰীক্ষা | ৪০০'০০ | |
| সমিতি আদিৰ বৈঠক | ৩৯৬'৯৩ | |
| বেঙ্কৰ ভৰণি | ২৫'৪০ | |
| ভাষাজ্ঞান পৰীক্ষাৰ খৰছ | ৫৪'০০ | |

**আয় :**

| | | |
|---|---|---|
| বৰঙণি : | | |
| শাখা সভা | ৮৩৬৯'৭৫ | |
| স্বীকৃত সভা | ১০'০০ | |
| পোনপটীয়া সভ্য | ২'০০ | |
| আজীৱন সভ্য ভৰ্ত্তি | ১০'০০ | |
| | | ৮৩৯১'৭৫ |
| প্ৰকাশন : | | |
| সাধাৰণ | ২৪,৪৬১'২৫ | |
| অসম সাহিত্যসভা পত্ৰিকা | ৯১৭'৯৬ | |
| প্ৰচাৰ পত্ৰ | ১০৯'২৪ | |
| অলকানন্দাৰ বাবদ | ৩১১৮'০০ | |
| | | ২৮৬০৬'৪৫ |
| বিবিধ : | | |
| পতাকা বিক্ৰী আদি | ৬৪২'০১ | |
| ভাষাজ্ঞান পৰীক্ষা মাচুল | ১৬'০০ | |
| সাময়িক দান | ৫৮'০০ | |
| আজীৱন সভ্যৰ পুঁজি বাঢ়ি | ২,৬৬৮'৭৫ | |
| | | ৩৩৮৪'৭৬ |
| ডিব্ৰুগড় বাৰ্ষিকী বাবদ পোৱা | | ২,০০০'০০ |
| বিশেষদান : শিশু সাহিত্য প্ৰতিযোগিতাবাবদ পোৱা | | ৩০০'০০ |
| ৰাজ্যিক চৰকাৰৰ অনুদান : বাৰ্ষিক | | ১৫,০০০'০০ |
| সামৰণি ষ্টক কিতাপ আদি | | ৫১,১৩৬'০০ |
| চলিত বছৰৰ ঘাটি | | ২০,৫৮০'৬৫ |
| | | মুঠ ১২৯৩৯৯'৬১ |

ব্যয় :

| | | |
|---|---|---|
| সম্পত্তি প্ৰতিপালন | ১২০'০০ | |
| সাংস্কৃতিক বিনিময় | ৫০০'০০ | |
| ভগৱতী প্ৰসাদ বৰুৱা ভৱন সংৰক্ষণ সমিতি | ৩,৬০০'০০ | |
| ৰজনী বৰদলৈ শতবাৰ্ষিকী | ১২৫,৫৬'৫৪ | |
| চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী | ৫১১০'৯১ | |
| | | ২৩,০৩৩'৭৮ |
| শ্ৰেষ্ঠ নাটক প্ৰতিযোগিতা | | ৫০০'০০ |
| শিশু সাহিত্য প্ৰতিযোগিতা | | ১০০'০০ |
| | | মুঠ ১,২৯,৩৯৯'৬১ |

ম: চাকী
হিচাপ পৰীক্ষক,
অসম সাহিত্য সভা
২৬।৫।৬৮

শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
২৬।৫।৬৮

ড: মহেশ্বৰ নেওগ
উপ-সভাপতি
অসম সাহিত্য সভা
২৬।৫।৬৮

শ্ৰীজ্ঞান নাথ বৰা
সভাপতি,
অসম সাহিত্য সভা
২৬।৫।৬৮

## ১৯৬৭/১৯৬৮ চনৰ ৩১ মাৰ্চ্চ পৰ্য্যন্ত
## আয়-ব্যয়ক : সাধাৰণ পুঁজি : আয়

| | প্ৰকৃত আয় ১৯৬৬/৬৭ | প্ৰত্যাশিত আয় ১৯৬৭/৬৮ | প্ৰকৃত আয় ১৯৬৭/৬৮ | প্ৰত্যাশিত আয় ১৯৬৮/৬৯ |
|---|---|---|---|---|
| **আৰম্ভণি উদ্বৃত্ত:** | | | | |
| নগদ : কেন্দ্ৰীয় কাৰ্য্যালয় | ৩৯·০৩ | ৩৯·০৩ | ১৫৮·৮০ | ১৫৮·৮০ |
| গুৱাহাটী কাৰ্য্যালয় | ২৩৭·৭৫ | ২৩৭·৭৫ | ১৬১·৭২ | ১৬১·৭২ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ ধন উড়ালীৰ হাতত | ০·২১ | ০·২১ | ০·২১ | ০·২১ |
| বেঙ্ক: অসম কো: অ: এ: বেঙ্ক: যোৰহাট | ১৮,০৭৫·৪৩ | ১৮,০৭৫·৪৩ | ২৩,৭০৬·৯৩ | ২৩,৭০৬·৯৩ |
| ঐ : গুৱাহাটী | ৭,১৩৭·৭৪ | ৭,১৩৭·৭৪ | ১,৫২৯·৬৩ | ১,৫২৯·৬৩ |
| | ২৫,৪৯০·১৬ | ২৫,৪৯০·১৬ | ২৫,৫৫৭·২৯ | ২৫,৫৫৭·২৯ |
| **বিবিধ :** | | | | |
| চৰকাৰী অনুদান | ১৯,০০০·০০ | | | |
| প্ৰকাশন | | | | ১২,০০০·০০ |
| ভাষাশিক্ষা শ্ৰেণী | | | | ৫,০০০·০০ |
| | ১৯,০০০·০০ | | | ১৭,০০০·০০ |
| **ৰাজ্যিক চৰকাৰৰ বাৰ্ষিক অনুদান** | ১০,০০০·০০ | ১০,০০০·০০ | ১৫,০০০·০০ | ১৫,০০০·০০ |
| | ১০,০০০·০০ | ১০,০০০·০০ | ১৫,০০০·০০ | ১৫,০০০·০০ |
| | ৫৪,৪৯০·১৬ | ৩৫,৪৯০·১৬ | ৪০,৫৫৭·২৯ | ৫৭,৫৫৭·২৯ |

| | প্ৰকৃত আয় ১৯৬৬।৬৭ | প্ৰত্যাশিত আয় ১৯৬৭।৬৮ | প্ৰকৃত আয় ১৯৬৭।৬৮ | প্ৰত্যাশিত আয় ১৯৬৮।৬৯ |
|---|---|---|---|---|
| পুৰ্ব্বপৃষ্ঠাৰ মুঠ | ৫৪,৪৯০ | ৩৫,৪৯০'১৬ | ৪০,৫৫৭'২৯ | ৫৭,৫৫৭'২৯ |
| ৰৰঙণি : শাখা সভা | ৮৭৩৪'৭০ | ৯৫০০'০০ | ৮৩৬৯'৭৫ | ১০,০০০'০০ |
| স্বীকৃত সভা | ২০'০০ | ৫০'০০ | ১০'০০ | ৫০'০০ |
| পোনপটীয়া সভা | ২'০০ | ২'০০ | ২'০০ | ২০'০০ |
| আজীৱন সভ্যৰ ভৰ্ত্তি | ৪৪'০০ | ১০০'০০ | ১০'০০ | ১০০'০০ |
| | ৮,৮০০'৭০ | ৯,৬৭০'০০ | ৮,৩৯১'৭৫ | ১০,১৭০০০ |
| প্ৰকাশন : সাধাৰণ | | | | |
| বাৰ্ষিকী | ৯৮৯৪'১১ | ১৫,০০০'০০ | ২৪,৪৬১'২৫ | ৪০,০০০'০০ |
| বিশেষদান (পুঁজি) | ২,০০০'০০ | ৩.০০০'০০ | ২,০০০'০০ | ৩,০০০'০০ |
| | | | | ১০,০০০'০০ |
| | ১১,৮৯৪'১১ | ১৮,০০০'০০ | ২৬,৪৬'১'২৫ | ৫৩,০০০'০০ |
| প্ৰকাশন : পত্ৰিকা | ৯২৩'৮৪ | ১৫০০'০০ | ৯১৭'৯৬ | ২,০০০'০০ |
| প্ৰচাৰ পত্ৰ | ৮৩'৮৪ | ১০০০'০০ | ১০৯'২৪ | ৫০০'০০ |
| | ১,০০৭'৬৮ | ২.৫০০'০০ | ১,০২৭'২০ | ২৫০০'০০ |
| বিশেষপুঁজি: চন্দ্ৰকান্ত অভিধান | ২০,০০'০০ | ৩,০০০'০০ | ৬০০'০০ | ২,৫০০'০০ |
| | ২,০০০'০০ | ৩,০০০'০০ | ৬০০'০০ | ২,৫০০'০০ |
| বিশেষদান : গোলাপচন্দ্ৰ গোস্বামী শিশু সাহিত্য পুঁজি | | ৩,০০০'০০ | ৩০০'০০ | ৩০০'০০ |
| | | ৩,০০০'০০ | ৩০০'০০ | ৩০০'০০ |
| বিবিধ : চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাড়া | ২০'০০ | ১০০'০০ | | ৫০'০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিৰ পাৰলগীয়া | | ২৫'০০ | | ৫০'০০ |
| ছবি পতাকা, বিক্ৰী আদি | ৭৯০'১১ | ২,২৫০'০০ | ৬৪২'০১ | ২৫০০'০০ |
| অন্যান্য সাময়িক দান (বাতৰি কাকতবিতৰণ) | ১৯'০০ | ২৫০'০০ | | ২৫০'০০ |
| অসমীয়া ভাষাজ্ঞান প্ৰমাণ পত্ৰ পৰীক্ষা | ১০০'০ | ১০০'০০ | | ১০০'০০ |
| সাময়িক দান | | | | ১০'০০০ |
| | ১,০১৩'১১ | ২,৭২৫'০০ | ৬৪২'০১ | ২৯৫০'০০ |
| | ৭৯,২০৫'৭৬ | ৭৪,৩৮৩'১৬ | ৭৭,৯৭৯'৫০ | ১,২৮,৯৭৭'২৯ |

## সাধাৰণ পুঁজি ব্যয়

| | | প্ৰকৃত ব্যয় ১৯৬৬/৬৭ | প্ৰস্তাবিত ব্যয় ১৯৬৭/৬৮ | প্ৰকৃত ব্যয় ১৯৬৭/৬৮ | প্ৰস্তাবিত ব্যয় ১৯৬৮/৬৯ |
|---|---|---|---|---|---|
| দৰ্মহা : | কেন্দ্ৰীয় কাৰ্য্যালয় | ৪৮৮৩·০০ | ৫৭২০·০০ | ৫৬৩৬·০০ | ৭৩০৮·০০ |
| | গুৱাহাটী | ৫৮৫·০০ | ১৪৮০·০০ | ১৬৬২·২১ | ২৬০০·০০ |
| | | ৫৪৬৮·০০ | ৭২০০·০০ | ৭,২৯৮·২১ | ৯৯০৮·০০ |
| ভ্ৰমণ খৰচ আদি : | | ৭৯৬৬·১৯ | ৮০০০·০০ | ১০১৫৬·৬৪ | ৯০০০·০০ |
| | | ৭৯৬৬·১৯ | ৮০০০·০০ | ১০,১৫৬·৬৪ | ৯০০০·০০ |
| পৰিবহন : | | ৪৮২·৯৪ | ৭৫০·০০ | ১২৩৮·০০ | ২০০০·০০ |
| | | ৪৮২·৯৪ | ৭৫০·০০ | ১,২৩৮·০০ | ২০০০·০০ |
| ডাক আৰু তাঁৰ : | ডাকটিকত, তাঁৰ অৰ্থপ্ৰেৰণ | ৪১২৪·১৬ | ৪০০০·০০ | ৩৯৬৯·০০ | ৪০০০·০০ |
| | টেলিফোন | ৩১১·৪০ | ১৬০০·০০ | ১৯৩৪·০১ | ২০০০·০০ |
| | | ৪,৪৩৫·৫৬ | ৫৬০০·০০ | ৫,৯০৩·০১ | ৬০০০·০০ |
| খাজনা আৰু কৰ : | মাটিৰ খাজনা | ১২৪·৮৫ | ১৮৭·০৪ | ২৬১·৩৫ | ২৬১·৩৫ |
| | পৌৰসভাৰ কৰ | ৪৬·০০ | ৯২·০০ | ৪৬·০০ | ৯২·০০ |
| | বিজুলী শক্তি | ১২৭·১৭ | ২০০·০০ | ২০৫·১১ | ২৫০·০০ |
| | | ২৯৮·০২ | ৪৭৯·০৪ | ৫১২·৪৮ | ৬০৩·৩৫ |
| আচবাব আৰু সজুলি : | আলমাৰী | ১১৬৫·২৫ | ১০০০·০০ | ৩৫০·০০ | ১০০০·০০ |
| | অন্যান্য | ২৫·৭৫ | ১০০·০০ | | ২০০০·০০ |
| | | ১,১৯১·০০ | ১,১০০·০০ | ৩৫০·০০ | ৩০০০·০০ |
| গ্ৰন্থাগাৰ : | কিতাপ আলোচনী আদি | ৪৭২·০৭ | ১০০০·০০ | ৬৪৯·৪৩ | ১০০০·০০ |
| | পুৰণি পুথি | | ১০০·০০ | | ১০০·০০ |
| | অংশকালিন গ্ৰন্থ গাৰিক | | | | ৭২০·০০ |
| | | ৪৭২·০৭ | ১,১০০·০০ | ৬৪৯·৪৩ | ১৮২০·০০ |
| | | ২০,৩১১·৭৮ | ২৪,২২৯·০৪ | | ৩৪৮৩১·৩৫ |

| | প্ৰকৃত ব্যয় ১৯৬৬।৬৭ | প্ৰস্তাৱিত ব্যয় ১৯৬৭।৬৮ | প্ৰকৃত ব্যয় ১৯৬৭।৬৮ | প্ৰস্তাৱিত ব্যয় ১৯৬৮।৬৯ |
|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ২০,১১৩·৭৮ | ২৪২২৯·০৪ | ২৬,১০৭·৭৭ | ৩৪৮৩১·৩৫ |
| বিশেষ পুঁজিলৈ বৰঙণি : প্ৰকাশন আঁচনি | | ১৯,১২৬·০০ | | ২৫১২৬·০০ |
| | | ১৯,১২৬·০০ | | ২৫,১২৬·০০ |
| মুদ্ৰণ আৰু প্ৰকাশন : ক্ষুদ্ৰ মুদ্ৰণ | ২৩১১·৬২ | ৩,০০০·০০ | ২,৩১১·৮০ | ৩০০০·০০ |
| সাধাৰণ প্ৰচাৰ প্ৰকাশন | | ৪০০০·০০ | ২,৪০০·০০ | ৪০০০·০০ |
| প্ৰচাৰমূলক সাহিত্য প্ৰকাশ | | | | |
| | ২,৩১১·৬২ | ৭০০০·০০ | ৪,৭১১·৮০ | ৭০০০·০০ |
| সাধাৰণ প্ৰচাৰ বিজ্ঞাপন আদি | ৩১০·২০ | ৫০০·০০ | ৭৭৬·৪৩ | ১০০০·০০ |
| পুথি বিক্ৰী ব্যৱস্থা প্ৰদৰ্শনী আদি | ১৬৫·০০ | ৫০০·০০ | ২৪৯·৭৫ | ৫০০·০০ |
| | ৪৭৫·২০ | ১,০০০·০০ | ১,০২৬·১৮ | ১৫০০·০০ |
| প্ৰকাশন : সাধাৰণ | ১৪,৪৩৫·৭৩ | ১৫,০০০·০০ | ২৩,৮৮৮·৯৮ | ৪০,০০০·০০ |
| বাৰ্ষিকী | | ৩০০০·০০ | | ৩০০০·০০ |
| | ১৪,৪৩৫·৭৩ | ১৮,০০০·০০ | ২৩,৮৮৮·৯৮ | ৪৩,০০০·০০ |
| প্ৰকাশন পত্ৰিকা ছপাখৰচ | ৪৪৬৫·৯০ | ৫০০০·০০ | ৩০৬৮·০০ | ৯০০০·০০ |
| পাৰিশ্ৰমিক লেখন সামগ্ৰী ডাকটিকত | | ৫০০·০০ | | ৫০০·০০ |
| প্ৰচাৰ পত্ৰ | ৯৮৯·০৫ | | ৪৪১·০০ | ৫০০·০০ |
| | ৫,৪৫৪·৯৫ | ৫,৫০০·০০ | ৩,৫০৯·০০ | ১০,০০০·০০ |
| লেখন সামগ্ৰী আদি : | ১,৫৬৯·৮৬ | ১০০০·০০ | ৯৯১·৮০ | ১০০০·০০ |
| | ১,৫৬৯·৮৬ | ১,০০০·০০ | ৯৯১·৮০ | ১০০০·০০ |
| নৈমিত্তিক ব্যয় : | ১,০২১·৮৬ | ১,০০০·০০ | ১,৫৯২·২৩ | ১৫০০·০০ |
| | ১,০২১·৮৬ | ১,০০০·০০ | ১,৫৯২·২৩ | ১৫০০·০০ |
| | ৪৫,০৮৩·০০ | ৭৬,৮৫৫·০৪ | ৬১,৮২৭·৭৬ | ১২,৩৯৫৭·৩৫ |

| | প্ৰকৃত ব্যয় ১৯৬৬।৬৭ | প্ৰস্তাৱিত ব্যয় ১৯৬৭।৬৮ | প্ৰকৃত ব্যয় ১৯৬৭।৬৮ | প্ৰস্তাৱিত ব্যয় ১৯৬৮।৬৯ |
|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ২০,৩১৩·৭৮ | ২৪,২২৯·০৪ | ২,৬১০৭·৭৭ | ১,২৩,৯৫৭·৩৫ |
| শতবাৰ্ষিকী পুঁজি: যেজবৰুৱা শতবাৰ্ষিকী আগবঢ়ালা বৰুৱৈ | | | | |
| বিবিধ: হিছাপ পৰীক্ষকৰ মাচ | | | | |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি দিৱস | ৩৫০·০০ | ৪০০·০০ | ৪০০·০০ | ৪০০·০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | ২৫·০০ | | ৫০·০০ | ৫০·০০ |
| সমিতি আদিৰ বৈঠক | | ৫০০·০০ | | ১০০০·০০ |
| সম্পত্তি প্ৰতিপালন | ৪০৬·৫২ | ৩০০·০০ | ৩৯৬·৯১ | ৪০০·০০ |
| বেংকৰ ভৰণি | ১২০·০০ | ৬০০·০০ | ১২০·০০ | ৫০০·০০ |
| ঐচ্ছিক পুঁজি: সভাপতি | ৩৬·৬৫ | ৫০·০০ | ২৫·৪০ | ৫০·০০ |
| ঐচ্ছিক পুঁজি: প্ৰধান সম্পাদক | ২০০·০০ | ২০০·০০ | | ২০০·০০ |
| অসমীয়া ভাষা জ্ঞান প্ৰমাণ পত্ৰ পৰীক্ষা | ৫০·০০ | ১০০·০০ | | ১০০·০০ |
| ভাষা শিক্ষা শ্ৰেণী | ১৬১·৬১ | ২০০·০০ | ৫৪·০০ | ২০০·০০ |
| শ্ৰেষ্ঠনাটকৰ বাবে বঁটা | ৩১২·০০ | ৩০০·০০ | | ৩০০·০০ |
| শ্ৰেষ্ঠ গ্ৰন্থৰ বাবে বঁটা | | | ৫০০·০০ | |
| বাতৰি কাকত বিতৰণ | | | | ৫০০·০০ |
| সাংস্কৃতিক বিনিময় আঁচনি | | ২০০·০০ | | ২৫০·০০ |
| অন্যান্য: সাময়িক দান আদি | ৪২৯·৯৫ | ১০০০·০০ | ৫৫০·০০ | ১০০০·০০ |
| বিশেষ পুঁজি: পৰিশোধ | | ১০০০·০০ | | ৫০০·০০ |
| আজীৱন সভাপুঁজি | | ২০০০·০০ | | ২০০০·০০ |
| | ২,০৯১·৭৫ | ৬,৮৫০·০০ | ২,০৯৬·৩১ | ৭৪৫০·০০ |
| চন্দ্ৰকান্ত অভিধান | | | | ৩৪০০·০০ |
| | | | | ৩৪০০·০০ |
| গোপাল গোস্বামী স্মৃতি পুঁজি | | | | ৩০০·০০ |
| | | | | ৩০০·০০ |
| | ৪৭,৬৭৬·৭৫ | ৮৩,৭০৫·০৪ | ৬৩,৯২৩·০৯ | ১৩,৫,১০৭·৩৫ |

(স্বা) শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
২৬।৫।৬৮

(স্বা) ডঃ মহেশ্বৰ নেওগ
উপ-সভাপতি
অসম সাহিত্য সভা
২৬।৫।৬৮

(স্বা) শ্ৰীজ্ঞাননাথ বড়া
সভাপতি
অসম সাহিত্য সভা
২৬।৫।৬৮

# অসম সাহিত্য সভাৰ প্ৰকাশন

## ॥ সম্পাদিত প্ৰাচীন কাব্য আদি ॥

(১) হৰিবৰ বিপ্ৰৰ লৱকুশৰ যুদ্ধ*
ডঃ মহেশ্বৰ নেওগ সম্পাদিত । মূল্য-২·০০

(২) ভাগৱত মিশ্ৰৰ সাত্বত তন্ত্ৰ--
৺শৰৎ চন্দ্ৰ গোস্বামী সম্পাদিত । মূল্য-০·৬০

(৩) ৰঘোৰাম দ্বিজৰ শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ *
দেবেশ্বৰ চলিহা সম্পাদিত । মূল্য-১·০০

(৪) ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ ।
৺শৰৎ চন্দ্ৰ গোস্বামী সম্পাদিত । মূল্য-০·৭৫

(৫) নীলকণ্ঠ দাসৰ শ্ৰীশ্ৰীদামোদৰ চৰিত্ৰ*
৺শৰৎ চন্দ্ৰ গোস্বামী সম্পাদিত । মূল্য-০·৮৭

## ॥ সম্পাদিত 'অৰুণোদই' যুগৰ ৰচনা ॥

(১) কামিনী কান্তৰ চৰিত্ৰ (এ, কে, গার্নী)
ডঃ প্ৰফুল্ল দত্ত গোস্বামী সম্পাদিত । মূল্য-২·০০

(২) অৰুণোদইৰ চলফাট ।
ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত । মূল্য-২·৫০

## ॥ সম্পাদিত আধুনিক পুথি ॥

(১) আনন্দৰাম ঢেকিয়াল ফুকনৰ "অসমীয়া ভাষা"*
ডঃ মহেশ্বৰ নেওগৰ দ্বাৰা অনূদিত আৰু সম্পাদিত — মূল্য-১·০০

(২) লক্ষ্মীনাথ বেজবৰুৱাৰ "তত্ত্ব কথা" * (২য় সং)
শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা সম্পাদিত মূল্য-৪·০০

(৩) লক্ষ্মীনাথ বেজবৰুৱাৰ "মোৰ জীৱন সোঁৱৰণ" (২য় সং)
ডঃ মহেশ্বৰ নেওগ সম্পাদিত । মূল্য-৪·০০

(৪) ৺বেণুধৰ ৰাজখোৱাৰ "অসমীয়া খণ্ডবাক্য কোষ"
ডঃ মহেশ্বৰ নেওগ সম্পাদিত । মূল্য-৯·০০

(৫) "ৰজনীকান্ত বৰদলৈ ৰচনামালা"
শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা সম্পাদিত । মূল্য -৮·০০

## ॥ সম্পাদিত লোকগীতি ॥

(১) শ্ৰীযোগেশচন্দ্ৰ তামুলী সংগৃহীত "অসমীয়া লোক-গীতি সংগ্ৰহ"
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত ৪·০০

## ॥ সম্পাদিত সংস্কৃত ৰূপক ॥

(১) ৰূপকত্ৰয়ম্ :-কবিচন্দ্ৰ, গৌৰীকান্ত আৰু দীনদ্বিজ প্ৰণীত ।
ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদিত ৪·০০

## ॥ সংস্কৃতি, ধৰ্ম্ম, সমাজ, শিক্ষা, ভাষা বিষয়ক ॥

(১) "পবিত্ৰ অসম"
ডঃ মহেশ্বৰ নেওগ সম্পাদিত—
২য় সংস্কৰণ ১২·০০

(২) বুৰঞ্জীমূলক প্ৰবন্ধৰ তলিকা
ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত— ২·০০

(৩) চাহ বাগিচাৰ বনুৱা
নকুলচন্দ্ৰ ভূঞা ১·২৫

(৪) সীমান্তৰ সন্ধেদ
শ্ৰীপৰাগধৰ চলিহা সম্পাদিত— ২·০০

(৫) The out look on NEEA শ্ৰীপৰাগধৰ চলিহা সম্পাদিত ২·০০

(৬) This is Assam * শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু ডক্টৰ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত— ২·০০

(৭) মিকিৰ জনজাতি—
ডঃ লংকাম টেৰণ— ১·০০

(৮) অসমৰ জনজাতি---
ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত— ১·০০

(৯) অসমীয়া সংস্কৃতি—
শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু
শ্ৰীলীলা গগৈ সম্পাদিত— ১২·০০

১০) সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি-
ডঃ মহেশ্বৰ নেওগ সম্পাদিত— ২·০০

(১১) Assam's language question : A symposium—ডঃ মহেশ্বৰ নেওগ সম্পাদিত ১·০০

(১২) চাহ বাগিচাৰ অসমীয়া—গোলাপ খাউণ্ড- ১·০০

## ॥ জীৱনী আৰু জীৱনী মূলক আলোচনা ॥

(১) ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া—
নকুলচন্দ্ৰ ভূঞা— ৩·০০

(২) ৰাধাকান্ত সন্দিকৈ
শ্ৰীহৰিপ্ৰসাদ নেওগ— ·৭৫

(৩) কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা *
শ্ৰীকমলেশ্বৰ শৰ্মা ২·৫০

(৪) জয়মতী আৰু মূলাগাভৰু *
শ্ৰীলীলা গগৈ— ০·৬০

(৫) ডিম্বেশ্বৰ নেওগ স্মৃতি গ্ৰন্থ।
শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৬·০০

(৬) অম্বিকাগিৰী ৰায় চৌধুৰীৰ স্মৃতিগ্ৰন্থ—
শ্ৰীহৰিপ্ৰসাদ নেওগ সম্পাদিত। ৬·০০

(৭) প্ৰমথনাথ চক্ৰৱৰ্ত্তী— ১·০০

(৮) চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা—
শশী শৰ্মা সম্পাদিত— ৬·০০

(৯) আনন্দৰাম ঢেকিয়াল ফুকন *
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত ০·৩৬

(১০) ৰত্নকান্ত বৰকাকতী—
বিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত ১·২৫

(১১) বিশ্বনাথ ৰাজবংশী
শ্ৰীহৰিপ্ৰসাদ নেওগ— ৩·০০

(১২) শ্ৰদ্ধাঞ্জলি : তত্ত্বদৰ্শী ৰাধানাথ ফুকনলৈ— ৩·০০

## ॥ সাহিত্য সমালোচনা ॥

(১) সাহিত্য সমীক্ষা :
ডঃ মহেশ্বৰ নেওগ আৰু
শ্ৰীহেমন্তকুমাৰ শৰ্মা সম্পাদিত ৬·০০

(২) উপন্যাসিক ৰজনীকান্ত বৰদলৈ
শ্ৰীবীৰেণ বৰকটকী সম্পাদিত— ৫·০০

(৩) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য—
শ্ৰীহোমেন বৰগোহাঞি সম্পাদিত— ৮·০০

## ॥ গল্প আৰু সাধুকথা ॥

(১) নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প—
শ্ৰীহেমকুমাৰ শৰ্মা অনূদিত। ৪·০০

(২) অসমৰ জনজাতীয় সাধু—
শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত— ৬·০০

(৩) দেৱেশ্বৰ শৰ্মাৰ 'গল্প মল্লিকা'
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংগৃহীত— ২·০০

(৪) উদয়াচলৰ সাধু *
লুম্বেৰ দাই প্ৰণীত— ২·০০

(৫) সেউজী পাতৰ মাজে মাজে—
শ্ৰীনগেন শইকীয়া সঙ্কলিত— ১·০০

## ॥ প্ৰাথমিক ভাষা শিক্ষা পুথি ॥

(১) Assamese for All or Assamese Self taught—
ডঃ মুকুন্দ মাধৱ শৰ্মা। ২·০০

(২) আপকী অসমীয়া বা অসমীয়া স্বয়ং শিক্ষক (হিন্দী)
শ্ৰীপৰেশচন্দ্ৰ দেৱ শৰ্মা অনূদিত— ২·০০

(৩) Antangari Asamiyako Skiani (গাৰো)
শ্ৰীহৰেন্দ্ৰ ডব্লিউ মাৰাকাৰ দ্বাৰা অনূদিত ২·০০

(৪) Asamiya la Baroh Lane Asamiya
Hikai-Ki. (খাচি)
মিচ্ ডি, ফ্ৰেঙ্কলিনৰ দ্বাৰা অনূদিত— ২·০০

(৫) নীলাচল পাঠ (আও নগা ভাষা শিক্ষা পুথি)
শ্ৰীমহেন্দ্ৰ নাথ সভাপণ্ডিত ১·৫০

## ॥ কবিতা ॥

(১) অলকানন্দা—
পদ্মশ্ৰী নলিনীবালা দেবী ৪·০০

## ॥ সংকট কালীন প্ৰকাশন ॥

(১) অশান্ত হিমালয় সীমান্তৰ আহ্বান— ০·২০

(২) ৰণ ঝঙ্কাৰ
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা— ০·২০

(৩) ৰণ নিনাদ ০·২০

পোৱাৰ ঠাই
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট—১

অসম সাহিত্য সভাৰ হৈ পত্ৰিকা সম্পাদক শ্ৰীদুৰ্গেশ্বৰ শৰ্মাৰ দ্বাৰা সম্পাদিত, অসম সাহিত্য সভাৰ প্ৰধান কাৰ্য্যালয় যোৰহাটৰ পৰা প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগৰ দ্বাৰা প্ৰকাশিত আৰু লক্ষ্মী প্ৰিন্টিং প্ৰেছত মুদ্ৰিত।